নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

# প্ৰাগ্‌জ্যোতি

N.H. COLLEGE
PATACHARKUCHI



সম্পাদক

মৃদুল গোস্বামী

# প্ৰাগ্‌জ্যোতি

# PRAGJYOTI

## নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী

Nirmal Haloi College Magazine

চতুৰ্দ্দশ সংখ্যা/14th ISSUE

তত্বাৱধায়ক
শ্ৰী মানিক চন্দ্ৰ দাস

সম্পাদক
শ্ৰী মৃদুল গোস্বামী

*With due honour, love & best Wishes*
*To,*

From
*Mridul Goswami*
Editor

# নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী

২০০১-২০০২ ইং বৰ্ষ

## আলোচনী সম্পাদনা সমিতি

- শ্ৰী নিৰ্মল শইকীয়া (সভাপতি)
- শ্ৰী অনিল চন্দ্ৰ মজুমদাৰ (উপদেষ্টা)
- শ্ৰী নিৰ্মালী মহন্ত চৌধুৰী (সদস্যা)
- শ্ৰী তপন কাকতি (সদস্য)
- শ্ৰী মানিক চন্দ্ৰ দাস (তত্বাৱধায়ক)
- শ্ৰী মৃদুল গোস্বামী (সম্পাদক)
- শ্ৰী কুশল গোস্বামী (সদস্য)

### :অংগ সজ্জা:

শ্ৰী মানিকচন্দ্ৰ দাস

শ্ৰী মৃদুল গোস্বামী

শ্ৰী কুশল গোস্বামী

## কৃতজ্ঞতা স্বীকাৰ


* ড° ৰমেশ চন্দ্ৰ শৰ্মা (অধ্যক্ষ, নি: হা: মহাবিদ্যালয়)
* শ্ৰী নিৰ্মল চন্দ্ৰ শইকীয়া (সভাপতি, ছাত্ৰ একতা সভা)
* শ্ৰী মানিক চন্দ্ৰ দাস, (তত্বাৱধায়ক)
* শ্ৰী জিতেন্দ্ৰ নাথ শৰ্মা, (প্ৰাক্তন সদস্য, প্ৰ: স: , নি: হা: ম:)
* প্ৰাগজ্যোতি সম্পাদনা সমিতিৰ সদস্য/সদস্যা বৃন্দ
* মহাবিদ্যালয়ৰ মাননীয় অধ্যাপক/অধ্যাপিকাসকল
* মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ
* মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দ
* অভিনৱ ডি.টি.পি. চেন্টাৰৰ সমূহ কৰ্মকৰ্ত্তা


### :বেটুপাতৰ পৰিকল্পনা:

শ্ৰী অঞ্জন শৰ্মা


মুদ্ৰণ-

**অভিনৱ ডি.টি.পি. চেন্টাৰ**

পাটাছাৰকুছি, বৰপেটা (অসম)

পিন- ৭৮১৩২৬

## শ্ৰদ্ধাঞ্জলী জ্ঞাপন

*"...... অভিনয় শেষ হ'লে,*
*আয়ুবেলি মাৰ গ'লে*
*থৈ যাব পাৰোঁ খোজ সময় বালিত ।।"*

যি সকল মহান সমাজ স্ৰষ্টাই অপূৰ্ব গুণৰাজিৰে এই ধৰাক জ্যোতিৰ্ময় কৰি সময়ৰ কুটিল ঢেউকাত ভৰ দি শ্বাশ্বত কলা 'মৃত্যু' ৰ বোকোচাত উঠি আমাক শোকোতা দি আমাৰ মাজৰ পৰা গুচি গ'ল আৰু যি সকল ব্যক্তিয়ে দেশ আৰু দহৰ হ'কে স্বাৰ্থ বিসৰ্জন দি শ্বহীদ হ'ল লগতে জ্ঞাত অজ্ঞাত ভাবে যিসকল জ্ঞানী আৰু মহৎ ব্যক্তি আমাৰ মাজৰ পৰা আতৰি গ'ল সেই সকলৰ পবিত্ৰ স্মৃতিত এই সংখ্যাৰ আলোচনীত শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ।

- সম্পাদনা সমিতি

### অশ্ৰু অঞ্জলী



স্বৰ্গীয় মোহন চন্দ্ৰ কলিতা
জন্ম- ২৬-২-১৯৫৬
মৃত্যু - ১৯-৬-২০০২



স্বৰ্গীয়া হিমানী মেধী
মৃত্যু - ২০০২ ইং

# স্বৰ্গীয় মোহন চন্দ্ৰ কলিতা চাৰৰ

## সংক্ষিপ্ত জীৱনীসাৰ

জন্মঃ- বৰপেটা জিলাৰ অন্তৰ্গত পূব বজালী মৌজাৰ গোবিন্দপুৰ গাওঁত ১৯৫৬ চনৰ ২৬ ফেব্ৰুৱাৰী তাৰিখে ৰাবিবাৰে জন্ম হয়। দেউতাক ঁপ্ৰাণেশ্বৰ কলিতা আৰু মাক ঁসত্যৱতী কলিতা।

শিক্ষা-দীক্ষা ঃ- গোবিন্দপুৰ গাওঁৰেই ৫৯ নং গোবিন্দপুৰ প্ৰাথমিক বিদ্যালয়ত আনুষ্ঠানিক শিক্ষা আৰম্ভ হয়। ১৯৭৫ চনত প্ৰাগজ্যোতিষ হাইস্কুল, গোবিন্দপুৰৰ পৰা সুখ্যাতিৰে মাধ্যমিক শিক্ষান্ত পৰীক্ষা পাছ কৰি পাটাছাৰকুছি বিদ্যাপীঠত নামভৰ্ত্তি কৰে। পাটাছাৰকুছি বিদ্যাপীঠৰ পৰাই ১৯৭৭ চনত কলা শাখাত অসমৰ ভিতৰত দ্বিতীয় স্থান অধিকাৰ কৰি উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পিছত গুৱাহাটীৰ কটন কলেজৰ স্নাতক পৰ্য্যায়ত নাম ভৰ্ত্তি কৰিছিল! যদিও, আৰ্থিক অনাটনৰ বাবে ডেৰ মাহ পিছত পাঠশালাৰ বজালী মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰে। সেই মহাবিদ্যালয়ৰ পৰাই ১৯৭৯ চনত অৰ্থনীতি বিভাগত সন্মানসহ উত্তীৰ্ণ হয়। ১৯৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ উপাধি লাভ কৰে।

চাকৰি জীৱনঃ- ১৯৮৩ চনত পাটাছাৰকুছিৰ প্ৰাগজ্যোতি মহাবিদ্যালয়ত অৰ্থনীতি বিভাগৰ প্ৰবক্তা হিচাপে কৰ্ম জীৱনৰ পাতনি মেলে। ১৯৮৬ চনত পাটাছাৰকুছিৰ পৰা গৈ জালাহৰ 'বগাধৰ ব্ৰহ্ম কিযাণ মহাবিদ্যালয়'ত প্ৰবক্তা পদত যোগদান কৰে। সেই কলেজৰ প্ৰশাসনিক গোট তথা গৃহ নিৰ্মান সমিতিৰ সদস্য হোৱাৰ উপৰিও শিক্ষক গোট, শিক্ষক কল্যাণ পুঁজি, আৰু মহাবিদ্যালয়ৰ এন. এছ. এছ গোটৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯৯৬ চনৰ ২৯ ফেব্ৰুৱাৰী তাৰিখে তেওঁ পুনৰ পাটাছাৰকুছিৰ আগৰ প্ৰাগজ্যোতিষ কলেজ আৰু বৰ্তমানৰ নিঃ হাঃ মহাবিদ্যালয়ত যোগদান কৰে। এইখন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি ৰূপে কাৰ্য্যনিৰ্বাহ কৰাৰ উপৰিও প্ৰশাসনিক গোটৰ সম্পাদক হিচাপে কাৰ্য্য নিৰ্বাহ কৰে। ইয়াৰোপৰি তেওঁ কেইবাবাৰো মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ৰূপে দায়িত্ব বহন কৰিছিল।

বৈবাহিক-জীৱন ঃ- ১৯৮৮ চনৰ ২৬ ফেব্ৰুৱাৰী তৰিখে বামুনকুছিৰ 'পাকৰিৰ তল' গাওঁৰ ঁকেশৱ চন্দ্ৰ কলিতাৰ জীয়ৰী শ্ৰী মতী কামিনী কলিতাৰ সতে বিবাহ পাশত আবদ্ধ হয়।

কৰ্ম জীৱনঃ- কৰ্ম শক্তিৰ প্ৰতিভূস্বৰূপ কলিতা চাৰৰ বলিষ্ঠ হাতৰ পৰশ বৃহৎ পাটাছাৰকুছি অঞ্চলৰ সৰু বৰ সকলো উন্নয়নমূলক ক্ষেত্ৰতেই পোৱা যায়। ১৯৮৬ চনত স্থাপন কৰা ৰূপান্তৰ সংঘই কলিতা চাৰৰ গঠনকামী মনোভাৱৰ পৰিচয় বহন কৰে। ইয়াৰোপৰি কলিতা চাৰৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলতেই ১৯৯৫ চনৰ ৫ জানুৱাৰীত শিক্ষাৰম্ভ কৰিব পৰাকৈ 'শংকৰদেৱ শিশু নিকেতন' স্থাপন কৰা হয়। শংকৰদেৱ শিশু নিকেতন পৰিচালনা সমিতিৰ সম্পাদক পদত থকা কলিতা চাৰে পাটাছাৰকুছি বিদ্যাপীঠৰ প্ৰতিষ্ঠাপক, প্ৰাক্তন অধ্যক্ষ ঁহৰেন্দ্ৰ নাথ শৰ্মাদেৱৰ 'স্মৃতি ৰক্ষা সমিতি'ৰ সম্পাদক হিচাপেও কাৰ্য্য নিৰ্বাহ কৰিছিল। ইহ সংসাৰৰ পৰা বিদায় লোৱাৰ আগমূহুৰ্ত্তলৈকে কলিতা চাৰে পাটাছাৰকুছি বিদ্যাপীঠ, গোবিন্দপুৰৰ প্ৰাগজ্যোতি হাইস্কুল, বজালী জি-এন-আৰ-চি হস্পিতাল প্ৰকল্প ইত্যাদি বিভিন্ন অনুষ্ঠানত যথেষ্ঠ অৰিহণা যোগাই যায়।

মৃত্যুঃ- ২০০২ চনৰ ১৯ জুন তাৰিখ বুধবাৰে ৪৭ বছৰ বয়সত কৰ্কট ৰোগত আক্ৰান্ত হৈ মুম্বাইৰ 'টাটা মেমোৰিয়েল হস্পিতাল' ত মৃত্যু বৰণ কৰে।

তেখেতৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক এয়েই ছাত্ৰ একতা সভা তথা আলোচনী সম্পাদনা সমিতিৰ ভগবানৰ ওচৰত একান্ত প্ৰাৰ্থনা।

।। ওঁ শান্তি ওঁ শান্তি ওঁ শান্তি ।।



*Dr, R.C. Sarma*
M.A.,B.T., B.Lib.Sc., Ph.D.
Principal, N.H. College

## শুভেচ্ছাবাণী

নিৰ্মল হলৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰাগজ্যোতি' ছপা হৈ ওলাব বুলি জানি সন্তোষ পাইছোঁ। ছাত্ৰ একতা সভাৰ এই বাৰ্ষিক আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ আত্ম-প্ৰকাশ আৰু মহাবিদ্যালয়খনৰ সকলো প্ৰতিচ্ছবি দাঙি ধৰিব বুলি মোৰ বিশ্বাস।

সীমিত সুবিধাৰ মাজত এই আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে লিখনিৰ সহায়ত প্ৰতিভা প্ৰকাশ কৰক এয়ে মোৰ শুভ কামনা। সাম্প্ৰতিক সামাজিক অস্থিৰতা আৰু বিপৰ্য্যয়ৰ সময়তো আমাৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে জাতীয় জীৱনৰ মানদণ্ড অধিক উন্নত কৰক। মহাবিদ্যালয়খন বৌদ্ধিক আৰু সাংস্কৃতিক প্ৰতিভাৰ কেন্দ্ৰস্থল হৈ পৰক। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।





**নিৰ্মল চন্দ্ৰ শইকীয়া, উপাধ্যক্ষ**

**সভাপতি, ছাত্ৰ একতা সভা**

# কাপৰ শৰাই

*সম্পাদকীয়*

*ৰূপালী জয়ন্তী প্ৰাক্ মুহূৰ্তৰ*

*বিশেষ সংযোজন*

*প্ৰবন্ধৰ পঞ্চতৰা*

*আৰু*

*সাম্প্ৰতিক চিন্তাৰে...*

*কবিতাৰ কৰণীত*

*গল্পৰ বিপনীত*

*ফটোৰে প্ৰাগজ্যোতি*

*প্ৰতিবেদন চ'ৰা*

***English session***

*--000--*



# সম্পাদকীয় ঃ

## প্ৰজ্ঞাৰ সাধনা

সাম্প্ৰতিক কালত মনৰ তাড়নাত কিবা এযাৰ লিখিবলৈ ভয় হয়, জানোচা কাৰোবাৰ মাখিছাল বখলিয়ায়, কাৰোবাৰ গগন চুম্বী অট্টালিকা চূৰ্ণ- বিচূৰ্ণ কৰে! কিন্তু, অশান্ত চিৎ, কলমে বাধা নামানে। ইফালে মহাবিদ্যালয় এখনৰ প্ৰতিবিম্ব স্বৰূপ আলোচনীখনৰ সম্পাদকীয় যুগুত কৰাটো অতি দুৰূহ। সাধাৰণ আলোচনী বা পত্ৰিকাৰ সম্পাদকীয়ৰ সতে মহাবিদ্যালয় আলোচনী সম্পাদকীয়ৰ তুলনা অবান্তৰ বুলি ক'ব পাৰি। সাধাৰণ পত্ৰিকাৰ দৰে মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ ধাৰাবাহিকতা অনুপস্থিত। তাৰোপৰি মহাবিদ্যালয় আলোচনীখনে পলম- কৈ প্ৰকাশৰ মুখ দেখা, আৰ্থিক অনাটনত জৰ্জৰিত হৈ কৃশ-কলেৱৰ ৰূপ লোৱা, বহুদিনীয়া ৰচনাবোৰ নথিৰ মাজত আবদ্ধ হৈ থাকি অযত্নপালিত অৱস্থাত নিষ্প্ৰভ হোৱা ইত্যাদি বিভিন্ন পাকচক্ৰত পতিত হোৱা বাবে সম্পাদকীয়ৰ পাতনিতে মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱীলৈ কৰযোৰে, নাইবা দণ্ডৱতে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

<u>সাহিত্যৰ উদ্দেশ্যঃ প্ৰজ্ঞাৰ সাধনা</u> - সাহিত্যৰ ক্ষেত্ৰ খন বিন্দুৰ পৰা অসীমলৈ বিস্তৃত। লাখ বছৰ আগতেই আদিম মানৱে এচটা ধোঁৱাবৰণীয়া শিলৰ ওপৰত ক'লা শিল বা তদ্ৰূপ উপকৰনেৰে প্ৰথমটো আঁক মৰাৰ পৰাই ভাষাই লিখিত ৰূপ পৰিগ্ৰহ কৰিলে বুলিব পাৰি। সেই কালৰ সাহিত্য বুলিলে প্ৰস্তৰত খোদিত কৰা বিভিন্ন জন্তু বা চৰাই-চিৰিকটি বা শেল-কুঠাৰ আদিৰ অসংলগ্ন আঁক-বাঁক বোৰেই মনলৈ আহে। কিয়নো, সেই সময়ৰ সাহিত্যৰ লক্ষ্যই আছিল সাহিত্যিক (?) জনে চিকাৰ কৰা জীৱটোৰ আকাৰ, চিকাৰত ব্যৱহাৰ কৰা সজুঁলি ইত্যাদিবোৰৰ থুল-মুল চিত্ৰ এখন শিলত আঁকি নিজকে আনতকৈ শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰাটো। ক্ৰমান্বয়ে সময়ৰ জলঙাৰে নিগৰিত হৈ, বিভিন্ন অলংকাৰেৰে সুশোভিত হৈ বৰ্তমানৰ জাগতিক সাহিত্যৰ নান্দনিক ৰূপ প্ৰতিভাত হৈছে। ঠিক যেন গাখীৰতী ধানে প্ৰাপ্তবয়স্কতা লাভ কৰি সোনোৱালী হ'ল।

সাহিত্যৰ উদ্দেশ্য প্ৰসংগত প্ৰখ্যাত সাহিত্যিক মেক্সিম গৰ্কীয়ে উল্লেখ কৰিছে, ' সাহিত্যৰ লক্ষ্য হৈছে মানুহক নিজকে নিজে বুজিবলৈ সক্ষম কৰা, আত্মবিশ্বাস জন্মোৱাত সহায় কৰা, সৎ কথাত আত্মনিয়োগ কৰিবলৈ মনোবল দিয়া আৰু অন্তৰত সৌন্দৰ্য্যবোধ জাগৰিত কৰি জীৱনটো পবিত্ৰ কৰা।' সাহিত্যৰ লক্ষ্য সন্দৰ্ভত তেওঁৰ উক্তিটো বিশ্লেষণ কৰি চালে দেখা পোৱা যায় যে, মানুহক নিজকে নিজে বুজি পাবলৈ অন্তৰ্জ্ঞান বা প্ৰজ্ঞাৰ প্ৰয়োজন। সাহিত্য-জ্ঞানৰ জৰিয়তে মানুহৰ অন্তৰত এই অন্তৰ্জ্ঞানৰ উন্মেষ ঘটে আৰু নিজৰ চৰিত্ৰৰ মাজত থকা খুঁতি-নাতিবোৰ পৰিষ্কাৰকৈ বুজি লবলৈ সক্ষম হয়। ইয়াৰ ফলতেই ব্যক্তিৰ আত্মবিশ্বাস জন্মে আৰু প্ৰজ্ঞাৰ সাৰ্থক ব্যৱহাৰৰ ফলত সৎ কাৰ্যত আত্মনিয়োগ কৰিবলৈ শক্তি পায়।

সৎ কাৰ্যত আত্মনিয়োগ কৰিবলৈ মানুহক আত্মানুশাসনৰ প্ৰয়োজন। আত্মানুশাসনৰ বিস্তাৰিত আলোচনাৰ অৱকাশ নাই বুলিয়েই আমাৰ বিশ্বাস। থুলমূলকৈ, আত্মানুশাসনেই 'পঢ়ে পঢ়ুৱায় বোৰে পান ...' প্ৰবচন ফাঁকিৰো মূল। দেশৰক্ষা কাৰ্য্যত নিয়োজিত সৈনিকসকলৰ আটাইতকৈ দৰকাৰী গুণো এই 'আত্মানুশাসনে'ই। সৰু ডাঙৰ যিকোনো কাম সুচাৰুৰূপে সম্পন্ন কৰিবলৈ হ'লে আত্মানুশাসন তথা নিয়ম-নিষ্ঠাৰ অতিকে প্ৰয়োজন। এই আত্মানুশাসন অবিৰামভাৱে নিজৰ বিবেকৰ সৈতে কৰা যুদ্ধৰ ধনাত্মক পৰিণতিৰ পৰাহে ব্যক্তিৰ আয়ত্তলৈ আহে। ইয়াত নিৰৱ সাধনাৰ অতিকে প্ৰয়োজন।

বিজ্ঞানৰ বোকোচাত উঠি মানুহে সভ্যতাৰ জখলাত দোপত দোপে আগবাঢ়ি গৈছে। যান্ত্ৰিক সভ্যতাই বহুতো কাম সহজসাধ্য কৰি তোলাৰ ফলত মানুহৰ আজৰি সময় বাঢ়ি গৈ আছে। আজৰি সময় উপভোগাৰ্থে বিজ্ঞানেই অজস্ৰ দৃশ্য-শ্ৰব্য উপকৰণ যোগান ধৰিছে। মনোৰঞ্জনৰ সুলভতাৰ বাবেই আধুনিক প্ৰজন্মৰ মাজত এক কৰ্ম- বিমুখ মনোবৃত্তি বদ্ধমূল হৈছে। পৰকীয়া সুখত নিমগ্ন হোৱাত যতি পৰিছে জীৱনৰ প্ৰকৃত সাধনা। কৰ্ম-বিমুখতাই এলেহুৱা মনৰ সৃষ্টি কৰে আৰু এলেহুৱা মনেই সমাজত অবিচাৰ, অনাচাৰ, অতিচাৰ ইত্যাদিৰ প্ৰাধান্যতাৰে সামাজিক জীৱনৰ শৃংখলতাত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে (An Idle Life Is a Devil's workshop)। পৰিণতিত একবিংশ শতিকাত খোজ থৈও আমি ইতৰ প্ৰবৃত্তিবোৰ অমাৰ্জিত ভাবে চৰিতাৰ্থ কৰিছোঁ।

সাম্প্ৰতিক কালত ভয়াবহ ৰূপ ধাৰণ কৰা 'যুৱ উশৃংখলতা' নামৰ সামাজিক ব্যাধিটোৰ কাৰণ প্ৰসঙ্গত অসমৰ প্ৰখ্যাত সাহিত্যিক হোমেন বৰগোহাঞিয়ে scapegoat প্ৰথাৰ প্ৰসঙ্গ উত্থাপন কৰিছে। ইহুদি সমাজত প্ৰচলিত এই প্ৰথা মতে তেওঁলোকৰ প্ৰধান পুৰোহিতজনে গাওঁ এখনৰ সকলো মানুহে কৰা পাপ-কৰ্মৰ বোজা এটা অবোধ ছাগলীৰ ওপৰত জাপি দি তাক গাওঁখনৰ পৰা পলাই যাবলৈ বাধ্য কৰে আৰু সেই কাৰ্য্যৰদ্বাৰা গঞাই অপৰাধবোধৰপৰা মুক্তি পাব খোজে। একমাত্ৰ ইহুদি সমাজতে এনে প্ৰথা আছে যদিও পৃথিৱীৰ অন্য সমাজত মানুহৰ মাজত এনেকুৱা scapegoat বিচৰা মনোবৃত্তি বিদ্যমান। এলাহৰ বশবৰ্তী হৈ বা কঠোৰ পৰিশ্ৰম নকৰি জীৱনৰ প্ৰস্তুতি কাল খিনি ৰং-ধেমালিত কটাই জীৱনত পদে পদে ব্যৰ্থতাৰ সন্মুখীন হোৱা মানুহেই নিজৰ ব্যৰ্থতাৰ কাৰণে scapegoat বিচাৰি পৃথিৱী ছলাথ কৰে। এনে ব্যক্তিয়ে নিজৰ অপৰাধবোধ ঢাকিবলৈ কেতিয়াবা পৰিয়ালৰ ওপৰত, কেতিয়াবা সমাজৰ ওপৰত আৰু কেতিয়াবা আইনৰ বিৰুদ্ধেও বিদ্ৰোহ কৰে। অৰ্থাৎ তেওঁলোকে তেওঁলোকৰ ব্যৰ্থতাৰ কাৰণে একমাত্ৰ নিজৰ বাহিৰে বাকী সকলোৰে বিৰুদ্ধে জেহাদ ঘোষণা কৰে। ইয়ে যুৱ-উশৃংখলতাৰ জন্ম দিয়ে আৰু সমাজৰ শান্তি-সম্প্ৰীতিক কক্ষচ্যুত কৰিবলৈ তিলমানো সময়ৰ অপচয় নকৰে। সৎ আৰু নিৰ্ভীক প্ৰকৃতিৰ সাহিত্য ৰচনাইহে এনে সময়ত একমাত্ৰ ত্ৰাণকৰ্তা ৰূপে নিয়োজিত হ'ব পাৰে।

<u>সাহিত্যৰ পথত ঃ-</u> জাতি এটাৰ আদৰ্শ, সুখ-দুখ, ইচ্ছা-অনুভূতি, পৰম্পৰা-সংস্কৃতি ইত্যাদি সকলো দিশৰেই প্ৰতিফলন হয় সাহিত্যত। সাহিত্য জাতি এটাৰ দাপোন স্বৰূপ। সাহিত্যিকৰ সৃষ্টিকামী মানসিকতাই সাহিত্যৰ মাপকাঠী। মানুহক কঠোৰ বাস্তৱৰ মাজেৰে সজাগ হ'বলৈ উনুকিয়াই সাহিত্যই জাতীয় জীৱন সমৃদ্ধ কৰে। মানৱ মনত সত্য, প্ৰেম আৰু নিৰ্মলতাৰ সঞ্চাৰ কৰি ইয়ে সমাজ-জীৱন জীপাল কৰি তোলে।

সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰত আলোচনী সাহিত্যৰ ভূমিকা অনন্য-অসাধাৰণ। সাহিত্যিকৰ ক্ৰম বৰ্দ্ধমান সাহিত্য চৰ্চাৰ চাহিদা এই আলোচনী সমূহেই পূৰণ কৰে। প্ৰত্যেক স্বাধীন ভাষাৰ প্ৰতিষ্ঠাত অগ্ৰগন্য স্থান লোৱাৰ দৰে অসমীয়া ভাষাৰ প্ৰতিষ্ঠাতো আলোচনীৰ ভূমিকা অপৰিসীম। আধুনিক অসমীয়া ভাষাৰ স্থাপনা আৰু পৰিপুষ্টি সাধনত পুৰণি কালৰ পৰাই অসমীয়া আলোচনী আৰু কাকতে অনবদ্য অৱদান আগবঢ়াই আহিছে। ১৮৪৬ চনত প্ৰকাশিত প্ৰথম অসমীয়া বাৰ্ত্তালোচনী 'অৰুনোদয়' খনেই অসমীয়া আলোচনীৰ বাটকটীয়া স্বৰূপ। এই আলোচনীৰ পাততেই আৰু পিচত পৰৱৰ্তী কালৰ আলোচনীসমূহত সাহিত্য চৰ্চা কৰিয়েই বহুতো সাহিত্যিকে নিজৰ নাম যুগমীয়া কৰি থ'ব পাৰিছে। তেওঁলোকৰ চিন্তা ভাৱনাৰ সূক্ষ্মতা আৰু চাৰিত্ৰিক দৃঢ়তাই অসমীয়া ভাষাটোক স্বকীয়তা প্ৰদান কৰাৰ উপৰিও লিখনীবোৰ সুসংহত আৰু ক্ৰমানুসাৰে প্ৰকাশ কৰি আধুনিক অসমীয়া ভাষাটোক সুসংগঠিত ৰূপ প্ৰদান কৰিবলৈ সক্ষম হৈছে।

সাহিত্য যিদৰে জাতি এটাৰ দাপোনস্বৰূপ, ঠিক তেনেদৰে মহাবিদ্যালয় এখনৰ দাপোন হ'ল ইয়াৰ আলোচনীখন। মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ, ছাত্ৰ-ছাত্ৰীৰ ইচ্ছা-অনুভূতিবোৰ ইয়াৰ আলোচনীৰ পাততে প্ৰকাশ পায়, তেওঁলোকৰে ৰচিত গল্প, কবিতা, প্ৰবন্ধ-নিবন্ধৰ মাধ্যমত । তেওঁলোকৰ বাবে আলোচনীখনেই সাহিত্য চৰ্চাৰ একমাত্ৰ মাধ্যম হৈ পৰে। ছাত্ৰাবস্থাত স্কুল-কলেজীয়া আলোচনীত সাহিত্য চৰ্চা আৰম্ভ কৰি পৰৱৰ্ত্তী জীৱনত প্ৰতিস্থিত সাহিত্যিক হোৱাৰ নজিৰ অলেখ আছে। ইয়াৰ বাবে লাগিব প্ৰকৃত সাধনা আৰু সাহিত্যিক ভালপোৱাৰ বাসনা। ইয়াৰদ্বাৰাই বাঢ়িব কৰ্তব্যনিষ্ঠা আৰু হ'ব প্ৰজ্ঞাৰ সাধনা। 'প্ৰাগজ্যোতি' ইয়াৰ বাটকটীয়া হওঁক, স্বকীয় মহিমাৰে মণ্ডিত হৈ জগজ্জননীক আলোকিত কৰক। আহক, সকলোৱে মিলি 'প্ৰাগজ্যোতি'ক নব্যৰূপেৰে সুশোভিত কৰি তোলোঁ।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়।

## দানবীৰ নিৰ্মল হালৈ



অবিভক্ত কামৰূপ জিলাৰ বৰ্তমান নলবাৰী জিলাৰ বৰঘোপা গাওঁৰ এটি দুখীয়া কৃষক পৰিয়ালত ১৯২১ চনৰ ১৬ ডিচেম্বৰ তাৰিখে এজন সহজ-সৰল কৰ্মকুশল ব্যক্তিৰ জন্ম হয় যিজনৰ অক্লান্ত শাৰিৰীক কষ্টোপাৰ্জিত ধনেৰে সুদূৰ শদিয়াৰ পৰা পাটাছাৰকুছিলৈ অজস্ৰ সামাজিক, সাংস্কৃতিক আৰু শিক্ষাৰ অনুষ্ঠান গঢ়ি উঠিছে। এইজন মহান ব্যক্তিয়েই হ'ল দান বীৰ ঁ নিৰ্মল হালৈ। সচাঁকৈয়ে, হালৈদেৱ নিৰ্মলতাৰ প্ৰতিভূ।

হালৈদেৱৰ পিতৃ ঁভোগীৰাম হালৈ এজন নিষ্ঠাৱান আদৰ্শ খেতিয়ক আৰু মাতৃ ঁজালো প্ৰিয়া হালৈ এগৰাকী আদৰ্শৱতী ধৰ্ম্মপ্ৰাণা মহিলা আছিল। ভোগীৰাম হালৈৰ তিনিজন পুত্ৰৰ ভিতৰত নিৰ্মল হালৈ কনিষ্ঠ।তেওঁৰ সাত বছৰ বয়সতে পিতৃ বিয়োগ হয়।......ন বছৰ বয়সত ৰাণাকুছিৰ ঁললিত দাস হেড্‌মাষ্টৰৰ ঘৰত গৰখীয়া থাকিবলৈ বাধ্য হয়। কাৰণ পিতৃ বিয়োগৰ পিচত পৰিয়ালটোৰ পানীত হাঁহ-নচৰা অৱস্থা হয়। স্বৰ্গীয় দাসৰ ঘৰত চাৰি বছৰ থকাৰ পিচত তেৰ বছৰ বয়সত জামুগুৰিত এখন মাৰোৱাৰী দোকানত মালজোখা ল'ৰা হিচাপে থাকে, প্ৰায় ছয় বছৰ কাল। গতিকে হালৈদেৱৰ জীৱনত শিক্ষা লাভৰ সুযোগ নঘটিল।....... বিশ বছৰ বয়সত সোমোৱাৰ লগে লগে হালৈদেৱে নিজাকৈ এখন গৰুগাড়ী কিনি ভাড়া মৰাৰ ব্যৱস্থা কৰে। এইদৰে দহ বছৰ কটোৱাৰ পিচত ১৯৫০ চনৰ ভূমিকম্পত প্ৰায় ত্ৰিশ বছৰ বয়সত চৈখোৱা ঘাট আৰু শদিয়া, ব্ৰহ্মপুত্ৰত লীন যোৱাত সিপাৰৰ শদিয়া অঞ্চললৈ গৈ ব্যৱসায় আৰম্ভ কৰে। লগতে গৰুৰ গাড়ীৰে ভাড়া মৰা ব্যৱস্থাও অব্যাহত ৰাখে। ১৯৫০ চনতে ঁলক্ষেশ্বৰ শৰ্মা ৰাজনৈতিক বিষয়া হৈ থকা সময়ত বহু বিঘা খেতিৰ অনুপযোগী চৰকাৰী মাটি দখল কৰি নিজ পৰিশ্ৰমেৰে সেই মাটি খেতিৰ উপযোগী কৰি তাত খেতি আৰম্ভ কৰে। লগতে ধান, সৰিয়হ আদি কৃষিজাত সামগ্ৰীৰ ব্যৱসায়ো চলাই থাকে। উন্নত পদ্ধতিৰে কৃষিকাৰ্য্য কৰি এজন প্ৰগতিশীল খেতিয়ক হিচাপে ১৯৮০-৮১ চনত অসম চৰকাৰৰ পুৰস্কাৰ লাভ কৰে। ব্যৱসায় আৰু কৃষিত দোপতদোপে উন্নতি কৰি তেখেতে শদিয়া অঞ্চলত এজন লেখত-লবলগীয়া মানুহ হব পাৰিছিল।

১৯৫০ চনতে ডিব্ৰুগড় নিবাসী ঁমহিৰাম হালৈৰ কন্যা শ্ৰীমতী দেওবৰীক বিবাহ কৰায়। এওঁৰ কোনো সতি-সন্ততি নহোৱাত ১৯৬০ চনত জন্মস্থান বৰঘোপা গাওঁৰ শ্ৰীমতী সৰস্বতী হালৈক বিয়া কৰায়। দ্বিতীয় পত্নীৰ একমাত্ৰ সন্তান শ্ৰীমতী জয়া হালৈ।

'দানেই পৰম ধৰ্ম'- এই মন্ত্ৰৰে দীক্ষিত হৈ হালৈদেৱে নিজৰ কষ্টোপাৰ্জিত ধন নিজৰ সুখ-স্বাচ্ছন্দ্যৰ বাবে খৰছ নকৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আৰু ধৰ্মানুষ্ঠানত দান দি এজন মহান দাতা হিচাপে নিজৰ পৰিচয় দিব পাৰিছে।...

.... তেখেতৰ জীৱনৰ দানৰ কীৰ্তস্তম্ভ হ'ল- 'প্ৰাগ্‌জ্যোতি মহাবিদ্যালয়'। এই মহাবিদ্যালয়লৈ তেখেতে ৪,১১,১১১.০০ টকা আৰু সহধৰ্মিণী শ্ৰীমতী সৰস্বতী হালৈৰ নামত ৯১,০০০.০০ টকা দান দি মহান দাতা হিচাপে এক অভিলেখ সৃষ্টি কৰিছে। পাটাছাৰকুছি ৰাইজৰ বাবে ই এক জীয়া ইতিহাস। পাটাছাৰকুছি অঞ্চলৰ ৰাইজেও কৃতজ্ঞতাৰ চিন স্বৰূপে প্ৰাগ্‌জ্যোতি মহাবিদ্যালয়ৰ নাম সলনি কৰি 'নিৰ্মল হালৈ মহাবিদ্যালয়' আৰু মহাবিদ্যালয়খনৰ এটি ভৱনৰ নাম 'সৰস্বতী হালৈ ভৱন' ৰাখিছে।

যোৱা ১৯৯২ চনৰ ১৫ জুলাইৰ দিনাখন সকলোকে কন্দুৱাই তেখেতে ইহজনম ত্যাগ কৰে। তেখেতৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক। তেখেতৰ আত্মা পৰম আত্মাৰ লগত বিলীন হওঁক। এই আশাৰে....।

## সাবিত্ৰী বাই, তুমি অনন্যা



" সংসাৰত মই কাকো একো দিব নোৱাৰিলোঁ। হোপাহ পলুৱাই মই দান দিবলৈ কোনো উপযুক্ত সম্পদো নাপালোঁ। যি পালোঁ সেয়া মাথোন মোৰ বৈধব্য জীৱনত লাভ কৰা ভাৱাক্ৰান্ত দুৰ্য্যোগ।"- এয়া আছিল এগৰাকী নাৰীৰ বক্তব্য, যি গৰাকী নাৰীৰ প্ৰভাৱ আৰু স্মৃতিয়ে মোৰ অন্তৰত বৰকৈ ৰেখাপাত কৰিছে। "হেঁপাহ পলুৱাই দান দিবলৈ একো নাই।" অথচ দানৰ গৰিমাৰে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ইতিহাসত তেওঁৰ স্মৃতি চিৰযুগমীয়াকৈ ৰাখিবলৈ সমৰ্থ হৈছে। সেই গৰাকী মহীয়সী নাৰীয়েই হ'ল পৰম শ্ৰদ্ধেয়া শ্ৰীমতী সাবিত্ৰী চৌধুৰী।

সৰিহ মৌজাৰ বেজকুছি গাওঁত ইং ১৯১৯ চনৰ ১৯ নবেম্বৰত সাবিত্ৰী চৌধুৰীৰ জন্ম হয়।..... সাবিত্ৰী চৌধুৰীৰ পিতাক আছিল ঁনবনাথ গোস্বামী আৰু মাক শ্ৰীমতী জয়া গোস্বামী। সেই সময়ৰ ব্ৰাহ্মণ সমাজৰ ৰীতি অনুযায়ী ১১ বছৰ বয়সতে বৰ ধুম-ধামেৰে ৰায়পুৰ গাওঁৰ শ্ৰী ৰত্নকান্ত দেৱ চৌধুৰী মৌজাদাৰৰ লগত বিয়া হয়। কিন্তু নিয়তীৰ কি অদ্ভুত লীলা। বিয়াৰ এবছৰৰ ভিতৰতে ৰত্নকান্ত দেৱ চৌধুৰীৰ অকাল মৃত্যুত সাবিত্ৰীৰ জীৱনলৈ নামি আহিল অকাল বৈধব্যৰ দাৰুণ যন্ত্ৰণা। শোকে-তাপে দগ্ধ হৈ স্বামীক হেৰুৱাই চকুঁলোকে জীৱনৰ চিৰ সংগী হিচাপে লৈ পিতৃ-গৃহতে জীৱনৰ অন্তিম মুহূৰ্ত্তলৈ দিন কটাইছিল।

তেজৰ সম্বন্ধ নাথাকিলেও সাবিত্ৰী চৌধুৰীৰ লগত মোৰ সম্বন্ধ অতি নিবিড়। বয়সত মোতকৈ দহ বছৰমান ডাঙৰ।....

....গোটেই জীৱন জীয়াতু ভুগি শেষ কালত স্বামীৰ ফালৰ পৰা কেইবিঘামান মাটি পাইছিল। এদিন ৰাতিপুৱা সাবিত্ৰী বাই আমাৰ ঘৰত উপস্থিত হ'ল। মই প্ৰশ্ন কৰিলোঁ- "বাই তুমি ইমান ৰাতিপুৱাই কিয় বা আহিলা?" বাই ক'লে- "বাপু মোৰ ভাগৰ কেইবিঘামান মাটি...... বিক্ৰী কৰিলোঁ। টকা খিনি যোৱাকালি গধূলি দি গ'ল। টকা-খিনি ৰাতি কোনোবাই নিয়া নিয়া যেন লাগিল। ওৰে ৰাতি টোপনি নাহিল। টকা খিনি থবৰ কাৰণে ৰাতিপুৱাই তোৰ ইয়ালৈ আহিলোঁ। টকা খিনি তই ৰাখ আৰু য'ত থলে ভাল হয়, সেইমতে থবি" বুলি কৈ মোক টকা সোঁতৰ হাজাৰ দিলে।...... মই বাইক ক'লো- "বাই তোমাৰ ল'ৰা ছোৱালী নাই। ইয়াৰে দহ হাজাৰ টকা আমাৰ নৱ-নিৰ্মিত কলেজখনক দান কৰা। কলেজৰ ল'ৰা-ছোৱালীয়ে তোমাৰ ল'ৰা-ছোৱালী। বাকী সাত হাজাৰ তোমাৰ নিজৰ কাৰণে বেঙ্কত জমা থোৱা।" মোৰ প্ৰস্তাৱত বাই বৰ উৎফুল্লিত হ'ল আৰু হৰ্যচিত্তে দহ হাজাৰ টকা কলেজক দান দিলে। দহ হাজাৰ টকা দান দিয়া সাবিত্ৰী বাইয়ে প্ৰথম ব্যক্তি। সাবিত্ৰী বাইৰ এই দান মহান দান। এই দানৰ বাবেই নিৰ্মল হালৈ মহাবিদ্যালয়ে সাবিত্ৰী বাইৰ ওচৰত চিৰকৃতজ্ঞ।

সাবিত্ৰী বাই এজনী লিখিকাও আছিল। 'অমৰ সাধু' নামৰ এখন ধৰ্ম্মমূলক সাধুকথাৰ কিতাপ লিখি নিজৰ সাহিত্য প্ৰতিভাৰ পৰিচয় দিব পাৰিছিল। স্বামী ৰত্নকান্ত দেৱ চৌধুৰীৰ পবিত্ৰ স্মৃতিত কিতাপখন উচৰ্গা কৰিছে এইদৰে--

'অকালতে মোৰ শিৰৰ সেন্দুৰ মচি দি
স্বৰ্গ ধামলৈ গুছি গ'লেও
যিজনে
শয়নে-সপোনে মোৰ নিজৰ জন হৈ
বাচি থাকিবৰ কাৰণে
প্ৰতিটো ক্ষণতে অনুপ্ৰেৰণা দান কৰি আছে
সেইজন আৰাধ্য স্বামী
ৰত্নকান্ত চৌধুৰীৰ পবিত্ৰ স্মৃতিত
অমৰ সাধুখনি উচৰ্গা কৰিলোঁ।'

যোৱা ১৭/১১/৮৯ ইং তাৰিখে সাবিত্ৰী বাইৰ পৰলোকপ্ৰাপ্তি ঘটে।...

সাবিত্ৰী বাইৰ মৃত্যু হ'ল যদিও নিৰ্মল হালৈ মহাবিদ্যালয়লৈ দিয়া দানৰ গৰিমাই তেওঁক অমৰ কৰি ৰাখিব। সাবিত্ৰী বাই, তুমি অনন্যা। তোমাৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক, এয়ে ভগবানৰ ওচৰত প্ৰাৰ্থনা।

দুয়োটা প্ৰবন্ধৰে লিখক শ্ৰী যুত জিতেন্দ্ৰ নাথ শৰ্মা।
প্ৰাক্তন সদস্য, প্ৰশাসনিক সমিতি
নিৰ্মল হালৈ মহাবিদ্যালয়

## প্ৰবন্ধৰ পঞ্চতৰা


অসমীয়া আধুনিক কবিতা
-শ্ৰীবিনীতা শৰ্মা, স্নাতক তৃতীয় বৰ্ষ
(পৃষ্ঠা/১)

বিদেশত স্বদেশৰ সংস্কৃতি
-শ্ৰীঅনুপ ডেকা, স্নাতক প্ৰথম বৰ্ষ
(পৃষ্ঠা/২)

মণিৰাম দেৱানঃ বৃটিছ অনুৰক্তৰ পৰা স্বাধীনতা সংগ্ৰামলৈ
-শ্ৰীতপন কলিতা, প্ৰবক্তা, বুৰঞ্জী বিভাগ
(পৃষ্ঠা/৪)

সমাজবাদৰ প্ৰতিষ্ঠাপক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ
-শ্ৰীমনোজ কুমাৰ শৰ্মা, স্নাতক দ্বিতীয় বৰ্ষ
(পৃষ্ঠা/৭)

অসমীয়া ভাষা শব্দৰ উদ্ভৱ
-শ্ৰীকিশোৰ কুমাৰ কলিতা, স্নাতক দ্বিতীয় বৰ্ষ
(পৃষ্ঠা/৯)


## সাম্প্ৰতিক চিন্তাৰে...


মানৱ সম্পদৰ বিকাশ সাধনত শিক্ষাৰ ভুমিকা
-শ্ৰীসাবিত্ৰী বেজবৰুৱা, জ্যেষ্ঠা প্ৰবক্তা, শিক্ষা বিভাগ
(পৃষ্ঠা/১১)


--000--

# অসমীয়া আধুনিক কবিতা


শ্ৰী বিনীতা শৰ্মা


আধুনিক কবিতা বুলি ক'লে ৰোমাণ্টিক অথবা সাম্প্ৰতিক কবিতা বুলি আমাৰ নত ভাৱ হয়। এইটো ঠিক যে সাম্প্ৰতিক যুগটোৱে ৰোমাণ্টি কৰ ধাৰা বোৱাই ানে। মহাকবি বাল্মিকীৰ মুখেৰে শ্লোক অৰ্থাৎ কবিতাৰ জন্ম হ'লেও আধুনিক বিতাৰ জয়যাত্ৰা আৰম্ভ হয় ১৮৭৫ চনত ৰমাকান্ত চৌধুৰীয়ে মাইকেল মধূসূদন ত্তৰ আৰ্হিত ৰচনা কৰা "অভিমন্যু বধ" কাব্য ৰচনাৰে। একেই আদৰ্শতে অনুপ্ৰাণিত হ ভোলানাথ দাসেও ১৮৭৮-৮০ চনৰ ভিতৰতে "সীতাহৰণ" কাব্য ৰচনা কৰে।

১৮৮৮ চনত কলিকতাম্ অসমীয়া ছাত্ৰসকলে গঠন কৰা "অসমীয়া ভাষা উন্নতি সাধিনী সভা" আৰু১৮৮৯ চনত ঁচন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত প্ৰকাশিত জোনাকী" কাকতেহে আধুনিক কবিতাৰ ঢল বোৱাই দি ৰোমাণ্টিক যুগৰ পাতনি মলে। নিভাঁজ প্ৰতিমাৰ খনিকৰ ঁচন্দ্ৰকুমাৰ আগৰৱালাদেৱে তেওঁৰ কবিতাৰ মাজেৰে মন্যাসৰ সোঁত বোৱাই আনে।

আধুনিক কবিতানো কি তাক কেন্দ্ৰ কৰি ভিন্ ভিন্ সমালোচকৰ মত ভিন্ ভিন্ হোৱা দেখা যায়। আধুনিক অথবা ৰোমান্টিক কাব্য বা কবিতাত সাধাৰণতে প্ৰকৃতিৰ সৌন্দৰ্য্য, কবি বা সাহিত্যিকৰ প্ৰেম-প্ৰণয়ৰ ভাব আদি বিশেষ ভাৱে দেখা যায়। আধুনিক কবিতা বা কাব্যৰ কাব্যিক উপাদেয়তা বেছি বাবেই এনে বিধৰ কবিতা, কাব্য পঢ়ি এটা সুকীয়া সোৱাদ পোৱা যায়। বহুতো সমালোচকৰ মতে ৰোমান্টিক কবিতা বা কাব্য হৈছে বিপ্লবান্বিত তন্ময়তাৰ নৱজাগ্ৰত চেতনা, আন কিছু সমালোচকৰ মতে আধুনিক কবিতা হৈছে সুন্দৰৰ সৈতে অদ্ভুতৰ মিলন, কোনোৱে ইয়াক সাহিত্যৰ উদাৰ প্ৰৱণতা, কোনোৱে অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু কোনোৱে সাহিত্যৰ আত্মমুক্তি বুলি আখ্যা দিছে। মুঠতে আমি কব পাৰোঁ যে প্ৰকৃতি প্ৰীতি, সাধাৰণ প্ৰাণী বা পদাৰ্থৰ প্ৰতি উদাৰ দৃষ্টি, বাস্তৱ বিমুখতা, অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু ভৱিষ্যতৰ ৰঙীন কল্পনা আদি এই সকলোবোৰ আধুনিক কবিতাৰ বিশেষ লক্ষণ।


আধুনিক কবিসকল সাধাৰণতে কল্পনা বিলাসী। "পাওনি" ৰথত উঠিয়ে তেওঁলোকে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰান্তৰে প্ৰান্তৰে বিচৰণ কৰি তেওঁলোকৰ কবিতাত স্বপ্ন দেখে, সুন্দৰ চিন আকেঁ। বিহগ, বৃক্ষ আনকি জড় পদাৰ্থৰ লগতো তেওঁলোকে কথা পাতিব পাৰে। আধুনিক কবিতাৰ ত্ৰিমুৰ্ত্তি বুলি ক'লে আমাৰ মনলৈ স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা, স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালা আৰু স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী এই তিনিজন ব্যক্তিৰ কথাই উল্লেখ কৰিব পাৰোঁ।


আধুনিক কবিসকল সাধাৰণতে কল্পনা বিলাসী। "পাওনি" ৰথত উঠিয়ে তেওঁলোকে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰান্তৰে প্ৰান্তৰে বিচৰণ কৰি তেওঁলোকৰ কবিতাত স্বপ্ন দেখে, সুন্দৰ চিন আকেঁ। বিহগ, বৃক্ষ আনকি জড় পদাৰ্থৰ লগতো তেওঁলোকে কথা পাতিব পাৰে। আধুনিক কবিতাৰ ত্ৰিমুৰ্ত্তি বুলি ক'লে আমাৰ মনলৈ স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা, স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালা আৰু স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী এই তিনিজন ব্যক্তিৰ কথাই উল্লেখ কৰিব পাৰোঁ। জোনাকী কাকতেই শিক্ষিত ডেকাদলৰ সাহিত্য প্ৰচেষ্টা বিকিৰণৰ কেন্দ্ৰ হৈ পৰিছিল। এই ডেকাদলৰ ভিতৰত এওঁলোকে আগৰণুৱা আছিল। এওঁলোকে যি কেইটা কবিতা ৰচনা কৰিছে প্ৰত্যেকৰে এটা এটা সুকীয়া নিজস্ব অনুভূতি প্ৰকাশ পাইছে।

আমি ৰোমান্টিক বা আধুনিক কবিতাৰ কিছুমান লক্ষণ পাই আহিছোঁ। সেইবোৰ তলত দাঙি ধৰা হ'ল-

(১)প্ৰতীকধৰ্মী শব্দৰ প্ৰয়োগ।
(২)অসংলগ্ন যেন লগা ভাষাৰ প্ৰয়োগ।
(৩)মানস চিত্ৰৰ বৈচিত্ৰ আৰু ছন্দৰ বন্ধন মুক্তি।
(৪)চিত্ৰ কল্পৰ প্ৰয়োগ।
(৫)ঘৰুৱা আৰু কথিত শব্দৰ প্ৰয়োগ।

এই সকলোবিলাক আধুনিক কবিতাৰ লক্ষণেই ত্ৰিমুৰ্ত্তী অৰ্থাৎ ঁলক্ষ্মীনাথবেজবৰুৱা, ঁচন্দ্ৰকুমাৰ আগৰৱালা আৰু ঁ হেমচন্দ্ৰ গোস্বামীৰ কবিতাত পৰিলক্ষিত হোৱা দেখা যায়। প্ৰাচীন কালৰ কবিতাত , হিন্দু ধৰ্মৰ নৰ নাৰীয়ে ৰাম আৰু সীতাৰ পবিত্ৰ আদৰ্শ গ্ৰহণ কৰি জীৱনৰ বাটত আগ বাঢ়িছিল। কিন্তু বৰ্ত্তমান, যুগ সলনি হোৱাত আধুনিক কবিসকলে প্ৰতীকৰ ব্যৱহাৰ, প্ৰাকৃতিক সৌন্দৰ্য্য, প্ৰিয়তমাৰ ৰূপ আৰাধনা আৰু বিশ্ব প্ৰকৃতিৰ ৰূপ দৰ্শনৰ ওপত নিজস্ব অনুভুতিৰে প্ৰেৰণা যোগাই কবিতা ৰচিবলৈ ধৰিলে। ঁলক্ষ্মীনাথ বেজবৰুৱাদেৱে তেওঁৰ "প্ৰিয়তমা" নামৰ কবিতাত উল্লেখ কৰিছে যে-

"কঁহিটি নথকা ৰূপহ গোলাপ
বোলে পৃথিৱীত নাই
একোকে নামাতি প্ৰিয়াৰ দুগাল
থাকিব ধৰিলোঁ চায়।"- এই কবিতাটি প্ৰিয়াৰ গাল দুখনক প্ৰতীক হিচাপে লৈ কবিতা ৰচনা কৰিছে। বহুতো ৰোমান্টিক কৱিয়ে যিটো বস্তুতে দৃষ্টি নিক্ষেপ কৰে সেইটোকে এটা কবিতাৰ প্ৰতীকৰূপে উপস্থাপন কৰে। ঠিক তেনেদৰে ঁ চন্দ্ৰ কুমাৰ আগৰৱালা দেৱৰ "নিয়ৰ" কৱিতাটি এনেদৰে দাঙি ধৰিছে-

"মুকুতা মণিটি পাহিত জিলিকা
স্ফটিক পানীত ধোৱা চ
নিশাৰ তৰা এটি সৰিয়েছে আছে
সৰগৰ টোপনি যোৱা।" -এই কৱিতাটিত এটোপাল সামান্য নিয়ৰক লৈও কবিতা ৰচিছে। তেওঁ কল্পনা প্ৰৱণ হৈয়েই সামান্য নিয়ৰ এটোপালকে তৰাৰ লগত ৰিজাইছে। তদুপৰি ঁ হেমচন্দ্ৰ গোস্বামীদেৱে "পুৱা" কৱিতাৰ শেষৰ

কেইশাৰীত "জোনাকী" ক উদ্দেশ্য কৰিয়েই লিখা-

"বৰষা অনন্ত কাল জ্ঞানৰ পোহৰ
জ্যোতিৰ্ম্ময়ী জোনাকী সবিতা।
বজোৱা অনন্ত কাল সঞ্জীৱনী বীণা
বীণাপাণি কোমল কবিতা।।"

-ইত্যাদি।

আমি এতিয়া কব পাৰোঁ যে আধুনিক কবিতাৰ সকলোবোৰ কবিয়ে বাস্তৱধৰ্মী। সকলো কবিয়ে পৃথিৱী ভ্ৰমণ কৰি পৃথিৱীৰ পৰা বহুতো সমল গোটাই লৈয়ে কবিতা ৰচনা কৰে। আধুনিক কবিতাৰ যিবোৰ লক্ষণ সেই আটাইবোৰ লক্ষণ সাম্প্ৰতিক যুগৰ কবি হেম বৰুৱাৰ "মমতাৰ চিঠি" নামৰ কবিতাটো ফুটি উঠিছে। ঠিক তেনেদৰে আধুনিক অসমীয়া কবিতাৰ বাটকটীয়া ভোলানাথ দাসৰ কল্পনাত বাৰিষাৰ এটা জীৱন্ত প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়-

"সেই যে দেখিছা মেঘ,আকাশে আকাশে
প্ৰিয় বিজুলীক লৈ ভ্ৰমিছে উল্লাসে
...........................................
....................................
মেঘৰ সমান দুখী নাই জগতত
জ্বলিছে শোকৰ জুই মেঘৰ বুকুত।।"

এনেদৰে বিভিন্নজন কৱিৰ কাপত সামাজিক জীৱনৰ প্ৰতিচ্ছবি সুন্দৰ ভাৱে প্ৰতিফলিত হৈছে। এই আধুনিক সাহিত্যৰ প্ৰভা যে কেৱল "জোনাকী" ৰ পৃষ্ঠপোষকসকলৰ ৰচনাতহে প্ৰতিফলিত হৈছে এনে নহয়। দৰাচলতে দ্বিতীয় মহাসমৰৰ আৰম্ভলৈকে ইয়াৰ ৰোমান্টিক প্ৰভাৱ অক্ষুন্নভাবে চলিছিল । এই ৰোমান্টিক ভাৱাপন্ন কৱিসকলেই আধুনিক কৱিতাক "স্বে-মহিম্নিৰূপত" প্ৰতিষ্ঠা কৰিছিল।

এনেদৰে ফঁহিয়াই চালে কবিতাই কেৱল আনন্দ দিয়ে নাইবা ই কেৱল বিলাসৰ সামগ্ৰীহে এই বুলি কেতিয়াও কব নোৱাৰি। কৱিতাই আনন্দ দিয়ে সচাঁ! কিন্তু এই আনন্দ প্ৰাচীন যুগৰ কবিতাত ধৰ্মভাৱৰ প্ৰাধান্যতাৰে নিনাদিত হয়।সেয়েহে শ শ বছৰ ধৰিও ধৰ্মভাৱযুক্ত কবিতাই জনগনৰ জনপ্ৰিয় হব পাৰিছিল। কিন্তু বৰ্তমানৰ ৰোমান্টিক যুগত ৰোমান্টিক কবিতাই আৰু বেছি মানুহৰ মন আকৰ্ষণ কৰিব পাৰিছে। কিয়নো এতিয়াৰ কবিতা বিলাকত প্ৰতীকৰ ব্যৱহাৰ প্ৰচুৰ পৰিমানে হৈছে। কৱিতাৰ মাধুৰ্য্যই আনৰ মনৰ মাজত এটি অভিনৱ আনন্দৰ থাপনা পাতে আৰু আনফালে ইয়াৰ বৰ্ণনাৰ মাজত সোমাই থকা জীৱনৰ নিত্য প্ৰয়োজনীয় আলোচনাই, তাৰ নিত্য সত্যবোৰ মানুহৰ জীৱন গঢ়ি তোলাত বিশেষ ভাৱে শিক্ষা দিয়ে।

( ওপৰৰ প্ৰৱন্ধটি সাহিত্য আলোচনা, অসমীয়া সাহিত্যৰ ইতিবৃত্ত আৰু কবিতা মঞ্জৰী নামৰ গ্ৰন্থৰ সহায়ত লিখা হৈছে।)

# বিদেশত স্বদেশৰ সংস্কৃতি

- শ্ৰী অনুপ ডেক

আমেৰিকা এখন দেশ! কিন্তু ইটালী,ফ্ৰান্স,ইংলেণ্ড অথবা জাপানৰ দৰে কেৱল এটা জাতি, এটা বিশেষ ভাষা-ভাষীৰ দেশ নহয়। ই হ'ল পৃথিৱীৰ বিভিন্ন দেশৰ পৰা অহা ভিন্ ভিন্ জাতি,ভিন্ ভিন্ ভাষা,বগা,ক'লা,মটীয়া ছালৰ মানুহৰদ্বাৰা গঠিত হোৱা সন্মিলিত জন-গোষ্ঠীৰ এখন বৃহতাকায় দেশ। গ্ৰীন-কাৰ্ড পোৱা ইংৰাজ,স্পেনিচ্,আইৰিচ্,আফ্ৰিকান,চীনা,ভাৰতীয় সকলোৱেই হ'ল আমেৰিকান। কিন্তু এটা কথা উল্লেখ যোগ্য যে, আমেৰিকাত ইউৰোপীয় দেশ বোৰৰ দৰে বগা ছালৰ প্ৰাধান্য কম। কেলিফ'ৰ্নিয়া আদি কিছুমান প্ৰদেশত বগা ছালৰ লোকসংখ্যা Minority হৈ পৰিছে। নিজকে আমেৰিকান বুলি দাবী কৰাৰ পিছতো এইখন দেশত বিভিন্ন জনগোষ্ঠীয়ে আমেৰিকান উৎসৱ-'থেংকচ্ গিভিংডে' 'হেলোইন ডে','মেমোৰিয়েল ডে' আদি পালন কৰাৰ লগতে নিজৰ জাতীয় উৎসৱ পালন কৰি থাকে। ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহত 'চীনা নতুন বছৰ', আইৰিছ সকলৰ 'চেইন্ট্ প্ৰেট্ৰিক্ ডে', ইহুদীসকলৰ 'হানুমা দিৱস', মুছলমানসকলৰ 'ঈদ',আদিৰ লগতে ভাৰতীয়সকলৰ 'জন্মাষ্টমী' আমেৰিকাত নিজ নিজ জনগোষ্ঠীয়ে উলহ-মালহেৰে পালন কৰে।

সেয়েহে,আমেৰিকাবাসী ভাৰতীয়সকলে আমেৰিকান পৰিৱেশত থাকিলেও স্বদেশৰ ধৰ্ম-সংস্কৃতিৰ আভাষ পায় ৷আমেৰিকাত দক্ষিণ ভাৰতীয় সকলৰ 'মীনাক্ষি মন্দিৰ' পাঞ্জাৱীসকলৰ 'গুৰুদ্বাৰ',বঙালীসকলৰ 'আৰ্য্য সমাজ' আদি অনুষ্ঠান আছে।এইবোৰ অনুষ্ঠানগৃহত নিজ নিজ ভাষিক গোষ্ঠীয়ে দেওবাৰবোৰত কোনোবা এটা কোঠাত কানাড়া, মালায়ালম,পাঞ্জাৱী,গুজৰাটী অথবা বাংলা ভাষা ভাৰতীয় কিশোৰ-কিশোৰীসকলক শিকায়। দেওবাৰৰ দিনটোত সেইবোৰ অনুষ্ঠানগৃহত ধৰ্মচৰ্চা কৰাৰ উপৰিও প্ৰাদেশিক ভাষা শিকোৱা শ্ৰেণীবোৰ চলি থাকে। তদুপৰি বিভিন্ন আমেৰিকান চহৰত ভাৰত নাট্যম্,ওডিচী নৃত্য আদি শিকোৱা হয়।

আমেৰিকাবাসী পুৰুষ মহিলা সকলে সেয়েহে দুটা পৰিৱেশৰ মাজত ডাঙৰ হৈ ভাল কথা শিকাৰ সুবিধা পাইছে। তেওঁলোক আমেৰিকান সকলৰ দৰেই চাকৰি, ব্যৱসায় সকলোতে নিষ্ঠাবান, পৰিশ্ৰমী। নিয়মানুৱৰ্তিতা, পৰিচ্ছন্নতা, শব্দ প্ৰদূষণ আদিৰ ক্ষেত্ৰত আমেৰিকানসকলৰ দৰেই সচেতন। ভাৰতীয় পিতৃ মাতৃৰ অনুশাসনৰ আভাস পাই থকা বাবে উশৃংখল জীৱন যাপন নকৰে বা নিজা সংস্কৃতিৰ বিষয়ে অজ্ঞ হৈ নাথাকে।

আমেৰিকাত ভাৰতবৰ্ষৰ আনবোৰ প্ৰদেশৰ মানুহৰ তুলনাত অসমীয়া ‌ুহৰ সংখ্যা কম। সেইকাৰনে ৰাজহুৱাকৈ অসমীয়া শিকোৱা দেওবৰীয়া নবোৰ নাই। অৱশ্যে বিহু নাইবা অসমীয়া সাহিত্য সভা বা অনুষ্ঠানবোৰত, সিঁচৰিত হৈ থকা অসমীয়া লোকসকল লগ হৈ উৎসৱ-অনুষ্ঠানবোৰ ষ্ঠাৰে পালন কৰি থাকে। নিজৰ সতি-সন্তানক অসমীয়া ভাষা শিকাবৰ বে বেছিভাগ পিতৃ মাতৃয়ে ঘৰত অসমীয়াতে কথা বতৰা পাতে।

এবাৰ মই স্কুলীয়া বান্ধৱী গৰিমাৰ তালৈ গৈছিলোঁ। তাই এতিয়া মেৰিকান। আমেৰিকাত তাইৰ বিয়া হৈছে। এদিনাখন দুয়ো তাইৰ চাৰিচকীয়া ড়ীখনত ফুৰিবলৈ গৈছিলোঁ। গাড়ী গৰিমাই নিজে চলাইছিল। বাটত মই ইক ইংৰাজীতে সুধিলোঁ-'Where is the cinema hall?'

গৰিমাই বিশুদ্ধ অসমীয়াতে মোক উত্তৰ দিলে "অলপ আগত"। গে লগে মই বিস্ময়ত থৰ হৈ গৈছিলোঁ। উন্নৈশ-বিশ বছৰীয়া গৰিমাৰ নালী ৰং কৰা পিঠিলৈকে পৰা চুলিকোছা, পিন্ধনত জহকালিৰ উপযোগী প', বেল্ট্ মৰা জিন্চৰ পেন্ট, ষ্টিয়াৰিং হুইলত জিলিকি আছে যত্ন পালিত ং কৰা নখ, মুখত মেক্আপ্, নতুন মডেলৰ ছানগ্লাছেৰে গৰিমাজনী দেখাত ম্পূৰ্ণ আমেৰিকান। কিন্তু,মই অসমীয়া বাবে 'চাহ খাবা নেকি'ৰ পৰা আৰম্ভ ৰি সকলো কথা বতৰা অসমীয়াতে পাতে।

সেইদৰে এবাৰ এখন প্ৰসাধন সামগ্ৰীৰ দোকানত এটা চেন্ট্ বাছি লওঁতে ৰিমাৰ মন্তব্য সোধাত তাই ক'লে-" আগতে তুমি গোন্ধটো শুঙি চোৱাচোন! হৈ এইবোৰ 'গোন্ধ' শব্দটোৰ ক্ৰিয়াবাচক ইংৰাজী শব্দ 'স্মেল্' থকা স্বত্বেও ই ইংৰাজী শব্দক নেওচা দি অসমীয়া শব্দ ব্যৱহাৰ কৰিবলৈ ভাল পাইছে। আমেৰিকাত ইংৰাজী, স্পেনিচ ভাষাৰ মাজত থাকিও গৰিমাই কেনেকৈ অসমীয়াতে কথা পাতে! পুৱাৰ পৰা আবেলিলৈকে প্ৰথম অৱস্থাত পাঁচ বছৰীয়া লৰা-ছোৱালীহঁতে ইংৰাজী মাধ্যমত পঢ়া শুনা, কথা বতৰা পতাৰ পিছত ঘৰলৈ উভটি আহোতে পিতৃ মাতৃয়ে অসমীয়াতে কথা বতৰা পতাৰ সময়ত লৰা ছোৱালীবোৰৰ বাবে অসমীয়া শিকাটো ওপৰঞ্চি বোজা হৈ পৰে। পিছে আমেৰিকাবাসী অসমীয়া পিতৃ মাতৃয়ে সেইবুলিয়েই হাৰ নামানে। সিহঁতৰ ল'ৰা ছোৱালীয়ে যিমানেই ইংৰাজীতে প্ৰশ্ন নকৰক,অভিযোগ নতোলক,বেছিভাগ পিতৃ মাতৃয়ে অসমীয়াতে উত্তৰবোৰ দি যায় ৷ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ পৰা অহা গুজৰাটী, বঙালী পিতৃ মাতৃসকলেও নিজৰ সন্তানৰ সৈতে নিজা প্ৰাদেশিক ভাষাতহে কথা বতৰা পাতে।

বৰ্তমান, গৰিমাই আমেৰিকাবাসী অসমীয়া মহিলাৰ লগালগি হলেই অসমীয়া ভাষাতহে কথা বতৰা পাতে। একেদৰে গৰিমাই এতিয়াও আমেৰিকাত ভাৰত-নাট্যম্ আৰু সত্ৰীয়া দুয়োবিধ নৃত্যই নাচে। বহুতো আমেৰিকাবাসী অসমীয়া ল'ৰা ছোৱালীয়ে বৰগীতকে ধৰি অসমীয়া গীত গায়,বিহু নাচে ইত্যাদি। অসমীয়া অনুষ্ঠানবোৰত অসমীয়া ছোৱালীসকলে পাট-মুগাৰ মেখেলা চাদৰ পিন্ধে। এতিয়া অসমত এচাম ল'ৰা ছোৱালীয়ে পাশ্চাত্যক অন্ধ অনুকৰণ কৰিবলৈ গৈ ভুল হ'লেও নিজৰ মাজত যেতিয়া ইংৰাজীতে কথা পাতে, সেই সময়তে সুদূৰ আধুনিক পাশ্চাত্যত আন এচাম অসমীয়া ল'ৰা ছোৱালীয়ে সুযোগ পালেই অসমীয়াত কথা বতৰা পাতি ভাল পায়। তেওঁলোকৰ অসমীয়া পিতৃ মাতৃৰ স্বদেশৰ প্ৰতি থকা আন্তৰিক প্ৰেমেই অনবৰতে তেওঁলোকক সোঁৱৰাই থাকে যে, সাত সাগৰ,তেৰ নদীৰ সিপাৰত তেওঁলোকৰো এখন নিজা দেশ আছে ,আৰু আছে আপোন ভাষা আৰু কৃষ্টি সংস্কৃতি।।

বহুতো আমেৰিকাবাসী অসমীয়া ল'ৰা ছোৱালীয়ে বৰগীতকে ধৰি অসমীয়া গীত গায়,বিহু নাচে ইত্যাদি। অসমীয়া অনুষ্ঠানবোৰত অসমীয়া ছোৱালীসকলে পাট-মুগাৰ মেখেলা চাদৰ পিন্ধে। এতিয়া অসমত এচাম ল'ৰা ছোৱালীয়ে পাশ্চাত্যক অন্ধ অনুকৰণ কৰিবলৈ গৈ ভুল হ'লেও নিজৰ মাজত যেতিয়া ইংৰাজীতে কথা পাতে, সেই সময়তে সুদূৰ আধুনিক পাশ্চাত্যত আন এচাম অসমীয়া ল'ৰা ছোৱালীয়ে সুযোগ পালেই অসমীয়াত কথা বতৰা পাতি ভাল পায়। তেওঁলোকৰ অসমীয়া পিতৃ মাতৃৰ স্বদেশৰ প্ৰতি থকা আন্তৰিক প্ৰেমেই অনবৰতে তেওঁলোকক সোঁৱৰাই থাকে যে, সাত সাগৰ,তেৰ নদীৰ সিপাৰত তেওঁলোকৰো এখন নিজা দেশ আছে ,আৰু আছে আপোন ভাষা আৰু কৃষ্টি সংস্কৃতি।।

# মণিৰাম দেৱান : বৃটিছ অনুৰক্তৰ পৰা স্বাধীনতা সংগ্ৰামলৈ

তপন কলিতা

মণিৰাম দেৱান অসমৰ বৃটিছ বিৰোধী স্বাধীনতা সংগ্ৰামৰ আকাশৰ এটি ভোটাতৰা। উত্তৰ ভাৰতত উদ্‌গীৰণ হোৱা চিপাহী বিদ্ৰোহৰ জুইৰ ফিৰিঙতি অসমত সিঁচি মণিৰাম দেৱানে ১৮৫৭ চনত মাতৃভূমিক বিদেশী গোলামীৰ পৰা মুক্ত কৰিব বিচাৰিছিল। কিন্তু আচৰিত যেন লাগিলেও এইটো নিৰ্মম বাস্তৱ যে এইজন মণিৰামেই তেওঁৰ জীৱনৰ প্ৰথমছোৱা সময়ত অসমত বৃটিছ শাসন নিকপ্‌কপীয়া আৰু বিস্তাৰিত কৰাত অপ্ৰাণ চেষ্টা কৰিছিল।

১৭২৮ শকৰ ১৩ বহাগত (১৮০৬ চনৰ ২৭ এপ্ৰিলত) শিৱসাগৰৰ বুৰঞ্জী প্ৰসিদ্ধ চাৰিঙত মণিৰাম দেৱানৰ জন্ম হৈছিল। তেওঁৰ সম্পূৰ্ণ নামটো আছিল 'মণিৰাম দত্ত বৰভাণ্ডাৰ বৰুৱা দেৱান'। মণিৰামৰ দেউতাক ৰামদত্তই আহোম স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ ৰাজদৰবাৰত দোলাকাষৰীয়া বৰুৱা বিষয়া পদত অধিস্থিত আছিল। মাতৃ আছিল মাজুলীৰ জীয়ৰী বিখ্যাত লহকৰ 'ভূঞা' পৰিয়ালৰ কন্যা কৌশল্যা। অৱশ্যে মণিৰামৰ জন্ম এনেকুৱা সময়ত হৈছিল, যি সময়ত আহোম ৰজাৰ পূৰ্বৰ যশস্যা, শক্তি টুটি আহিছিল আৰু দেশত সংঘটিত হোৱা মোৱামৰীয়া বিদ্ৰোহে ৰাজ্যৰ অৰ্থনীতি উছন কৰি পেলাইছিল।

এনেকুৱা এক দুৰ্যোগৰ সময়তে পুনৰ ব্ৰহ্মদেশৰ মান সৈন্যই অসম দেশ আক্ৰমণ কৰি এফালৰ পৰা সকলোকে মাৰি-কাটি খাস্তাং কৰিছিল। মণিৰামৰ দেউতাক ৰামদত্ত দোলাকাষৰীয়া বৰুৱাই তেনে এক দুৰ্যোগৰ সময়তে সপৰিয়ালে বৃটিছ শাসনাধীন বঙ্গদেশলৈ পলাই গৈছিল। শিক্ষাৰ মূল্য বুজা দেউতাক ৰামদত্তই এনেদৰে ভগনীয়া, পলৰীয়া হৈ থকা অৱস্থাতে মণিৰাম আৰু তেওঁৰ ভায়েকহঁতক শিক্ষিত কৰি তুলিবৰ বাবে এজন বঙালী শিক্ষকক ঘৰুৱাভাৱে নিযুক্তি দিছিল। এওঁ মণিৰামহতক সংস্কৃত, বঙলা আৰু ফাৰ্চী ভাষাৰ পাঠদান কৰিছিল। এইদৰেই মণিৰামে আনুষ্ঠানিক শিক্ষা লাভ নকৰিলেও বিভিন্ন বিষয়ত জ্ঞান অৰ্জন কৰি ব্যুৎপত্তি লাভ কৰিছিল।

ইপিনে উজনি-নামনি অসমত মান সেনাই নিজৰ কৰ্তৃত্ব প্ৰতিস্থা কৰি বিজয় ভাৱত মদগৰ্বী হৈ উঠি অসমৰ সীমাও অতিক্ৰম কৰি বৰ্ত্তমান অসমৰ অন্তৰ্ভূক্ত, তেতিয়াৰ কোম্পানীৰ ৰাজ্যৰ পৰিসীমাৰ ভিতৰৰ গোৱালপাৰা আৰু কাছাৰ জিলাত উপদ্ৰৱ কৰিব ধৰে। ভাৰতস্থ ইংৰাজ চৰকাৰে ইয়াৰ প্ৰতিবাদ কৰিছিল যদিওঁ মান সকলে আওকাণ কৰাত তেওঁলোকক এই অঞ্চলৰ পৰা খেদিবলৈ উদ্যোগ লয়। আধুনিক সমৰকলাত সিদ্ধহস্ত শক্তিশালী ইংৰাজ বাহিনীৰ লগত মান সেনা তিষ্ঠিব নোৱাৰি ১৮২৪ চনৰ ২৬ ফেব্ৰুৱাৰীৰ পৰা এক সন্ধিৰ যোগেদি অসমৰ পৰা আতৰি যায় আৰু তেতিয়া ভাৰতস্থ ইংৰাজ চৰকা অসমকো বৃটিছ- ভাৰতৰ এক অংগ- ৰাজ্যত পৰিণত কৰি ইয়া সাম্ৰাজ্যবাদী শাসনৰ সূচনা কৰে। এইদৰেই মান খেদাৰ অচিলা অসমখন বৃটিছে দখল কৰে আৰু অসমৰ স্বাধীনতাৰ ৰবি অস্তগামি হয়।

অসমত বৃটিছ শাসনৰ বিভিন্ন কাম-কাজ চলাই নিবৰ বা সেইসময়ত প্ৰশাসনৰ নিম্ন পৰ্য্যায়ত কিছু লেখা-পঢ়া জনা মানুহ আৱশ্যক হৈ পৰে। অসমীয়া লোকৰ মাজত আনুষ্ঠানিক শিক্ষা পো লোক প্ৰায় নথকাৰ দৰে হোৱা বাবে বৃটিছ চৰকাৰে অসমলৈ বঙ্গদেশ পৰা বহুতো লোকক কৰ্মচাৰী ৰূপে আমদানি কৰে। আনহাতে পলৰী অৱস্থাত কোম্পানী ৰাজ্য গোৱালপাৰাত থকা সময়তে শিক্ষিত ডে মণিৰাম দেৱানৰ কেবাজনো উচ্চ-পৰ্য্যায়ৰ বৃটিছ বিষয়াৰ লগত সম্ভ্ৰা গঢ়ি উঠিছিল আৰু মান খেদোৱা অভিযানৰ সাৰথি হৈ যুৱক মণিৰা বৃটিছ বিষয়া সকলৰ লগত অসমৰ নগাওঁ অঞ্চললৈকে আগবা আহিছিল।

বৃটিছ-ভাৰতৰ নতুনকৈ অধিকৃত এই অঞ্চলটোত নিজৰ শাস সুদৃঢ় কৰাৰ বাবে বুধিয়ক ইংৰাজ সকলে থলুৱা যুৱক মণিৰামৰ অভিজ্ঞ আৰু দক্ষতা, নিজৰ স্বাৰ্থত অতি চতুৰভাৱে প্ৰয়োগ কৰিছিল। বৃটি যেতিয়া খাচী ৰাজ্যৰ মাজেৰে ৰাণীৰ পৰা কাছাৰলৈকে এটি ৰাস্তা নিৰ্মা কৰি আছিল তেতিয়া খাচী ৰজা তিৰৎ সিঙে বৃটিছৰ উদ্দেশ্য সম্পৰ্কে সন্দিহান হৈ পথ নিৰ্মাণত বাধা দিয়াৰ বাবে কৰ্মৰত কেবাজনো বনুৱা কৰ্মচাৰী আৰু দুজন ইংৰাজ নাগৰিকক হত্যা কৰিছিল। তেতিয়া অসম বৃটিছ শাসনৰ অকুণ্ঠ সমৰ্থক মণিৰাম দত্তবৰুৱাই 'আসাম মিলিছিয়া নামৰ ৫নং কোম্পানীৰ ফৌজৰ কেপ্টেইনৰ দায়িত্ব পালন কৰি খাছীয় পাহাৰত খাছী বিদ্ৰোহ দমন কৰিছিল। সেইদৰে ভূঁটীয়া আৰু গাৰো সকলক দমন কৰাত মণিৰামে বৃটিছক সহায় কৰিছিল।

এইদৰে মণিৰাম বৃটিছৰ প্ৰিয়পাত্ৰ আৰু সোঁহাত স্বৰূপ উঠিছিল। বৃটিছ চৰকাৰে প্ৰথমতে মণিৰামক উজনি অসমৰ টহচিলদা হিচাপে নিযুক্তি দিয়ে। ১৮৩৩ চনত বৃটিছ শাসনকৰ্তাই উজনি অসমত পুৰন্দৰ সিংহক কৰতলীয়া ৰজা পতাত পুৰন্দৰ সিংহৰ ৰাজসভাতে মণিৰামে ঘাই মন্ত্ৰীৰ পদ লাভ কৰিলে। অকল সেয়েই নহয়, বৃটিছ কোম্পানীৰ অধীনৰ অসম দেশৰ সকলো শাসন সম্পৰ্কীয় কাম-কাজত মণিৰামেই সৰ্বেসৰ্বা হৈ পৰে। জনসাধাৰণৰ মাজত তেওঁ 'কলিতা ৰজা' বুলি খ্যাতি লাভ কৰিছিল।

কিন্তু বৃটিছ ভক্তিৰ নিদৰ্শন দেখুৱাব গৈ ৰাজকোষ টনকিয়াল কৰিবৰ বাবে যুদ্ধ-বিদ্ৰোহত শ্মশান ভূমিত পৰিণত হোৱা অসমীয়া প্ৰজাৰ ওপৰত বিভিন্ন ধৰণৰ কৰ আৰোপ কৰিছিল আৰু প্ৰচলিত কৰৰ হাৰ বৃদ্ধি কৰিছিল। এই কৰ-কাটলবোৰ অতি নিষ্ঠুৰ ভাবে আদায় কৰি ৰাজকোষ টনকিয়াল কৰি ইংৰাজ চৰকাৰ কৃপাধন্য হৈছিল যদিও অসমীয়া মানুহে তেওঁক ক্ৰমাৎ চকু পাৰি দেখিব নোৱাৰা হয়। বহুতে তেওঁক পচা কাঠত গজাঁলি মেলিছে বুলি ঠাট্টা-বিদ্ৰূপো কৰিব লৈছিল। সেই সময়তে ৰচিত বনগীতবোৰত মণিৰামৰ প্ৰতি ঘৃণাসূচক ভাৱ প্ৰকাশ পাইছিল।

ইতিমধ্যে অসমত নৱগঠিত বৃটিছ ৰাজ্য ভালেখিনি সুদৃঢ় ভেটিত প্ৰতিষ্ঠিত হৈছিল আৰু মণিৰামৰ প্ৰতি সুহৃদয়তা থকা বৃটিছ বিষয়া যেনে নৌবিল চাহাব, ডেভিদ স্কট আদিৰ মৃত্যু হোৱাত পিচৰ বৃটিছ বিষয়া সকলৰ লগত বিভিন্ন বিষয়ত মণিৰামৰ মতবিৰোধ হব ধৰে। অৱশ্যে এইটো সত্য যে, মণিৰাম এজন নিষ্ঠাবান বৃটিছ সমৰ্থক আছিল যদিওঁ সকলো বিষয়তে ইউৰোপীয় বিষয়া সকলৰ লগত দক্ষতাৰে বিভিন্ন বাক্ যুদ্ধত লিপ্ত হৈছিল।

ইপিনে, ১৮৩৬ চনত ইংৰাজ চৰকাৰে উজনি অসমক পানপটীয়াকৈ কোম্পানীৰ শাসনৰ অন্তভূৰ্ক্ত কৰে। ফলত পুৰন্দৰ সিংহ ৰজা ভগাৰ লগ লগেই মণিৰামৰো পূৰ্বৰ সকলো বিষয় বাব লোপ পালে। মাত্ৰ মৌজা তিনিখনহে তেওঁৰ নামত থাকিল যদিওঁ মাহেকত পঞ্চাশ টকাকৈহে তেওঁ তাৰ বাবদ পালে। সেই টকাৰে নিজৰ মান সন্মান ৰক্ষা কৰাত অসম্ভৱ হোৱাত সেই সময়ৰ শাসক মিঃ ব্ৰডী চাহাবৰ সৈতে দেৱানৰ তৰ্কাতৰ্কি হয়। শেষত মণিৰামে নিজেই মৌজাদাৰৰ বিষয় -বাবো ত্যাগ কৰিলে। অৱশ্যে মণিৰাম দেৱানৰ বুদ্ধি, কৌশল আৰু কৰ্মপটুতাৰ কাৰণে ইংৰাজ চাহাবসকলে ১৮৩৯ চনত নৱগঠিত 'আছাম টি কোম্পানী''ৰ দেৱান পদত নিযুক্তি দিছিল। কিন্তু ১৮৪৫ চনত চাহ মালিক 'ইংৰাজ বণিক' সকলৰ লগত মনোমালিন্য ঘটাত ইয়াৰ পৰাও পদত্যাগ কৰে।

এইদৰে মণিৰাম দেৱান তেওঁৰ স্বাৰ্থ সুৰক্ষিত হৈ থকা সময়লৈকে অৰ্থাৎ ১৮২৫ চনৰ পৰা ১৮৪৫ চনলৈকে মুঠ ২০ বছৰ কাল বৃটিছ সকলৰ প্ৰধান সমৰ্থক হৈ আছিল। কিন্তু যেতিয়া নিজ দেশতে এটা এটাকৈ সকলো সম্পদ আৰু বিষয়া-বাব হেৰুৱাব ধৰে তেতিয়াই লাহে লাহে তেওঁৰ মন বৃটিছ বিৰোধী হব ধৰে। এসময়ৰ আঢ্যৱন্ত মণিৰাম দেৱানৰ আৰ্থিক দুৰৱস্থা এনে শোচনীয় হৈ পৰিছিল যে তেওঁৰ ১৮৫ জনীয়া বৃহৎ পৰিয়ালটোৰ ভৰণ-পোষণ দিয়াটোৱে এক প্ৰকাৰ প্ৰত্যাহ্বান হৈ উঠিছিল।

ইয়াৰ পিচত, আৰ্থিক দিশত স্বাৱলম্বী হৈ স্বাধীন ব্যৱসায় কৰাৰ উদ্দেশ্যে মণিৰামে যোৰহাটৰ চেনিমৰাত আৰু শিৱসাগৰৰ চিংলৌত নিজাকৈ দুখন চাহ বাগিচা খোলে। সেই অনুসাৰে মণিৰাম দেৱান আছিল সৰ্বপ্ৰথম অসমীয়া চাহ খেতিয়ক। কিন্তু মণিৰাম থলুৱা চাহ খেতিয়ক হোৱা বাবে বৃটিছ চৰকাৰে ইংৰাজ আৰু ইউৰোপীয় চাহ মালিক সকলে পোৱা বিভিন্ন সা-সুবিধা দিবলৈ অমান্তি হয় আৰু এই দিশৰ বিভিন্ন ক্ষেত্ৰত বিধি-পথালি দিব ধৰে।

ইয়াতে অতি ক্ষুব্ধ হৈ মণিৰাম দেৱান সম্পূৰ্ণ বৃটিছ বিৰোধী হৈ উঠে। তেওঁৰ মনত পৰিস্কাৰ হৈ উঠিল, বৃটিছ চৰকাৰে তেওঁলোকৰ সাম্ৰাজ্যবাদী স্বাৰ্থ ক্ষুন্ন হব পাৰে বুলি কোনো স্থানীয় ব্যক্তিক স্বাধীনভাৱে ব্যৱসায়-বানিজ্য কৰা বা উচ্চ চৰকাৰী পদ দিয়া, কোনো কামে নকৰে। তেওঁৰ দৃঢ় বিশ্বাস হ'ল, দেশৰ পৰা সাম্ৰাজ্যবাদী শক্তিক খেদিব পাৰিলেহে নিজৰ আৰু দেশবাসীৰ মঙ্গল আৰু উন্নতি হব।

সেই সময়তে বঙ্গৰ উপ-ৰাজ্যপাল ছাৰ জন কেম্বেল চাহাবে অসম ভ্ৰমণ কৰিব ইচ্ছা কৰি অসমৰ স্থানীয় শাসন সম্পৰ্কে ভালদৰে জানিবৰ বাবে সদৰ দেৱানী আদালতৰ বিচাৰক মিঃ এ. জে. মফাট মিলক প্ৰথম অসমলৈ পঠায়। ১৮৫৩ চনত তেওঁ আহি শিৱসাগৰ পোৱাত বহুতো আহোম সম্ভ্ৰান্ত লোকৰ দৰে মণিৰাম দেৱানেও তেওঁ পূৰ্বৰ্তে বৃটিছৰ হকে কৰা কামৰ কথা উল্লেখ কৰি বৃটিছৰ অনুগ্ৰহ বিচাৰে আৰু লগতে আন এখন আবেদনত অসমত পুনৰ কৰতলীয়া ৰূপত আহোম শাসন প্ৰতিষ্ঠা কৰিবলৈ অনুৰোধ জনায়।

কিন্তু মিল চাহাবে তেওঁৰ প্ৰতিবেদনত মণিৰামক এজন বিশ্বাসৰ অযোগ্য আৰু ষড়যন্ত্ৰকাৰী লোক বুলি উল্লেখ কৰে। লগতে তেওঁৰ ৰাজ্যৰ পুৰণি শাসন পদ্ধতিবোৰৰ ধ্বংস সাধন আৰু আহোম সম্ভ্ৰান্ত শ্ৰেণীৰ দুখ কষ্টবোৰ বৃটিছৰ আগত অতিৰঞ্জিত কৰি প্ৰকাশ কৰা বুলি অভিযোগ তোলে।

এই প্ৰতিবেদন পঢ়ি উঠি মণিৰাম দেৱানৰ মন অসমৰ বৃটিছ প্ৰশাসক সকলৰ প্ৰতি সম্পূৰ্ণ তিক্ততাৰে ভৰি উঠে আৰু এওঁলোকৰ ওচৰত নিবেদন কৰাতকৈ নিজে সকলো কথা বঙ্গৰ উপ-ৰাজ্যপালক বুজাবৰ বাবে কলিকতালৈ যায়।

মণিৰাম কলিকতাত থকা সময়তে সমগ্ৰ উত্তৰ ভাৰতত চিপাহী বিদ্ৰোহৰ তাণ্ডৱ আৰম্ভ হয়। মণিৰামে ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি আবেদন- নিবেদনৰ জৰিয়তে বৃটিছৰ অনুগ্ৰহ বিচাৰি থকাতকৈ অসমৰ চিপাহীবোৰক তেওঁলোকৰ ফলীয়া কৰি বৃটিছ সকলক অসমৰ পৰা খেদিবলৈ উঠি-পৰি লাগিল। মণিৰাম দেৱানে দেখিছিল অসমৰ প্ৰশাসনত থকা বৃটিছ বিষয়াৰ সংখ্যা নগণ্য আৰু সেনাবাহিনীৰ সৰহ সংখ্যক জোৱান বিদ্ৰোহে তাণ্ডৱ কৰা উত্তৰ ভাৰতৰ। কেবাজনো বঙালী বুদ্ধিজীৱীয়েও তেওঁক অনুপ্ৰেৰণা যোগালে। সেয়েহে তেওঁ কলিকতাৰ

পৰাই চিঠিৰে বিভিন্ন উপদেশ, পৰামৰ্শ অসমত থকা তেওঁৰ অনুগামী আৰু বৃটিছ বিৰোধী সকলক দি বিদ্ৰোহৰ পটভূমি ৰচনা কৰিব ধৰিলে। পৰিকল্পনামতে মণিৰামে অস্ত্ৰ আৰু গোলাবাৰুদ লৈ আহি পালে অক্টোবৰ, ১৮৫৭ চনৰ প্ৰথম ভাগতে বৃটিছৰ ওপৰত আক্ৰমণ চলাব।

কিন্তু মণিৰামে আহি বিদ্ৰোহৰ নেতৃত্ব লোৱাৰ পূৰ্বে তেওঁ লিখা কিছুমান চিঠি বৃটিছৰ হাতত পৰে। লগে লগে সমগ্ৰ ষড়যন্ত্ৰৰ কথা প্ৰকাশ হৈ গ'ল। অসমীয়া মুক্তি-সংগ্ৰাম ৰোধ কৰিবৰ বাবে বৃটিছ চৰকাৰে তৎমুহূৰ্ত্ততে মণিৰাম দেৱানক কলিকতাত আৰু তেওঁৰ সকলো সহযোগীকে অসমত গ্ৰেপ্তাৰ কৰে। বিদ্ৰোহী ভাৱাপন্ন চিপাহী সকলকো নিৰস্ত্ৰ কৰি শাস্তিমূলক ব্যৱস্থা লয়।

বৃটিছ চৰকাৰে এই ষড়যন্ত্ৰটোৰ বিচাৰ কৰিবৰ বাবে শিৱসাগৰ জিলাৰ অধিপতি কেপ্তেইন হলৰয়দ চাহাবক দায়িত্ব দিয়ে। বিচাৰত ৰাজদ্ৰোহৰ অপৰাধত লিপ্ত মণিৰাম দেৱান আৰু তেওঁৰ প্ৰধান সহযোগী পিয়লী বৰুৱাক মুখ্য দোষী সাব্যস্ত কৰি ফাঁচিৰ হুকুম দিয়ে। সেইমতে ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত এই দুজন ব্যক্তিক যোৰহাটত ৰাজহুৱা ভাৱে ফাঁচী দিয়ে।

এইদৰেই ৰাজনীতিক, সংগঠক, দক্ষ প্ৰশাসক মণিৰাম দেৱান, যিয়ে জীৱনৰ প্ৰথমছোৱাত অসমত বৃটিছ ৰাজত্বৰ উগ্ৰ সমৰ্থক আছিল, অসম বৃটিছ শাসনৰ বাধাবোৰ আতৰোৱাত যৌৱনৰ সকলো শক্তি ব্যয় কৰিছিল, সেই মণিৰামৰে এদিন সাম্ৰাজ্যবাদী শক্তিৰ চকুত ... মূল্য নোহোৱা হৈ পৰিছিল। তেওঁ হৈ পৰিছিল বৃটিছ চৰকাৰৰ ... কূটা, দাঁতৰ শাল। নিজৰ সকলো সুবিধা- প্ৰতিপত্তি হেৰুৱাৰ ... মণিৰাম দেৱানৰ আগত বৃটিছ সাম্ৰাজ্যবাদৰ প্ৰকৃত স্বৰূপটো ... পৰিছিল। সেয়েহে জীৱনৰ শেষ ১০ বছৰ কাল মাতৃভূমিক বিদে... শক্তিৰ কৱলৰ পৰা মুক্ত কৰাৰ প্ৰচেষ্টাত ব্ৰতী হৈছিল। বৃটিছ চৰকাৰে তেওঁক আতৰোৱাৰ বাবে বিচাৰৰ নামত ভেকোভাওঁনা পাতি মৃত্যু... দি অসমত বৃটিছ শাসন কন্টকমুক্ত কৰি তুলিব বিচাৰিছিল।

মণিৰাম দেৱান বৃটিছ সমৰ্থক হৈ বিষয়া থকা অৱস্থাত বিদি... কাৰণত সাধাৰণ প্ৰজাক অত্যাচাৰ কৰিছিল বাবে মৃত্যুৰ আগমুহূৰ্ত... প্ৰজাক পূৰ্বৰ অজ্ঞতাসূচক দোষৰ বাবে ক্ষমা মাগিছিল। সেই সময়... মণিৰামৰ কাম-কাজক প্ৰজাবৰ্গই ঘৃণাৰে চকুৰে চাইছিল যদিও পৰৱ... সময়ছোৱাত তেওঁ দেশবাসীৰ মুক্তি আৰু মঙ্গল কৰা কামত আৰু... হৈছিল আৰু জনগনৰ নেতা হিচাপে স্বীকৃতি দিছিল। সেই সময়ত বনগীত বোৰতো তাৰ প্ৰমাণ পোৱা যায়-

ৰজা পাতিবলৈ ওলালি মণিৰাম
জতঁৰাই মাৰিলি হাঁচি।
ল'ৰা আৰু তিৰোতাক এথানীত পেলালি
ল'লি যোৰহাটত ফাঁচি।

( বিঃ দ্ৰঃ - উক্ত প্ৰবন্ধটো ৰচনা কৰাত কেইবাখনো পুথিৰ সহায় লো... হৈছে।)

## অমৃতবানী

ঃ হতাশাক প্ৰশ্ৰয় নিদিবা। এবাৰ প্ৰশ্ৰয় দিলে ই তোমাৰ অভ্যাসৰ অংশ হৈ পৰিব।
- ছিডলি স্মিথ।

ঃ মানুহে তোমাক নাজানে বুলি আক্ষেপ নকৰিবা। এনেভাৱে কাম কৰি যোৱা যাতে তুমি মানুহৰ জানিবৰ যোগ্য হোৱা।
- কনফুচিয়াছ।

ঃ তুমি তোমাৰ লক্ষ্যত উপনীত হ'বলৈ হৃদয়ক সাহসী কৰি তোলা, তেতিয়া দেখিবা যে তুমি কেতিয়াও অকৃতকাৰ্য্য নোহোৱা।
- শ্বেক্সপীয়েৰ।

সংগ্ৰাহিকা-
শ্ৰী অৰ্চনা শৰ্মা
উঃ মাঃ দ্বিতীয় বৰ্ষ।



# সমাজবাদৰ প্ৰতিষ্ঠাপক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

-শ্ৰীমনোজ কুমাৰ শৰ্মা

'জয় গুৰু শংকৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।
তাহেৰি চৰণকু ৰেণু শত কোটি
বাৰেক কৰোহ প্ৰণাম।।'

ভগৱান শ্ৰীকৃষ্ণই গীতাত কৈছে-

"যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত
অভুত্থানম্ অধৰ্মস্য তদাত্মানং সৃজাম্যহম্
পৰিত্ৰানায় সাধুনাম্ বিনাশায় স দুষ্কৃতাম্
ধৰ্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।"

"যেতিয়াই ধৰাত ধৰ্মৰ গ্লানি হয়, অধৰ্মৰ প্ৰাদুৰ্ভাৱ ঘটে, তেতিয়া সাধু সকলৰ পৰিত্ৰাণ আৰু দুস্কৃতিকাৰী সকলক বিনাশ সাধন কৰি ধৰ্ম সংস্থাপন কৰিবলৈ মই যুগে যুগে অৱতাৰ গ্ৰহণ কৰোঁ"। এই বাণী যিদৰে ধৰ্ম জগতৰ চিৰন্তন সত্য বুলি মানি লোৱা হৈছে, সেইদৰে ইতিহাসৰো সত্য। ইতিহাসৰো পুনৰাভিনয় হয়। চতুৰ্দ্দশ আৰু পঞ্চদশ শতাব্দীৰ মাজ ভাগত অসমত ধৰ্মৰ বিপৰ্য্যয় ঘটিছিল। অধৰ্মৰ কলিয়া ডাৱৰে মানুহ বিলাকক অন্ধ কৰি তুলিছিল। ইতিহাসৰ এইছোৱা কলংকিত সময়তে পঞ্চদশ শতাব্দীৰ মাজ ভাগত শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ হয়।

সমাজ বোলোতে সাম্য, সম্য, সমত, সংস্কৃতি, সভ্যতা, সংহতি, সমন্বয়, প্ৰগতি সকলো ভাৱ তাত সোমাই আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পূৰ্বে এই দেশত এনে ঘাই গুণবোৰ বিৰাজমান এখন প্ৰগতিশীল আৰু শান্তিপূৰ্ণ সমাজ থকাৰ প্ৰমান আমি নাপাওঁ। গণতন্ত্ৰবাদৰ ৰিং আজি অকল ভাৰততে নহয় সমগ্ৰ বিশ্বতে এমুৰৰ পৰা সিমুৰলৈ এটি নতুন বাতৰি ৰূপে প্ৰকাশ হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ব্যাপকভাৱে এই গণতন্ত্ৰবাদৰ গুটি সিঁচি গ'ল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সৰ্ব সাধাৰণৰ দুষ্প্ৰাপ্য আৰু দুৰ্বোধ্য বিশাল সংস্কৃত সাহিত্য মথি নিজ মাতৃভাষাত ধৰ্মৰ অমৃত বিলাই দি প্ৰথম সমাজবাদ বা গণতন্ত্ৰবাদৰ প্ৰতিস্থা কৰে। আধ্যাত্মিক আমোলাতন্ত্ৰবাদৰ বিৰুদ্ধে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এক যুগমীয়া বিদ্ৰোহ গঢ়ি তোলে। মধ্য যুগত জগত ঢকা ঘোৰ অন্ধকাৰ আৰু উলংগ স্বাৰ্থপৰতাৰ তাণ্ডৱ নৃত্যৰ মাজত যত আভিজাত্য শ্ৰেণীৰ বাহিৰে আনে ঈশ্বৰৰ নাম সূচক কোনো বিশেষ শব্দ উচ্চাৰণ কৰিলে জিভা কাটি পেলাই দিবলৈ অধিকাৰৰ দাবী কৰা হৈছে।তদুপৰি সিবোৰৰ মধ্যস্থললৈ জল শিলে নুপুজিলে মৰি বা জীয়েই ইবোৰৰ কল্যাণ নাই। এনে আওকটাৰ শিলো এওঁলোকৰ পেটত সুমাই দিয়া হৈছে। সৰ্বগুণাকৰ যুগনায়ক শংকৰদেৱে এনে সাম্ৰাজ্যবাদ ধ্বংস কৰি তাৰ ঠাইত পবিত্ৰ আধ্যাত্মিক গণতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰে আৰু এই পবিত্ৰ আধ্যাত্মিক গণতন্ত্ৰবাদৰ শুভ্ৰ পতাকা হ'ল নিৰ্মল নাম ধৰ্ম।

জাতীয় উৎসৱ ৰং ধেমালি আৰু নীতি সদাচাৰ আদিয়ে এটা জাতিৰ জাতীয় বিশেষত্বৰ প্ৰাণস্বৰূপ। আৰু এই সম্পৰ্কত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সমাজলৈ দিয়া দান অতি মহৎ। প্ৰথমতেই, ভাওঁনা অসমীয়াৰ এটি বিশিষ্ট জাতীয় অনুষ্ঠান। পোন প্ৰথমে শংকৰদেৱে তেওঁৰ লগৰ ভূঞা সকলক বৈকুণ্ঠৰ বৃত্তান্ত সকলোকে সমুহতে কবলৈ আজিকালিৰ দৃশ্যপটৰ দৰে স্বৰ্গ আৰু মৰ্ত্যৰ নিজে ছবি আঁকি চিহ্নযাত্ৰা ভাওঁনা কৰিছিল। এয়ে তাৰ প্ৰথম অভিনয়। সমাজ সংগঠনত শংকৰদেৱৰ আন এটি মহৎ অৱদান হৈছে সকলো সম্প্ৰদায়ৰ মাজত উদাৰ সাম্যভাৱ বিস্তাৰ কৰা। গুৰুজনাৰ ধৰ্মৰ এই গুণটোৱেই সমাজৰ প্ৰায় সম্প্ৰদায়কে মুক্ত কৰি থৈছে। আৰু সামাজিক উদাৰতাই সকলো সম্প্ৰদায়কে অতি ওখত ৰাখিছে। শংকৰদেৱৰ এই উদাৰ সাম্যভাৱৰ মোহন- মন্ত্ৰৰ বলতেই অসমীয়া জনজীৱন আৰু অসমীয়া সমাজ বোধকৰো আজি সমগ্ৰ বিশ্বতে বিভিন্ন প্ৰাদেশিক সমাজতকৈ উদাৰ আৰু উন্নত। গুৰুজনাৰ প্ৰচাৰিত সাম্য ধৰ্মত কোনো বৰ্ণ আশ্ৰম ধৰ্মৰ বাদ- বিসম্বাদ ৰখা নাই। তেওঁৰ ধৰ্ম মতে সকলোৱেই নিজ নিজ কৰ্ত্তব্য কৰি যাব পাৰে। বিশেষকৈ ধৰ্মীয় অনুষ্ঠান বিলাকত সকলোৰেই সমান অধিকাৰ। সজ আৰু সদাচাৰী ব্ৰাহ্মণ সকলৰ লগত তেওঁ সদায় সৎ ভাৱ ৰাখি চলিছিল। ধৰ্ম অনুষ্ঠান বিলাকত সুদুৰেই হওঁক বা ব্ৰাহ্মণেই হওঁক বিষ্ণুৰ আগত দিয়া প্ৰসাদ যেই সেই নীতি সদাচাৰ মানি চলা লোকে বিলাই দিব পাৰিছিল।

শংকৰদেৱৰ ধৰ্ম শিক্ষাৰ এফাঁকি মূলমন্ত্ৰ আছিল আৰু সেই ফাঁকিয়ে তেওঁৰ সকলো ধৰ্ম, কৰ্ম আৰু সাহিত্যৰ মাজেদি সূত্ৰে মণিগণাইৰ নিচিনা গোথাঁ আছে। সেই মূলমন্ত্ৰ আৰু উপদেশ এয়েই –

"কুক্কুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"
"সমস্ত ভূততে ব্যাপি আছো মই হৰি।
সবাক মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।"
"ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।।"
"নীতে সাধুত যাৰ হৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বুলিয়া সবে জান।।"
(বৈকুণ্ঠ প্ৰয়াণ)

শংকৰদেৱৰ ধৰ্ম শিক্ষাৰ এই বিশেষত্বই তেওঁৰ কাৰ্য্যৰো বিশেষত্ব। সমাজত কোনো প্ৰকাৰৰ বিভ্ৰাট বা বিপ্লৱ ঘটাবলৈ লেখ মাত্ৰও ইচ্ছা নকৰি তেওঁ জাতি ধৰ্ম নিৰিশেষে যি উদাৰতা দেখুওৱাই ধৰ্ম প্ৰচাৰ কৰিলে তালৈ মন কৰিলে মুৰ স্বভাৱতে তেওঁৰ চৰণলৈ দোঁ খাই যায়। ব্ৰাহ্মণ আৰু মুছলমানৰ পৰা আনপিনে সেই সময়ত সমাজৰ অতি তল খাপৰ বুলি অৱজ্ঞাৰ চকুৰে চোৱা গাৰো, ভোট, মিকিৰ আদি সকলোকে শংকৰদেৱে এক শৰণ ভক্তি দি

শৰণীয় কৰি লৈছিল । ইয়াৰ পৰা বুজিব পৰি যে তেওঁৰ প্ৰচাৰিত ধৰ্মত কোনো আঁহফলা নীতি নাই । সমাজৰ সকলো সম্প্ৰদায়কে মোৰ বুলি সাৱটি লোৱাই তেওঁৰ উদ্দেশ্য আছিল। মহাপুৰুষ শংকৰদেৱে তদানীন্তন আমাৰ লোক সমাজৰ শিক্ষা-দীক্ষা,ৰুচি-অভিৰুচি,আদৰ্শ পৰিবেশ আদিৰ লগত সুন্দৰ আৰু যথাৰ্থ সংগতি স্থাপন কৰি ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। তেওঁৰ দ্বাৰা প্ৰৱৰ্ত্তিত ভক্তি ধৰ্মৰ মূল ভেটিটো ৰচিত হৈছিল শিক্ষা-দীক্ষাবিহীন,দীন দৰিদ্ৰ নিঃস্ব জনসাধাৰণৰ জীৱন আৰু আদৰ্শৰ ওপৰত দৃষ্টি ৰাখি, ৰজা,মহাৰজা,ধনী মহাজন,বিদ্বান পণ্ডিত,আভিজাত্যাভিমানী সমাজখন আগত ৰাখি মহাপুৰুষে ধৰ্ম প্ৰচাৰ কৰা নাছিল। অধঃপতিত অস্পৃশ্য তথাকথিত উচ্চ সমাজৰ দ্বাৰা পৰিত্যক্ত পাপী-তাপীক ভক্তি ধৰ্মৰ দ্বাৰা "উক্তিষ্ঠত" জাগ্ৰত কৰাই আছিল শংকৰদেৱৰ ভক্তি ধৰ্মৰ মূল লক্ষ্য। সেয়েহে তেওঁ কৃষ্ণৰ সেৱক বা ভক্ত সকলৰ বিষয়ে কবলৈ গৈ ব্ৰাহ্মণ-কায়স্থ আদি উচ্চ জাতৰ বিষয়ে ন কৈ কৈছে। তেখেতৰ ভাযাত—

কিৰাত কছাৰি খাঁচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।

অৰ্থাৎ কিৰাত, কছাৰী, খাচি, গাৰো, মিৰি, কঙ্ক, গোৱাল, অসম, ধোৱা, তুৰুক, কুবাচ, ম্লেচ-চণ্ডাল আদি আৰু আন আন শ্ৰেণীৰ মাজত যিসকল পাপী তেওঁলোকেও কৃষ্ণ সেৱকৰ সংগ লাভ কৰি পৱিত্ৰ হৈ ভক্তিৰ সংযোগত সংসাৰ চক্ৰৰ পৰা উদ্ধাৰ লাভ কৰি আতি সুখেৰে উৎকণ্ঠাৰহিত স্থান বৈকুণ্ঠলৈ যাত্ৰা কৰে। অৱশ্যে ইয়াৰ আভাষ শ্ৰীমদ্ভাগৱত পূৰাণত পোৱা যায়। যেনে--

কিৰাত হুণান্ধ্ৰ পুলিন্দ পুল্কসাআভীৰকঙ্কা যৱনাঃ খশাদয়ঃ।
যেহেন্যে চ পাপযদুপা শ্ৰয়া শ্ৰয়াঃ শুধ্যন্তি তস্মৈ প্ৰভৱিষ্ণৱে নমঃ।।

অৰ্থাৎ কিৰাত হুণ, অন্ধ্ৰ, পুলিন্দ, পুল্কস, আভীৰ, কঙ্ক, যৱন,খশা আৰু অন্যান্য পাপাচাৰী সকলে বিষ্ণুভক্তসকলৰ ওচৰত আশ্ৰয় লৈ আত্মাৰ পবিত্ৰতা লাভ কৰে। ভক্তি ধৰ্মৰ সংযোগত যে কিৰাত হুণাদিক সংস্কৃতকৰণ কৰিবলৈ চেষ্টা কৰা হৈছিল তাৰ আভাষ ইয়াৰ পৰা পাব পাৰি।

শংকৰদেৱেও ভক্তি ধৰ্মৰ মাজেদি তদানীন্তন অসমৰ আৰ্য্য ভিন্ন অন্য গোষ্ঠীৰ লোকক অসমীয়া তথা ভাৰতীয় সংস্কৃতিৰ জমিনৰ ভিতৰুৱা কৰিবলৈ প্ৰচেষ্টা চলাইছিল।

শংকৰদেৱৰ পৰম অনুগত ভক্ত শিষ্য- বন্ধু মহাপুৰুষ মাধৱদেৱেও তেওঁৰ 'নামঘোষা' গ্ৰন্থত গাৰো ভোট, যবন আদি অন্ত্যজাতিৰ প্ৰতি সহানুভূতি প্ৰকট কৰিছে। যেনে—

(ক) গাৰো ভোট যৱনে হৰিৰ নাম লয়।
(খ) হৰি নামে নাহিকে নিয়ম অধিকাৰী।।
ৰাম বুলি তৰে মিৰি অসম কছাৰী।।

তেৰাই প্ৰথমতে তেৰাৰ জন্ম স্থান বৰদোৱা অঞ্চলত আৰু পিছত বিভিন্ন ঠাইত নাম প্ৰসংগৰ বাবে যি নামঘৰ সজাইছিল তাৰ চাৰিবেৰ সদায় মুকলি আছিল। ইয়াৰ পৰাও গুৰুজনাৰ ধৰ্ম নীতিৰ উদাৰতাৰ কথা ধৰিব পাৰি। পুণ্যভূমি অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ যি সময়ত জন্ম হৈছিল সেই সময়ৰ সমাজত তেওঁৰ ঢাক পৰিছিল। আৰু সেইমতে আহি সমাজক অধৰ্ম, অপধৰ্ম, দুৰ্নীতি, ভ্ৰষ্টাচাৰ অদিৰ মুখত চাই দি পতিত অৱস্থাৰ পৰা বৃহত্তৰ জনসমাজক ৰক্ষা কৰিছিল। তেওঁৰ সেই সঞ্জীৱনী শক্তিৰ বলতেই অসমীয়া আজিও তেজীয়ান। কিন্তু সেই তেজ আজি ভালেমান বছৰৰ পৰা ক্ৰমে লোপ পোৱা যেন দেখা গৈছে। সেই দেখি অসমীয়াক আকৌ তেনে এটি শকত জাতীয় ভাব দি বলবন্ত কৰিবৰ আৱশ্যক হৈছে। অসমৰ দাঁতি কাষৰীয়া অঞ্চল বিলাকত ৰাজনৈতিক বা আন শোষনত অসমৰ পৰা আঁতৰি যোৱা সকলো জাতিক বুকুত সাৱটি আনিবলৈ সেই উদাৰ ধৰ্ম প্ৰচাৰৰ নিচিনা সেই উদাৰ সাহিত্য প্ৰৱাহ বিস্তাৰৰ বাহিৰে আন একো উপায় নাই।

অসমীয়া নামঘৰ আৰু তাৰ ওপৰত অসমীয়া সত্ৰবোৰে জাল গোঁঠাৰ দৰে গুঠি সুদুৰ পূৱৰ পৰা পশ্চিমলৈকে সমগ্ৰ অসমক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছে। অষ্পৃশ্যতা নিবাৰণ আদি প্ৰসংগত মহাপুৰুষীয়া ধৰ্মই যি অসাধ্য সাধন কৰিছিল তাৰ প্ৰমাণ আজিও অসমীয়া সমাজত বিৰল। অসমীয়া নাম ঘৰত উচ্চ-নীচ সকলোৱেই সমাজত শ্ৰেষ্ঠ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। গাৰোৰ গোবিন্দ, মিৰিৰ পৰামানন্দ, ভোটৰ দামোদৰ, নগাৰ নৰোত্তম, কছাৰীৰ বনাই, কৈৱৰ্ত্তৰ পূৰ্ণানন্দ, বনীয়াৰ হৰিদাস, যৱনৰ চণ্ডখা, প্ৰভৃতিক শংকৰদেৱে ৰাম ৰাম গুৰু; দামোদৰ দেৱ, মহেন্দ্ৰ কন্দলি আদিক নিজৰ শ্ৰেষ্ঠ ভকতৰ শাৰীলৈ তুলি লোৱা আদৰ্শ আজি পুনৰ অৱনত অসমীয়া সমাজত কেৱল কথা হৈয়েই আছে; কাৰ্য্যত তাক অনুকৰণ কৰা উদাহৰণ ক'ত?

সঁচা কথা, শংকৰদেৱে জাতি ভেদ গুচাই দিয়া নাছিল, কিন্তু উচ্চ-নীচ জাতিৰ ভেদাভেদ ৰূপ যিয়ে সমাজক জৰ্জৰিত কৰিছিল তাক যেতিয়া আঁতৰালে আৰু বাকী থাকিল কি—

" কৃষ্ণৰ কথাত যিটো ৰথিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক।।"
" স্মৰক হৰি মাত্ৰ দিনে ৰাতি।
ন বাছে ভকতি জাতি অজাতি।।"



# অসমীয়া ভাষা-শব্দৰ উদ্ভৱ-

শ্ৰীকিশোৰ কুমাৰ কলিতা

অসমত বাস কৰা লোকসকল হ'ল অসমীয়া। এই অসমীয়া জাতিটোৰ কথিত ভাষা অসমীয়া। এই অসমীয়া ভাষাৰ ভাষা-শব্দৰ উদ্ভৱ সম্পৰ্কে এক চমু আলোচনা আগবঢ়োৱা হ'ল।

ভাৰতীয় সংবিধান স্বীকৃত ভাষাৰ ভিতৰত অসমীয়া ভাষাও এটা। এই অসমীয়া ভাষাক কেন্দ্ৰ কৰিয়ে অসমীয়া জাতিৰ সৃষ্টি হোৱা বুলি কব পাৰি। অসমীয়া ভাষা অসমৰ উপৰিও অসমৰ দাতিকাষৰীয়া ৰাজ্য-মণিপুৰ, ত্ৰিপুৰা , নাগালেণ্ড, মেঘালয়, মিজোৰাম আদিতো এই ভাষা কম বেছি পৰিমানে প্ৰচলন হোৱা দেখা যায়। অসমীয়া কথিত ভাষা অসমীয়া ভাষাৰূপে প্ৰায় দুশমান বছৰ আগৰ পৰাই প্ৰচলিত বুলি অনুমান কৰিব পৰা যায়। আজি অসম ৰাজ্যৰ চাৰিসীমাই যি ভূ-খণ্ড সামৰিছে তাতকৈ বেছি অংশ বুকুত লৈ ই এখন বিশাল ৰাজ্য ৰূপে অতীতৰ পৰা পৰিগণিত হৈ আছে। পুৰণি কালৰ প্ৰাগজোতিষ আৰু তাৰ পিছৰ কামৰূপেই বৰ্ত্তমানৰ অসম। পাৰ্গীতাৰ চাহাবৰ মতে কব পৰা যায় যে স্বাধীনতাৰ আগতে কুৰিশতিকাৰ আগত অবিভক্ত অসমৰ সৈতে, জলপাইগুৰি, ৰংপুৰ, কোছবিহাৰ, মৈমনসিং, ঢাকা, ত্ৰিপুৰা আৰু সম্ভৱত নেপালৰ পূৰ্ব্বাংশ মহাভাৰতীয় যুদ্ধৰ সময়ত অসমৰ অন্তৰ্গত আছিল। খৃষ্টীয় সপ্তম শতিকাৰ আদিভাগত বিখ্যাত চীনা পৰিব্ৰাজক 'হিউয়েন চাঙে' কৰতোয়া নদী পাৰ হৈ কামৰূপ ৰাজ্যত সোমোৱা বুলি লিখি থোৱা কথাযাৰে স্পষ্ট তথ্য দাঙি ধৰে যে সেই সময়ত কামৰূপ ৰাজ্যৰ স্থায়ী পশ্চিম সীমা আছিল কৰতোয়া। 'অসম' নাম হোৱাৰ পুৰ্বে ৰাজ্যখন যিহেতু সুদীৰ্ঘকাল কামৰূপ নামে বিখ্যাত, সেয়ে বাসিন্দা সকলো কামৰূপী নামেৰেই জনাজাত আছিল আৰু তেওঁলোকৰ কথিত ভাষাটোকো স্বাভাৱিকতে কামৰূপী ভাষাই বুলিছিল।

ভাষা মানুহৰ অনুভূতিৰ মুখনিঃসৃত শাব্দিক প্ৰকাশ মাথোঁ। সকলো জাতিৰ লোকৰ মাজতেই ভাৱ প্ৰকাশৰ কাৰণে কিবা নহয় কিবা ভাষাৰ উদ্ভৱ হয়। সকলো জাতিৰ মাজতে সহজ প্ৰবৃত্তি সমুহৰ বিকাশৰ বাহনৰূপে প্ৰথমে ভাষাৰ উৎপত্তি আৰু তাৰ পাছতহে গভীৰ আৰু নান্দনিক অনুভূতিৰ বিচিত্ৰ প্ৰকাশভংগীৰূপে সাহিত্যৰ সৃষ্টি হয়। অসমীয়া ভাষাৰ প্ৰাচীন তত্বৰ গৌৰৱ আমি কম বুলি কব নোৱাৰোঁ। অসমীয়া ভাষাৰ উৎপত্তি স্থলৰূপে আপাতদৃষ্টিত এই ভাষাটো আৰ্যভাষাসম্ভূত বুলি কব পৰা যায়।

বৰ্ত্তমান অসম ৰাজ্যক সামৰি লোৱা উত্তৰ পূৰ্বাঞ্চলীয় ভূ-ভাগটো মহাভাৰতীয় যুদ্ধৰ আগৰে পৰা 'কিৰাত' জাতিৰ বাসভূমি আছিল বুলিও প্ৰকাশ পোৱা যায়। কিন্তু ভগদত্তৰ পিতৃ নৰকে কিৰাত বিলাকক ৰাজ্যখনৰ পূৱ প্ৰান্তলৈ খেদি প্ৰাগজ্যোতিষত ৰাজত্ব স্থাপনা কৰিছিল। নৰক আছিল বৈদিক সংস্কৃতিৰ দ্বাৰা সংস্কৃত আৰু ব্ৰাহ্মণ অনুৰক্ত। গতিকে অনুমান কৰিব পাৰি যে তেওঁৰ দিনতেই প্ৰাগজ্যোতিষত আৰ্য্য সংস্কৃতিৰ প্ৰচলন আৰু ব্ৰাহ্মণসকলৰ বসতি আৰম্ভ হৈছিল।

আৰ্য্য বসতিৰ বহুকাল আগৰে পৰা মঙ্গোলীয় গোষ্ঠীৰ লোকসকল এই দেশলৈ আহিছিল আৰু বৰ্ত্তমানৰ অসমত বাস কৰছিল। ভাষাতাত্বিক দৃষ্টিকোণৰ পৰা মঙ্গোলীয় গোষ্ঠীটো তিব্বতধৰ্মী ভাষা গোষ্ঠীৰ ভিতৰুৱা। আবৰ, বড়ো-কছাৰী, ৰাভা, মিৰি,ডিমাচা,মিকিৰ, গাৰো, কোচ আদি মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্গত। উল্লেযোগ্য যে- অসমত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ লোক সকলোতকৈ প্ৰাচীন বাসিন্দা বুলি ভাষাবিদ পণ্ডিত সকলে স্বীকাৰ কৰে।

চাওঁতাল,খাচী আৰু জয়ন্তীয়াসকল এই গোষ্ঠীৰ অধস্তন। শিক্ষাদান আৰু ৰজাঘৰীয়া কাম-কাজ আদিবোৰ সংস্কৃত ভাষাৰ যোগেদিয়েই সেই সময়ত সম্পন্ন কৰা হৈছিল। আৰ্য ভাষা-ভাষীলোকৰ সংখ্যা কম হোৱা স্বত্বেও সংস্কৃত ভাষা ক্ৰমে ৰাজ্যখনত প্ৰসাৰিত হৈছিল। সংস্কৃত ভাষা দুটা কাৰণতেই প্ৰসাৰিত হৈছিল- প্ৰথম কাৰণটো হ'ল - ইয়াৰ শব্দসম্ভাৰৰ বিস্তৃতি আৰু সেইবোৰৰ প্ৰকাশ ক্ষমতা। এই গুনে শ্ৰোতাক স্বাভাৱিকতে জাতিটোৰ কাষ চপায়। দ্বিতীয়তে এই ভাষাটো ৰাজভাষা হিচাপে পৰিগণিত। সংস্কৃত প্ৰসস্তিৰ মাজতো সেই সময়ত জনসাধাৰণৰ মাজত প্ৰচলিত ভাষাৰ দুই চাৰিটা শব্দই অবাধে স্থান পাইছিল। সেই শব্দবোৰত মানুহৰ নাম, গছৰ নাম, গাওঁৰ নাম, নদীৰ নাম, আদি বুজোৱাত ব্যৱহৃত হৈছিল। ইয়াৰ ভিতৰত কালিয়া,ধৰ্নি, সনি, অনি, দক্ষিণ- পাট, শিঙৰিজান, জোল আদি শব্দবিলাক মন কৰিবলগীয়া। কাৰণ এই শব্দসমূহে অসমীয়া ভাষাৰ জন্মকালৰ সূচনা কৰে।

ভৌগোলিক পৰিবেশ, পাৰিপাৰ্শ্বিকতা আৰু জনসাধাৰণৰ উচ্চাৰণৰ ভিন্নতা ভেদে প্ৰকৃত ভাষাৰো স্বৰূপ সলনি হয় ।সেই মৰ্ম্মে অঞ্চল ভেদে চাৰিবিধ প্ৰাকৃতৰ উদ্ভৱ হয়। পূৰ্বাঞ্চলত প্ৰচলিত প্ৰাকৃতৰ নাম মাগধী, মধ্যদেশত- শৌৰসেনী, দক্ষিণ পশ্চিমাংশত- মহাৰাষ্ট্ৰী আৰু উত্তৰ পূৰ্বাঞ্চলত প্ৰচলিত পৈশাচী নামেৰে জনাজাত। মাগধী প্ৰাকৃতৰ পৰা পূৱ ভাৰতত আধুনিক আৰ্য্য ভাষাসমূহৰ উদ্ভৱ হোৱা বুলি ভাষাতত্ববিদ পণ্ডিতসকল একমত। প্ৰাচীন মগধকেই এইবিধ প্ৰাকৃতৰ উদ্ভৱস্থান বুলি অনুমান কৰিছে। মাগধী প্ৰাকৃতৰ শেষস্তৰ মগধী অপভ্ৰংশ। এই অপভ্ৰংশৰ পৰাই অসমীয়া, বাংলা আদি পুৰ্বাঞ্চলীয় ভাষা কেইটাৰ উদ্ভৱ হোৱা বুলি 'গ্ৰীয়াৰ্ছনে'- তেওঁৰ Linguistic Survey of India (Vol-1) ত স্থিৰ কৰি গৈছে।

উত্তৰ বংগ আৰু অসমে তেওঁলোকৰ ভাষা প্ৰকৃততে বংগৰ পৰা পোৱা নাই, পশ্চিমৰ পৰা পোনে পোনে পাইছে। মাগধী অপভ্ৰংশ বাস্তৱিকতে পূৱ আৰু দক্ষিণলৈ তিনি দিশে বিয়পা বুলিব পাৰি। উত্তৰ পূৱে বাঢ়ি গৈ ই উত্তৰ বংগ আৰু অসমৰ অসমীয়া, দক্ষিণে উড়িয়া আৰু দুইৰে মাজত ই বঙালী হয়গৈ। গ্ৰীয়াৰ্ছন চাহাবৰ নিচিনা ভাৰতৰ অন্যতম ভাষতত্ববিদ ডঃ চট্টোপাধ্যায়েও কৈছে যে অসমীয়া ভাষা আৰু উত্তৰ বংগৰ ভাষাৰ উৎস এটাই। প্ৰাচীন কালত উত্তৰ বংগৰ কোচবিহাৰ, ৰংপুৰ আদি এটা বিৰাট অঞ্চল, পুৰণি কামৰূপৰ অংশ হিচাপে আছিল বাবেই এই অংশৰ ভাষা অসমীয়া ভাষাৰ লগত স্বাভাৱিকতে একে আছিল। আনকি কোচ কমতাৰ ৰাজসভাক কেন্দ্ৰ কৰি তাত অসমীয়া সাহিত্যৰ চৰ্চা আৰু সৃষ্টিও হৈছিল।

আন আন নব্য ভাৰতীয় আৰ্য্য ভাষাবোৰৰ লগে লগে মাগধী অপভ্ৰংশৰ পৰা অসমীয়া ভাষা ওলাই স্বকীয় ৰূপ লৈছে। লিখিত ৰূপ পোৱাৰ আগলৈকে বহুকাল ধৰি সকলো ভাষা মুখে মুখেই প্ৰচলিত হৈ আছিল। লিখিত সাহিত্য পালেহে তাৰ সময়ানুসৰি ভাষাটোৰ উদ্ভৱকাল অনুমান কৰিব পাৰি। সেয়েহে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই কৈছে-"সাহিত্য ভাষাৰ জন্ম পত্ৰিকা।" অসমীয়া ভাষাৰ

ক্ষেত্ৰতো একেই কথা খাতে। অসমীয়া ভাষাৰ বিকাশমান গতিৰ সুস্পষ্ট লক্ষণ দেখিবলৈ পোৱা যায় চৰ্য্যাপদ সমূহৰ মাজত। চৰ্য্যাপদ নামেৰে জনাজাত এক প্ৰকাৰ সাহিত্যৰ ৰূপটোৱে অসমীয়া ভাষাৰ জন্মকথা কব পৰা অন্যতম প্ৰামাণিক সাক্ষী। খৃষ্টীয় দশম শতিকাটো অসমীয়া ভাষাৰ উদ্ভৱ কাল বুলি ধৰি লোৱা হয় যদিও ইয়াক বিশ্লেষণ নকৰাকৈ গ্ৰহণ কৰিবলৈ গলে মনত খুঁদুৱনি ৰৈ যায়।

> ভাষা মানুহৰ অনুভূতিৰ মুখনিঃসৃত শাব্দিক প্ৰকাশ মাথোঁ। সকলো জাতিৰ লোকৰ মাজতেই ভাৱ প্ৰকাশৰ কাৰণে কিবা নহয় কিবা ভাষাৰ উদ্ভৱ হয়। সকলো জাতিৰ মাজতে সহজ প্ৰবৃত্তি সমূহৰ বিকাশৰ বাহনৰূপে প্ৰথমে ভাষাৰ উৎপত্তি আৰু তাৰ পাছতহে গভীৰ আৰু নান্দনিক অনুভূতিৰ বিচিত্ৰ প্ৰকাশভংগীৰূপে সাহিত্যৰ সৃষ্টি হয়। অসমীয়া ভাষাৰ প্ৰাচীন তত্বৰ গৌৰৱ আমি কম বুলি কব নোৱাৰোঁ। অসমীয়া ভাষাৰ উৎপত্তি স্থূলৰূপে আপাতদৃষ্টিত এই ভাষাটো আৰ্যভাষাসম্ভূত বুলি কব পৰা যায়।

অসমীয়া ভাষাৰ উদ্ভৱ প্ৰক্ৰিয়াত প্ৰাকৃতৰ সৰলীকৰণ তিনিটা দিশত দেখা যায়-ধ্বনিৰ দিশত, শব্দ আৰু ধাতুৰূপৰ দিশত আৰু পদ প্ৰয়োগৰ দিশত। ই ভাষতত্ব সন্ধন্ধীয় আলোচনা। এই প্ৰংসগত ইয়াৰ বহল ব্যাখ্যাৰ প্ৰয়োজন নাই। উদাহৰণ স্বৰূপে মাত্ৰ এটা দুটা সৰলীকৰণ প্ৰণালী দেখুওৱা হ'ল। ধ্বনিৰ দিশত ঐ আৰু ঔৰ ঠাইত ক্ৰমে এ আৰু ও ব্যৱহাৰ হয়। যেনে- তৈল / তেল, ঔষধ/ওষধ। ঋ আৰু ঋৃ ৰ ঠাইত - ই ; উ আৰু ৰি ব্যৱহাৰ হয় ঋজু /উজু, শৃগাল /সিয়াল /শিয়াল ইত্যাদি। শব্দৰূপৰ দিশত ব্যঞ্জনধ্বনী লোপ হয়। ফলত সকলো শব্দ স্বৰান্ত হয়। মূল সংস্কৃতৰ দ্বিবচন ৰূপ নোহোৱা হৈ বহুবচনত হ'বলৈ ধৰে। ধাতুবোৰৰো দ্বিবচনৰ ৰূপ নোহোৱা হয় ইত্যাদি। শ্ৰেণীগত দৃষ্টিকোনৰ পৰা অসমীয়া ভাষাৰ শব্দৰাজিক পাঁচটা শ্ৰেণীত ভগাব পাৰি- তৎসম, অৰ্দ্ধতৎসম, তদ্ভৱ, দেশী আৰু বিদেশী। তৎসম অৰ্থাৎ অবিকল সংস্কৃত শব্দ। এইবিধ শব্দৰ প্ৰয়োগ আমাৰ ভাষাত অধিকভাৱে কৰা হৈছে। যেনে ভক্তি, যত্ন, ৰত্ন, বন, কুসুম, পঙ্গু, ঈশ্বৰ, সত্য, বৃক্ষ, কৰ্ম, দৰ্শন ইত্যাদি। যি বিলাক সংস্কৃত শব্দ অবিকৃতভাবে নাথাকি পৰিৱৰ্তিত ৰূপত ব্যৱহাৰ হৈছে ; সেইবোৰক অৰ্দ্ধতৎসম শব্দবোলা হয়। যেনে- ভকতি, যতন, ৰতন, কৰম, ইত্যাদি। যিবিলাক সংস্কৃত শব্দ প্ৰাকৃতৰ মাজেদি পৰিৱৰ্ত্তিত হৈ আহি অসমীয়াত ব্যৱহাৰ হৈছে সেইবোৰক তদ্ভৱ শব্দবোলা হয়। যেনে- হাত, মূৰ, নাক, কাণ, দাঁত, ভাই-ভনী, নৈ, পাহাৰ, গৰু, ঘোঁৰা, সাপ, মই, আমি, তুমি ইত্যাদি। অৱশ্যে অসমীয়া ভাষাত এনেধৰণৰ কিছুমান ভাষা সুদুৰ অতীতৰ পৰা প্ৰচলিত হৈ আছে যিবিলাক শব্দ প্ৰাকৃতৰ মাজেৰে অহা নাই ; নতুবা মূল কোনো বিদেশী ভাষা নাইবা আনকোনো ভাৰতীয় ভাষাত পাবলৈ নাই। এই বিলাকক দেশী শব্দ বুলি কোৱা হয়। অসমৰ আদিম অধিবাসীসকলৰ ভাষাৰ পৰা এই শব্দৰাজি চলি আহিছে। অসমৰ আদিম অধিবাসী বড়োসকলৰ পৰা অহা কিছুমান শব্দ,যেনে- হাওঁফাওঁ, হেঙাৰ, জখলা, ৰিহা, শিলিখা, জোং, চাং আদি। টাই বা আহোম ভাষাৰ পৰা অহা শব্দ হ'ল- বুৰঞ্জী, ফুকন, কাৰেং, ৰং ইত্যাদি। খাঁচি ভাষাৰ পৰা অহা শব্দ যেনে- জেং, খং, নোদোকা, কাবৌ, আদি। কোলমুণ্ডা ভাষাৰ পৰা অহা শব্দ যেনে- আটোম টোকাৰি, ভঙ্গুৰা, ভোদা, গোহাৰি, তেজপিয়া, মুগা আদি। মলয় ভাষাৰ পৰা অহা শব্দ ৰাজি যেনে- বগা, ককা, বুঢ়ী, চোং, গাহৰি, টেলেকা আদি।

আদিম অধিবাসী সকলৰ বিভিন্ন শব্দ অসমীয়া ভাষালৈ অহাৰ উপৰিও বিভিন্ন ধৰণৰ নানান শব্দই অসমীয়া ভাষা সমৃদ্ধ কৰি তুলিছে। এই বিলাকক দুটা ভাগত ভগাব পৰা যায় এটা ভাৰতীয় আৰু আনটো অভাৰতীয় (বিদেশী)। ভাৰতৰ প্ৰাদেশিক ভাষা সমুহৰ পৰা অহা শব্দৰ ভিতৰত হিন্দিৰ পৰা অহা কাগজৱালা, লুচিৱালা, চাহিদা, মহঙা, আদি। গাওঁবুঢ়া, তাঙৰণ, বেজী আদি শব্দৰ সাদৃশ্য মাৰাঠী ভাষাৰ লগত দেখা যায়।

ড° বিৰিঞ্চি কুমাৰ বৰুৱাই ভাৰতৰ বাহিৰৰ পৰা অহা বিদেশী শব্দ সমূহক দুই শ্ৰেণীত ভাগ কৰিছে- এবিধ ফাৰ্চী আৰু আনবিধ ইউৰোপীয়। তেওঁৰ মতে ফাৰ্চীৰ ভিতৰত আৰৱী আৰু তুৰ্কী ভাষাও পৰিছে। তুৰ্কী ভাষাৰ শব্দবোৰ ঘাইকৈ ফাৰ্চীৰ মাজেদিহে অসমীয়ালৈ আহিছে। অসমীয়া ভাষাত সোমোৱা ফাৰ্চী শব্দবোৰ যেনে-

(১) *ৰজা; ৰাজসন্মান আৰু যুদ্ধবিষয়ক শব্দ* ঃ-আমিৰ, উজীৰ, খিতাপ, বাদচাহ, হুজুৰ, চিক্‌দাৰ, ফৌজি, চিপাহী, চৰ্দাৰ আদি।

(২) *খাজনা, শাসন আৰু আইনবিষয়ক শব্দ*ঃ- এক্তিয়াৰ, খাজনা, জমা, মহকুমা, চহৰ, চৰকাৰ, উকিল, আদালত, দালাল আদি।

(৩) *ইছলাম ধৰ্মীয় শব্দ*ঃ- আল্লা, ইমাম, ঈদ, কবৰ, নামাজ আদি।

(৪) *সংস্কৃত, শিক্ষা আৰু সাহিত্য সম্বন্ধীয় শব্দ*ঃ-গজল, দৰদ, মুন্সী ইত্যাদি

(৫) *বিলাস সামগ্ৰীৰ ব্যৱসায়িক শব্দ*ঃ-আইনা, আতঁৰ, মলম, গোলাপ, চচমা, বাদাম ইত্যাদি।

(৬) *সাধাৰণ বস্তু আৰু ভাৱ নিৰ্দেশক শব্দ*ঃ- কাৰখানা, জানোৱাৰ, জাহাজ, দোকান, নগদ ইত্যাদি।

ইউৰোপীয় ভাষাসমূহৰ ভিতৰত ইংৰাজী ভাষাৰ শব্দ আধুনিক অসমীয়া ভাষাত সৰ্বাধিক। বিশেষকৈ ইংৰাজ শাসন আৰম্ভ হোৱাৰ লগে লগে বহুত বিদেশী বস্তু আমদানি হ'ল, লগতে বিদেশী ভাৱধাৰা অসমীয়াৰ মাজত সোমাল। ৰাজনীতিৰ পৰিৱৰ্তন হ'ল। শিক্ষানীতি আৰু শিক্ষা-বিষয় আদিত পৰিৱৰ্তন ঘটে। ফলত এইবোৰৰ লগত সম্পৰ্ক থকা বহু ইংৰাজী শব্দ অসমীয়া ভাষাত সোমাই পৰিল। ইংৰাজীৰ উপৰিও, ইউৰোপীয় ভাষাৰ ভিতৰত বিশেষকৈ ফৰাচী; পৰ্তুগীজ আৰু ওলন্দাজ ভাষাৰ কিছুমান শব্দ অসমীয়া ভাষাত সোমাই পৰিল। কাৰ্তিজ, চাবোন আদি শব্দ ফৰাচীৰ পৰা অহা। আলিঙ্গন, আলমাৰী, বাল্টি, চাবি, বুটাম আদি পতুৰ্গীজ ভাষাৰ পৰা অহা। ইচ্‌ক্ৰুপ, ইস্কাপন আদি আহিছে ওলন্দাজ ভাষাৰ পৰা। ইয়াৰ উপৰিও ইংৰাজী ভাষাৰ যোগেদি আন কিছুমান ভাষাৰ দুই এটা শব্দ আহি অসমীয়া ভাষাত সোমাই পৰা দেখা যায়। উদাহৰণ স্বৰূপে চীনা ভাষাৰ পৰা চাহ, চেনী, মালয় ভাষাৰ পৰা- চাগু, গুদাম আৰু জাপানী ভাষাৰ পৰা ৰিক্সা ইত্যাদি।

বিদেশী আৰু দেশী শব্দ লগহৈ বিদেশী শব্দত দেশী প্ৰত্যয়-ক উপসৰ্গ আৰু দেশী শব্দত বিদেশী প্ৰত্যয় 'ক' সোমাইছে। উদাহৰণ স্বৰূপে- হেড্ পণ্ডিত, হেড মহৰী, পুলিচ-চাহাব, পাঠ্য-কিতাপ ইত্যাদি।

ওপৰৰ আলোচনাৰ জৰিয়তে অসমীয়া ভাষাৰ শব্দসমূহৰ উদ্ভৱ প্ৰক্ৰিয়া আৰু ইয়াৰ বিভিন্ন প্ৰকাৰ সম্বন্ধে আলোচনা কৰা হ'ল। যদিও শব্দই ভাষাৰ মূল তথাপি সেইবোৰ যথাযোগ্য বিভক্তিযুক্ত হৈ উপযুক্ত ক্ৰমত লগ হোৱাৰ পাছতহে ভাৱ প্ৰকাশ কৰিবলৈ সক্ষম হয়। চৰ্য্যাপদসমুহত বিভিন্ন বিভক্তিৰ প্ৰয়োগ, কাৰক, ক্ৰিয়াৰ সম্বন্ধ, প্ৰত্যয়যুক্ত শব্দৰ প্ৰয়োগ আদি বিশেষত্ব দেখিবলৈ পোৱা যায়। সেয়েহে চৰ্য্যাপদবোৰকেই অসমীয়া ভাষা সাহিত্যৰ আদি লিখিতৰূপ বুলি পূৰ্বসূৰীসকলে সিদ্ধান্ত কৰিছে। চৰ্য্যাপদবোৰৰ প্ৰায় ডেৰশ-দুশ বছৰ পাছত ৰচিত কাব্যৰাজিয়ে সাহিত্যৰ ইতিহাস গৌৰৱোজ্জ্বল স্বৰ্ণৰেখাৰে আঁকি দিছে সেইবোৰ সকলো প্ৰকাৰৰ কাব্যিক গুণ বিশেষত্বৰে সমৃদ্ধ।



সাম্প্ৰতিক চিন্তাৰে...

# মানৱ সম্পদ বিকাশ সাধনত শিক্ষাৰ ভূমিকা ঃ

শ্ৰীসাবিত্ৰী বেজবৰুৱা

বিশ্বৰ দেশবোৰে অৰ্থনৈতিকভাবে গুণগত আৰু পৰিমানগতদিশত বিকাশ সাধনৰ জৰিয়তে মানৱ সম্পদৰ বিকাশ সাধন সম্ভৱ কৰি তুলিব পাৰে। কেৱল প্ৰাকৃতিক সম্পদৰ পৰ্য্যাপ্ততা আৰু প্ৰাচুৰ্য্যতাই তাক সম্ভৱ কৰি তুলিব নোৱাৰে। মানৱ সম্পদৰ উৎকৰ্ষ সাধনৰ যোগেদিহে প্ৰাকৃতিক সম্পদৰ সৎব্যৱহাৰ কৰিব পৰা যায়। প্ৰাকৃতিক সম্পদত অনুন্নত দেশবোৰেও মানৱ সম্পদৰ উৎকৰ্ষ সাধনৰে তাৰ ক্ষতিপূৰণ কৰি তুলিব পাৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপান এই ক্ষেত্ৰত নিদৰ্শন স্বৰূপ। বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু কাৰিকৰী বিজ্ঞানৰ উৎকৰ্ষ সাধনো মানৱ সম্পদৰ বিকাশ সাধনৰ যোগেদিয়ে সম্ভৱ হৈ উঠিব পাৰে ।

মানৱ সম্পদৰ উৎকৰ্ষ সাধনৰ একমাত্ৰ উৎস আৰু উপায় হৈছে শিক্ষা। সেই বাবে শিক্ষাবিদ, অৰ্থনীতিবিদ তথা ৰাজনীতিবিদ সকলৰ দৃষ্টি স্বাভাৱিকতেই শিক্ষাৰ ওপৰত আহি পৰিছে। ইয়াৰ প্ৰাধান্যৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ক মানৱ সম্পদ বিকাশ মন্ত্ৰালয় (Ministry of Human Resource Development) স্বৰূপে পুনৰ নামাকৰণ কৰি তোলা হৈছে। ১৯৬৪-৬৬ চনৰ কোঠাৰি আয়োগে দেশৰ এই মানৱ সম্পদৰ শিক্ষা আৰু বিকাশ সাধনৰ বাবে গণিত, বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ শিক্ষাৰ ওপৰত অগ্ৰাধিকাৰ দিছে। কৃষি শিক্ষা বিকাশৰ বাবে আয়োগে বিস্তৃত আচনি দাঙি ধৰিছে। সেয়েহে মানৱ সম্পদৰ বিকাশ সাধনত আজিৰ শিক্ষাই এক গুৰু দায়িত্ব বহন কৰিব লগা হৈছে।

শিক্ষাৰ যোগেদি মানৱ সম্পদ বিকাশ সাধনৰ প্ৰথম পদক্ষেপ হৈছে সৰ্বসাধাৰন লোকক সাক্ষৰতা দান কৰা।(giving literacy to people) । সাক্ষৰতাইহে তেওঁলোকৰ জ্ঞানৰ চকু মেল খুৱাব পাৰে আৰু বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ প্ৰয়োগৰ দিশত বাট দেখুৱাব পাৰে। যিহেতু নিৰক্ষৰ লোকসকলেই দেশৰ দৰিদ্ৰতা, অৰ্থনৈতিক অনগ্ৰসৰতা আৰু মানৱ সম্পদৰ বিকাশ সাধনৰ দিশত প্ৰধান প্ৰতিবন্ধকতাস্বৰূপে থিয় দিয়ে, সেয়েহে এই ক্ষেত্ৰত সৰ্বসাধাৰণ লোকক সাক্ষৰতা প্ৰদান কৰাটো প্ৰধান কৰ্তব্য হোৱা উচিত।

শিক্ষা আৰু অৰ্থনৈতিক বিকাশৰ লগত সৰ্বসাধাৰণ লোকৰ স্বাস্থ্য ৰক্ষাৰ দিশটো জড়িত হৈ আছে। শিক্ষাবিহীন দৰিদ্ৰ আৰু স্বাস্থ্যহীন লোক কেতিয়াও দেশৰ জনশক্তিত পৰিনত হ'ব নোৱাৰে। স্বাস্থ্যহীনতাৰ প্ৰধান কাৰণ হৈছে শিক্ষাবিহীনতা আৰু দৰিদ্ৰতা। স্বাস্থ্যৰক্ষাৰ মৌলিক জ্ঞান আৰু নীতিসমূহৰ বিষয়ে সেয়েহে এইসকল লোকক অৱগত কৰাটো আজিৰ শিক্ষাৰ এক প্ৰথম আৰু প্ৰধান দায়িত্ব বুলিব পাৰি। স্বাস্থ্য ৰক্ষাৰ প্ৰসঙ্গঁত তেওঁলোকৰ মনত থকা অন্ধ-বিশ্বাস, কু-সংস্কাৰ আদি জন-স্বাস্থ্যৰ বিকাশ সাধন (Development of public health) বিভাগৰেই অন্তৰ্ভূক্ত। ইয়াৰ উপৰি দেহিকভাবে বাধাগ্ৰস্ত লোকসকলক প্ৰয়োজনীয় শিক্ষাৰে অৰ্থনৈতিক ভাৱে আত্মনিৰ্ভৰশীল কৰি তোলাটোও মানৱ সম্পদ বিকাশ সাধনত শিক্ষাৰ অন্তৰ্ভূক্ত হৈ উঠিব লাগে।

জনসংখ্যাৰ বিস্ফোৰণমূলক পৰিস্থিতি ৰোধ কৰাটো আজিৰ মানুহৰ বাবে এক জটিল বাস্তৱ সমস্যাত পৰিগণিত হৈছে। এই সমস্যাই দেশৰ সকলো অৰ্থনৈতিক উন্নয়নমূলক আঁচনি নিৰৰ্থক কৰি তুলিছে। মন কৰিবলগীয়া যে এই বৰ্ধিত জনসংখ্যা নিৰক্ষৰ আৰু অৰ্থনৈতিকভাৱে পিচপৰা দুৰ্বল শ্ৰেণীৰ লোকৰ মাজত অধিক হৈ উঠি দেশৰ জনসম্পদৰ বিকাশ সাধন আঁচনিত এই দিশটোৱে স্বাভাৱিকতেই প্ৰাধান্য লাভ কৰি উঠিছে। জন্ম নিয়ন্ত্ৰণৰ বিভিন্ন আঁচনি ৰাষ্ট্ৰই বাধ্যতামূলকভাৱে গ্ৰহণ কৰি জনসংখ্যা নিয়ন্ত্ৰণত শিক্ষা ব্যৱস্থা গ্ৰহণ কৰা উচিত। জন্ম নিয়ন্ত্ৰণৰ প্ৰতিৰোধমূলক ব্যৱস্থাসমূহ নৱ-বিবাহিত সকলে গ্ৰহণ কৰাৰ সামাজিক পৰিবেশ এটা সৃষ্টি কৰি তুলিব লাগে। ইয়াৰ বাবে পৰিয়াল পৰিকল্পনা আৰু পৰিয়াল কল্যাণ আঁচনি দৃঢ়তাৰে কাৰ্য্যকৰী কৰি তুলিব লাগে। ইয়াৰ উপৰিও জনসংখ্যা বৃদ্ধিয়ে ভৱিষ্যত প্ৰজন্মৰ বাবে সৃষ্টি কৰি তোলা ভয়াবহ পৰিস্থিতি সম্বন্ধে অৱগত কৰি তাৰ প্ৰতি সাৱধানতা গ্ৰহণৰ ব্যৱস্থা স্বৰূপে স্কুলত যৌন শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মানৱ সম্পদৰ বিকাশ সাধন আঁচনিৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে মানুহৰ সুপ্ত আৰু অন্তৰ্নিহিত ক্ষমতাক মনোবৈজ্ঞানিকভাৱে চিনাক্তকৰণ কৰা আৰু সেইমতে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা। বৰ্তমান মনোবিজ্ঞানত এই কথা অনুভৱ কৰা হৈছে যে প্ৰতিটো কামৰ বাবেই ব্যক্তিৰ পৃথক-পৃথক দেহ মানসিক যোগ্যতা বা অভিক্ষমতাৰ প্ৰয়োজন আৰু ই সকলোৰে সমান ভাবে নাথাকে। সেইবাবে যি ব্যক্তি যি কামৰ বাবে উপযুক্ত সেইমতেহে তেওঁক শিক্ষা আৰু কৰ্মনিযুক্তি দিয়া উচিত। সেয়েহে সুপ্ত শক্তিৰ উদ্ভাৱন আৰু চিনাক্তকৰণ (Identification of innate aptitudes) মানৱ সম্পদৰ বিকাশ সাধনৰ এক বিজ্ঞানভিত্তিক কাৰ্য্যব্যৱস্থা স্বৰূপ।

মানৱ সম্পদৰ বিকাশ সাধনত শিক্ষাৰ ভূমিকাৰ দিশলৈ লক্ষ্য কৰি ক্ৰিয়া পটুতাৰ প্ৰশিক্ষণ (Training in Skills ) ব্যৱস্থা থকাটোও বাঞ্চনীয়। প্ৰতিটো কামৰে ধৰণ বা প্ৰকৃতি মনোবৈজ্ঞানিকভাবে অধ্যয়ন কৰি উঠি তাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে বৰ্তমানৰ সময়োপযোগীকৈ প্ৰশিক্ষণৰ কাৰ্য্যসূচী আৰু বিষয়সূচী প্ৰস্তুত কৰা বিশেষজ্ঞ প্ৰশিক্ষক নিয়োগ কৰা আৰু অত্যাধুনিক কৰিকৰী কৌশলযুক্ত সা-সজুঁলিৰে কৰ্মশালা বা প্ৰয়োগশালা প্ৰস্তুত কৰি তোলাটোও অতি প্ৰয়োজন। বিভিন্ন ক্ৰিয়াৰ বাবে ভিন্ ভিন্ সঞ্চালণমূলক ক্ৰিয়া পটুতাৰ প্ৰয়োজন হয়, যাৰ স্বৰূপ মনো বিজ্ঞানৰ (Psycho-motor) বিশেযজ্ঞৰ দ্বাৰা নিৰ্ধাৰণ কৰিব লাগে। সঞ্চালনৰ স্থিৰতা সঞ্চালনৰ দ্ৰুততা আৰু সঠিকতা, সঞ্চালনৰ নিয়ন্ত্ৰণ আৰু সমন্বয় সাধন আদি সূক্ষ্ম ক্ৰিয়া দক্ষতাৰ লগত আমাৰ পৰিচয় থাকিব লাগে। ইয়াৰ বিজ্ঞানভিত্তিক শিক্ষাৰ এক ব্যৱস্থা গঢ় দি তুলিব পাৰিলেহে অৰ্থনৈতিক দিশত অধিক উৎপাদন আৰু উৎপাদিত

দ্ৰব্যৰ গুণমান উন্নত কৰি তুলিব পৰা যায়।

দেশৰ নিবনুৱা সমস্যাৰ উপযুক্তভাৱে সমাধান কৰিবৰ বাবে নতুন নতুন কৰ্ম-নিযুক্তিৰ সম্ভাৱনীয়তাসমূহো উদঘাটন কৰি (Finding avenues of employment)সেইমতে কৰ্ম নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে শাসক বৰ্গ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই কৰ্ম নিযুক্তিৰ নীতি নিৰ্দ্ধাৰণ কৰি তুলিব লাগে। ক্ৰিয়া বিশেষীকৰণ আৰু বিশিষ্ট প্ৰশিক্ষণৰ ব্যৱস্থাই স্বাভাৱিকতেই কৰ্ম-নিযুক্তিৰ ন ন সম্ভাৱনীয়তা সৃষ্টি কৰি তুলিব পাৰে। এই সমূহত উপযুক্ত ব্যক্তিক নিয়োগ কৰিবৰ বাবে কৰ্ম-নিযুক্তিৰ নীতি কঠোৰভাৱে পালন কৰিব লাগে। মানৱ সম্পদৰ সৎ-ব্যৱহাৰকৰণত কৰ্মৰ নতুন নতুন সম্ভাৱনীয়তাৰ উদ্ভাৱন কৰা আৰু কৰ্ম নিযুক্তিৰ নীতি যথাযথ ভাৱে পালন কৰাৰ ওপৰত বিশেষ ভাৱে নিৰ্ভৰ কৰে। ইয়াৰ বাবে অনিয়ম, ব্যতিক্ৰম, স্বজন-প্ৰীতি আদি দৃঢ়তাৰে ৰোধ কৰিব লাগে। এই ক্ষেত্ৰত প্ৰশাসনীয় সততা, দক্ষতা আৰু দুৰ-দৃষ্টিৰো অতি প্ৰয়োজন।

মানৱ সম্পদ বিকাশ সাধনৰ বাবে কৃষি-শিক্ষা ব্যৱস্থাৰ (Provision for Agricultural Education) প্ৰতিও গুৰুত্ব প্ৰদান কৰা উচিত। মানৱ সম্পদৰ সৎ-ব্যৱহাৰ কৰণৰ বাবে কৰ্ম নিযুক্তিৰ সম্ভাৱনীয়তাৰ দিশত কৃষি শিক্ষা বিশেষ বিবেচনাযোগ্য। সকলো শিল্প-উদ্যোগ আৰু কৰ্ম ক্ষেত্ৰৰ মূল উৎস স্বৰূপ হৈছে কৃষি। এই কৃষি বিভাগটোৱে সমাজৰ শিক্ষিত, অশিক্ষিত আৰু অৰ্ধশিক্ষিত সকলো শ্ৰেণীৰ লোককে কৰ্ম নিযুক্তিৰ দিশত সামৰি লব পাৰে। কৃষি-শিক্ষা বৰ্তমান অধিক বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞান ভিত্তিক হৈ উঠা বাবে কৃষি ভিত্তিক শিল্প-উদ্যোগ আৰু সেই সম্বন্ধীয় প্ৰশিক্ষণৰ প্ৰচুৰ সম্ভাৱনীয়তাই দেখা দিছে। ই গাঁও আৰু নগৰ উভয় অঞ্চলৰ লোকৰ বাবে কৰ্ম-নিয়োজন আৰু স্বনিয়োজনৰ সুবিধা প্ৰদান কৰিব পাৰে। কৃষিৰ ওপৰত ভিত্তি কৰি কৃষি গৱেষণা, কৃষি ৰসায়ন, মাটিৰ শ্ৰেণীকৰণ আৰু উৰ্বৰাকৰণ, জলসিঞ্চন, সাৰ প্ৰয়োগকৰণ, কীটনাশক ঔষধৰ প্ৰয়োগকৰণ, উন্নত জাতৰ গুটি সংৰক্ষণ, কৃষি সা-সৰঞ্জাম উদ্ভাৱন আৰু মেৰামতিকৰণ, শস্য সংৰক্ষণ আৰু বিতৰণ আদি বিবিধ সংশ্লিষ্ট দিশত অধ্যয়ন আৰু কৰ্ম নিযুক্তিৰ সম্ভাৱনীয়তা নিহিত হৈ আছে। এই সমূহৰ পূৰ্ণ উপযোগিকৰণেৰে মানৱ সম্পদৰ শিক্ষা বিকাশ নিশ্চিত ৰূপত কৰি তুলিব পাৰি।

মানৱ সম্পদৰ বিকাশৰ ক্ষেত্ৰত বৃত্তীয় শিক্ষা নিৰ্দেশনাই (Vocational education and guidance) এক বিশেষ স্থান দখল কৰাটো আমাৰ দৃষ্টিগোচৰ হয়। সেয়েহে মাধ্যমিক শিক্ষাত বৃত্তিমুখীকৰণৰ এক বিশেষ প্ৰভাৱ আছে। এই পৰ্য্যায়ৰ শিক্ষাই দেশৰ আৰু সমাজৰ মধ্যমবৰ্গৰ জন শক্তিৰ(middle level man-power)বিকাশ সাধনত প্ৰত্যক্ষভাৱে সহায় কৰে। দেশৰ কল-কাৰখানা, শিল্প-উদ্যোগ আৰু কৃষি ক্ষেত্ৰ আদিৰ উৎপাদনত এই সকল লোক প্ৰত্যক্ষভাৱে জড়িত থাকে। তেওঁলোকে মাধ্যমিক শিক্ষাৰ কালছোৱাত বৃত্তিমূলক শিক্ষা লাভ কৰি উঠিব পাৰিলে দেশৰ অৰ্থনৈতিক উৎপাদনত নিশ্চিত বৰঙনি আগবঢ়াব পাৰে। ইয়াৰ উপৰি মাধ্যমিক পৰ্যায়ৰ শিক্ষাত নিৰ্দেশনা সেৱা(guidanca service) যুৱক-যুৱতী সকলক আগবঢ়াব পাৰিলে তেওঁলোকৰ অন্তৰ্নিহিত ক্ষমতা আৰু সম্ভাৱনীয়তা সমূহ সুস্থ গঠনাত্মকভাৱে প্ৰয়োগ কৰিব পৰা যায়। উল্লেখযোগ্য যে এই নিৰ্দেশনা হোৱাৰ প্ৰভাৱত দেশৰ যুৱক-যুৱতী সকলে নিজ শক্তি ক্ষমতাৰ আৰু উপযুক্ততাৰ সঠিক ধাৰণা কৰি উঠিব নোৱাৰে যাৰ ফলত নিজ যোগ্যতা আৰু প্ৰতিভাৰ অপমৃত্যু হৈ দেশৰ মানৱ সম্পদৰ বিৰাট অপচয় আৰু ক্ষতিসাধন কৰি তোলা হয়।

শেষতীয়া মন্তব্য ইয়াকে কব পৰা যায় যে দেশৰ মানৱ সম্পদৰ সংব্যৱহাৰ কৰণ আজিৰ শিক্ষাৰ এক বিশেষ গুৰুত্ব সহকাৰে কৰিবলগা চিন্তাৰ বিষয়। শিক্ষাৰ অৰ্থপূৰ্ণ বিকাশ, অৰ্থনৈতিক উন্নতি প্ৰগতি আৰু সৰ্বসাধাৰণলোকৰ সুস্থ, সুন্দৰ আৰু সুখী জীৱন-যাপন ইয়াৰ ওপৰত একান্ত নিৰ্ভৰশীল।



# কবিতাৰ কৰনীত


**শান্তি** - মঃ ৰূপধন আলি, স্নাতক তৃতীয় বৰ্ষ

**মানৱ জীৱন** - শ্ৰী ৰংপী বৰঠাকুৰ, স্নাতক দ্বিতীয় বৰ্ষ, (পৃষ্ঠা/১৩)

**মোৰ বাসনা** - শ্ৰী ৰাজু কলিতা, স্নাতক দ্বিতীয় বৰ্ষ

**মোৰ প্ৰেম আৰু কবিতা** - শ্ৰীৰজত শইকীয়া, স্নাতক দ্বিতীয় বৰ্ষ, (পৃষ্ঠা/১৪)

**আইৰ পূজালৈ** - মিচ্ নিবেদিতা দে, স্নাতক দ্বিতীয় বৰ্ষ

**সাম্প্ৰতিক** - শ্ৰীদ্বিপেন বৈশ্য, স্নাতক তৃতীয় বৰ্ষ, (পৃষ্ঠা/১৫)

**তোমাক ইমান গোপনে গোপনে** - শ্ৰীঅচ্যুত কুমাৰ ডেকা, স্নাতক প্ৰথম বৰ্ষ

**ৰঙা ফিটাৰ ফাইলত বন্দী** - শ্ৰীপ্ৰাঞ্জল শৰ্মা, স্নাতক তৃতীয় বৰ্ষ, (পৃষ্ঠা/১৬)

**সংকল্প** - শ্ৰীগণেশ শীল, স্নাতক দ্বিতীয় বৰ্ষ

**ৰিক্ত মন** - শ্ৰীগিতালী শৰ্মা, স্নাতক দ্বিতীয় বৰ্ষ, (পৃষ্ঠা/১৭)

**বিদায়** - শ্ৰীনিতু ডেকা, উঃ মাঃ প্ৰথম বৰ্ষ

**ব্যস্ততা** - শ্ৰীকুশল গোস্বামী, স্নাতক দ্বিতীয় বৰ্ষ , (পৃষ্ঠা/১৮)

**কবিতা** - শ্ৰীফুলমনি ওজা, উঃ মাঃ প্ৰথম বৰ্ষ

**অসমৰ বাসিন্দা** - শ্ৰীদেৱজিৎ কলিতা, স্নাতক তৃতীয় বৰ্ষ, (পৃষ্ঠা/১৯)

**ধৰিত্ৰী** - শ্ৰীহৰিশ কলিতা, স্নাতক দ্বিতীয় বৰ্ষ

**স্বাধীনতা** - শ্ৰীমনোজ কুমাৰ শৰ্মা, স্নাতক দ্বিতীয় বৰ্ষ , (পৃষ্ঠা/২০)

**বৰষুণৰ অপেক্ষাত** - শ্ৰীমৃদুল গোস্বামী, স্নাতক দ্বিতীয় বৰ্ষ

**হৃদয়ৰ বেদনা** - শ্ৰীজোনালী শৰ্মা, উঃ মাঃ প্ৰথম বৰ্ষ, (পৃষ্ঠা/২১)

**এটা কবিতা** - শ্ৰীৰুমী ডেকা, স্নাতক দ্বিতীয় বৰ্ষ

**অপেক্ষা** - শ্ৰীশেৱালী চৌধুৰী, উঃ মাঃ দ্বিতীয় বৰ্ষ, (পৃষ্ঠা/২২)

**অনুৰোধ** - শ্ৰীপুলমা মেধি, স্নাতক দ্বিতীয় বৰ্ষ

**অস্থিৰ ক্ষণত** - শ্ৰীনিপম ৰাজবংশী, স্নাতক দ্বিতীয় বৰ্ষ , (পৃষ্ঠা/২৩)

**এটা কবিতা** - শ্ৰীপাপৰি কলিতা, স্নাতক তৃতীয় বৰ্ষ

**বহাগৰ চিঠি** - মিচ্ চন্দনা দেৱী, উঃ মাঃ প্ৰথম বৰ্ষ, (পৃষ্ঠা/২৪)

*(অতিথি কবিতা)*

-এৰাল- নীলিম কুমাৰ

(পৃষ্ঠা/২৫)


***--000--***



## “শান্তি”

ৰূপধন আলি
স্নাতক তৃতীয় বৰ্ষ

তুমিনো আজি ক'ত?
কোনোৱে কয়
তুমি আজি আকাশৰ ডাৱৰত
কোনোৱে কয়
তুমি আছা
সীমান্তৰ প্ৰান্তৰত,
আৰু কোনোৱে কয়
তুমি হেনো আছা
মলয়াৰ প্ৰতিটো বাৰুদৰ ছন্দত
কিন্তু ..................................
মইতো বিছাৰিছোঁ তোমাক
আকাশৰ সীমান্তলৈ, সাগৰৰ
গভীৰলৈ,
আৰু বিছাৰিছোঁ মলয়াৰ প্ৰতিটো ছন্দে ছন্দে
ক'তা?
তুমিতো আজি কতোৱেই নাই
হঠাৎ শুনিলো সিহঁতে বেছি দিলে
কাৰ্গিল, বাংলাদেশ, আৰু ভূটানৰ
সীমান্তই সীমান্তই।।

## মানৱ জীৱন

ৰংপী বৰঠাকুৰ
স্নাতক দ্বিতীয় বৰ্ষ

প্ৰতিটো খোজতে খাওঁ উজুটি
আছে গৈ যাব বহু বাট।
বোকাময় পথ
অ'ত ত'ত পৰি আছে কাঁইট
বোকাৰ মাজত।
এন্ধাৰ জগৎ
নাপাওঁ চিনি বাট পথ
যাব আগুৱাই।
চাৰিও ফালে
আছে উৰি জোনাকী পৰুৱা
ক্ষীণ পোহৰ বিলায়।
নাপাওঁ দেখা
বোকাৰ মাজৰ কাঁইট
জোনাকী পৰুৱাৰ পোহৰত।
আছে টানি
পিছ পিনৰ পৰা মৃত্যুৱে
নিদিয়ে যাব আগুৱাই।
লৈ যায়
আধা বাটৰ পৰা ঘূৰায়
স্বৰ্গগত ৰথত উঠাই।
ৰৈ যায়
বহুটো কৰণীয় কাম
ভবিষ্যতে কৰিম বুলি থোৱা।
আতৰি যাওঁ
মৃত্যুৰ লগত চিৰদিনৰ বাবে
আঘাট দি আত্মীয়ৰ মনত।
(স্বৰ্গীয় মোহনচন্দ্ৰ কলিতা চাৰৰ স্মৃতিত।)

## মোৰ বাসনা

শ্ৰী ৰাজু কলিতা

ভাবিছিলো মই বহুতো উৰিম
তোমাৰ পৰশ পাই।
মনৰ ডেউকা ভাগি গ'ল মোৰ
তোমালৈ বাট চাই।।

কাৰ পৰশত ফুলিলো মই
হে গোলাপৰ পাহি।
আলফুলে কৰি মোৰ ফালে চাই
কোনেনো মাৰিলে হাঁহি।।

হৃদয়ৰ ফুল কাকনোদিলো
গমকে নাপালো মই।
যদি ভুল হৈছে ক্ষমিবা মোক
তুমি প্ৰভু দয়াময়।।

বহুতো আশা বুকুত সাৰতি
সাগৰত মেলিলো নাও।
মাজ সাগৰত নাও ও বুৰিল
এতিয়া নাপাওঁ পাৰ।।

মনপাখি মোৰ মেঘৰ মাজেৰে
তোমাক বিচাৰি যায়।
দিবা জানো তুমি চৰণত ঠাই
কৃপাৰ চকুৰে চাই।।

মায়াৰ শয্যাত শুই শুই আৰু
কতনো কৰিমকেলি
আহা আমি মিলি সত্যক বিচাৰোঁ
জ্ঞানৰ চুক মেলি।।



## মোৰ প্ৰেম আৰু কবিতা

শ্ৰী ৰজত শইকীয়া

বহু ভাবিওঁ প্ৰেয়সীক কব খোজা
অ প্ৰকাশিত ক'ত কথা
তাৰে কিছু লিখি যাওঁ শাৰী পাতি
সেয়া জানো হব কবিতা,
এটি প্ৰেমৰ কবিতা?
স্মৃতিৰ ধূসৰতা আতঁৰালৈই ঘুৰি যাওঁ
সেই সোণোৱালী অতীতলৈ
তোমাক প্ৰথম দেখা দিনলৈ
সেই চুৰ কৰি হাঁহি মৰা
তোমাৰ মুখনিলৈ
চাওঁতেই কুৰিটা বছৰে গৰকি গ'ল
তাৰ প্ৰত্যক মুহূৰ্তইতো
মোৰ বাবে কবিতা
তাকে যদি লিখি যাওঁ শাৰী পাতি
সেয়া জানো হব কবিতা
এটি প্ৰেমৰ কবিতা!



## আইৰ পূজালৈ

মিচ্ নিবেদিতা দে

মনত পৰেনে
আইৰ পূজালৈ
মনত পৰেনে
শঙ্খ ধ্বনি বজাবলৈ
এতিয়াতো নিবিচাৰো
শঙ্খ, ঘন্টাৰ ধ্বনি
বিচৰা মাথোন
বাৰুদৰ খলকনি
কি ফুল বিচৰা
তইৰ পূজালৈ
হোজাৰ বিজাৰ সৰল মানৱৰ
বেদনাৰ অশ্ৰুশিক্ত ফুল
ফুলৰ মালাধাৰি কিয়বা লাগিছে
অনিচ্ছাই দেখোন দুবাহুত
নিষ্ঠুৰতাৰ মালাধাৰি
নিষ্ঠুৰতাৰ মালাৰে
বেদনাৰ ফুলেৰে
অশ্ৰু অঞ্জলিৰে
যাচিবা প্ৰণাম
আইৰ পূজালৈ
হিংসাৰ বাৰুদে দেখোন সৰহি পেলালে
ৰক্তজবা কিম্বা শেৱালী, বকুল
চিঙিবাণে ৰক্তজাৱাৰ মালা
মৰমৰ মালাধাৰি বুকুত লৈ
দুবাহুত অহিংসাৰ ধ্বনি লৈ
আহিবানে
আইৰ পূজালৈ।



## সাম্প্ৰতিক

শ্ৰী দ্বীপেন বৈশ্য।

স্বদেশ প্ৰেমৰ বাবে যাক
ভাৰতীয় সেনাৰ দ্বাৰা হত্যা কৰা হ'ল
তাক সন্ত্ৰাসবাদী আখ্যা দিয়া হ'ল
এখামোচ মাটিৰ বাবে গৃহকন্দল
যাৰ ভাতৃহত্যা কৰা হ'ল
তাত সীমাৰ কাজিয়া
বুকুত আছে যাৰ মাও-চে-টুঙৰ আদৰ্শ
সৰ্বত্ৰ এতিয়া আৰোপিত জনজীৱনৰ কান্ধত
নিৰাপত্তাহীনতাৰ গোন্ধ,
য'ত সিঁচি দিয়া হৈছে চৌদিশ
একেটি বীজ
'আতংক'



## তোমাক ইমান গোপনে গোপনে

-শ্ৰী অচ্যুত কুমাৰ ডেকা

তোমাক ইমান গোপনে গোপনে চুই আছোঁ যে
সাগৰৰ দৰে সাৰটি ধৰিছোঁ তোমাৰ
সোণবৰণীয়া দুখ।
কি ঋতুত তুমি মোৰ হাতত হাত থ'বা
কি বতাহত তুমি মোৰ গান হ'বা
মই তোমাৰ চুলিৰ মেঘত সনা আছোঁ
মই তোমাৰ অশ্ৰু গোলকত ওপঙি আছোঁ
কি সাজত তুমি মোৰ পদুলি শুৱাবা
কি লাজত তুমি মোৰ অন্ধকাৰত মুখ লুকুৱাবা
তোমাক ইমান গোপনে গোপনে চুই আছোঁ যে
সাৰ পালেই গম পাবা
মোৰ নিৰ্জন আকুলতা।

## ৰঙা ফিটাৰ ফাইলত বন্দী

শ্ৰী প্ৰাঞ্জল শৰ্মা

ৰঙা ফিটাৰ ফাইলত বন্দী,
এজন সম্ভাৱনাময় যুৱকৰ ;
আশা, আকাংক্ষা, ভৱিষ্যৎ .......।
ফাইলৰ পাতবোৰেই জীৱনধাৰা ।
ফাইলৰ এটা টোকা
একিলো মাছ,
একঠা মাটি,
এজনী সুন্দৰীৰ এনিশাৰ সান্নিধ্য।
সকলো একেই ;
বুজায় বুজি পায়।
মাকৰ শুকান মুখ,
শূণ্য ৰান্ধনীশাল ;
ভৰপূৰ বুকুৰ গাভৰুজনীৰ প্ৰতীক্ষা
এজন যুৱকৰ ভৱিষ্যৎ
চাকৰিৰ দৰ্খাস্তখন,
ৰঙা ফিটাৰ ফাইলত বন্দী।



## সংকল্প

শ্ৰী গনেশ শীল।

আজিলৈকে হোৱানাই যি
সেইবোৰ আমি কৰি দেখুৱাম।
এই আতংক ভৰা পৃথিৱীলৈ
সত্যতা আমি আনি দেখুৱাম।।
ৰাম ৰাজ্যৰ দৰে এই
ভাৰতবৰ্ষকো সাজি তুলিম।
এই ভাৰতত সত্য আৰু মৰ্য্যদাৰ
ফুলৰ বাগিচা সাজিম।।
ভেদা-ভেদ নাইকিয়া কৰি
ফুলেৰে ইয়াক সজাই তুলিম।
এই মৰমৰ ভাৰতবৰ্ষত
স্বদেশ-প্ৰেম জগাই তুলিম।।
স্বদেশ হিতৰ বাবে বলিদান দিয়া
ভাৰবৰ্ষৰ বীৰ স্বহীদ।
তেওঁলোকৰ এই বলিদান
আমি সফল কৰি তুলিম।।
স্বদেশৰ পৱিত্ৰ মাটিৰ পৰা আমি
সকলো দেশদ্ৰোহীক খেদি পঠাম।
আমি আমাৰ স্বদেশৰ নাম
সবাতোকৈ ওখত উঠাম।।

## ৰিক্ত মন

শ্ৰী গিতালী শৰ্মা

যৌৱন নদীৰ কোৱাল সোঁতত
মেলি দিলোঁ
মোৰ হিয়াৰ
নাওখন ....
হয়তো প্ৰেমৰ
উঠিছিল স্পষ্ট হৈ
এখনি এচিনাকি
অস্পষ্ট মুখ
মোৰ মন দাপোনত,
তথাপি যেন
চিনাকি চিনাকি ...;
আহিছিল
হেজাৰ প্ৰতিশ্ৰুতিৰে ...
কিন্তু
জনা নাছিলোঁ
সেই মুখখন
বিশ্বাসঘাটক বুলি ...?
লৈছিলো আকোঁৱালি
সহৃদয়ে ...
কিন্তু ...??
আজি মোৰ
মনৰ গভীৰতাত
লাগি ৰ'ল মাথোঁ
হেজাৰ হুমুনিয়াহ ...,
হয়তো বিতৃষ্ণা
স্বপ্ন ভংগৰ ...??

# ঃবিদায়ঃ

শ্ৰী নিতু ডেকা

বিদায় পৰৰ
প্ৰতিটো ক্ষণত
মৰু ভুমিত
টোপা-টোপে সৰে,
বিষাদৰ নিয়ঁৰ কণা।
বালিঘৰ সাজিছিলো,
বালি ভাত খাম বুলি
লিখি-লিখি
প্ৰানৰন্ত কবিতা।
তথাপি,
মৰুভুমি নহ'ল
জীপাল।
সাৰি সৰি
কাতৰোক্তি নিয়ঁৰ কণা।
কলমৰ ক্ৰন্দনত
কিমান বাৰু সৰিব?
মষী ধোৱা
আত্মগাঁথা
কিদৰে বাধা দিম
বিষাদৰ বন্যা?
বৰী আনিব ধৰিছে
স্বাধীনতাৰ ৰভাতল
আত্মগ্ৰাহী,
আত্মন্তৰী,
বন্যা
জ্ঞানৰ বিশুদ্ধতাত
মাতৃ স্তনৰ
আত্মাশ্লাঘা
বিদায় পৰৰ
প্ৰতিটো ক্ষণত
মৰুভূমিত
টোপা-টোপে সৰে
বিষাদৰ নিয়ঁৰ কনা।



# ব্যস্ততা

শ্ৰী কুশল গোস্বামী

সকলোৰে যেন কিহবাত ব্যস্ত।
সেই যে দেখিছা মানুহবোৰ,
স্তব্ধ হোৱা নাই সিহঁতৰ গতি,
এপলকো যেন আহৰি নাই সিহঁতৰ।
অথচ কব নোৱাৰে তেওঁলোকে ;যদি
তুমি সোধা সিহঁতৰ কাৰণ ব্যস্ততাৰ।
তুমিওটো কৰবাত কেতিয়াবা ব্যস্ত থাকা
মই কিন্তু ধৰিব নোৱাৰো, তোমাৰ এই কাৰণ ব্যস্ততাৰ।
কিন্তু, ময়োতো কোনো কামতে ব্যস্ত নাই।
অথচ মোৰ কোনো আহৰি নাই।
ময়তো নোৱাৰো কব কিহত এই ব্যস্ততা?
কব পাৰিবা নেকি ইয়াৰ কাৰণ তুমি?
যদিও মই ধৰিব নোৱাৰো কাৰণ ইয়াৰ,
তথাপি মই ব্যস্ত থাকিবলৈ
চেষ্টা কৰো, তোমাৰ কথা ভাবি।





# কবিতা

শ্ৰী ফুনুমণি ওজা

প্ৰকৃতিৰ নিৰব ভাষাই
মোৰ প্ৰেম, মোৰ হৃদয়ৰ
বহল সাগৰ।

শান্ত নীলা আকাশেই, মোৰ ভাষা,
মোৰ ৰাতিৰ সপোন।

শান্ত আকাশৰ সীহ বগা ডাৱৰেই
মোৰ হাঁহি, মোৰ, কান্দোন।

প্ৰকৃতিৰ বোৱতী নৈ বোৱৈই
মোৰ কামনা, মোৰ চেতনা,
মোৰ বুকুৰ মৌন ভাষা।

# অসমৰ বাসিন্দা

শ্ৰী দেৱজিৎ কলিতা

আমাৰ বুকুৰ সপোনটি
সপোন হৈয়ে থাকি যায়
দিঠকৰ বাগিছাত নুফুলে
কল্পনাৰ জক্‌মকীয়া গোলাপটি।
ফুলিব কেনেদৰে ....
সপোনৰ পৰা দিঠকলৈ বুলি
বাট বুলিবলৈও যে
সিহঁতে আমাৰ
ভৰিবোৰ ৰাখি যোৱা নাই।
সেয়েহে আমি ক'ব পাৰো
আমি অসমত বাস কৰিছো।

## ধৰিত্ৰী

শ্ৰী হৰিশ কলিতা

শাওঁণৰ ভৰ দুপৰীয়া
তীব্ৰবেগে সিহঁতে দৌৰিছে...
ধৰিত্ৰীক ধৰিবলৈ।
সিহঁতৰ হাতে হাতে অস্ত্ৰ
কিজানিবা কাটি পেলাব,
বহু দৌৰৰ অন্তত কৰায়ত্ব।
তাইৰ উদ্ধত উৰ্বৰ-বুকুত সিহঁতৰ আবেক্ষণত
আৰম্ভ উন্মক্ত ঘোঁৰাৰ ৰণ,
তাইৰ দেহত মাতৃত্বৰ বীজ।
তথাপি;
তাই নিৰুত্তৰ
শান্ত, সৌম্য
যেন কোনো এক দেৱী মানৱৰ !
বিজয়ী বীৰৰ দৰে সিহঁতে উভতি গ'ল,
মনত কামনাৰ পূৰ্ণ পৰিতৃপ্তি হ'ল।
ধৰিত্ৰীৰ মনতো জাগি উঠিল বাসনাৰ ঢ'ল...

মাতৃত্বৰ!
সময়ৰ সোঁতত জন্ম বীজৰ'
সিহঁতৰ হৃদয়ত জাগি উঠিছে বাসনাৰ ঢল...
পিতৃত্বৰ !
জোৰকৈ কাঢ়ি নিলে 'বীজক'
উদং কৰি বুভুক্ষা হৃদয়
তথাপি
তাই নিৰুপায়, নিৰুত্তৰ ।।





## স্বাধীনতা

শ্ৰী মনোজ কুমাৰ শৰ্মা

মানিব নোখোজা স্বাধীনতাৰ শিকলিডাল
চিগিব খুজিছিল।
বুলেটেৰে গৰকি সিহঁতৰ
কামি হাড় ভাগি পেলাইছিল।
সন্ধিয়াবোৰে জাননী দিছিল অনধিগম্য
নিশাৰ বাতৰি ফেঁচাৰ কুৰুলিয়ে।
গাওঁৰ জুপুৰী বিলাকৰ পৰা অহা
ধিমিক্ ধামাক্ পোহৰ বোৰেও
নিতাল মাৰিছিল।
ক্ৰমে চমু চাপি আহিছিল বুলেটৰ শব্দবোৰ ;
শ্বাস প্ৰশ্বাসৰ বায়ুখিনিও যেন অৱৰুদ্ধ হব খুজিছিল।
অসংলগ্ন নহৈও যেন সিহঁতৰ দুৰ্ব্বাৰতাৰ
বলি হৈছিল।
ৰাস্তাৰ শুকান বালিবোৰ তিতিছিল,
বাৰুদৰ সৌহাৰ্য্যতাত তেজৰ বৰ্ষাৰে।
বাক্‌ৰুদ্ধ কৰি সিঁহতৰ শৰীৰবোৰ
জাপি দিয়া হৈছিল টায়াৰৰ মাজত।
বসন্তৰ কুলিৰ সুহুৰিও যেন নোহোৱা
হৈছিল ধুমুহাত ডেউকা ভগা পক্ষীৰ বিননিত।
সংগী হৈছিল মাথো মনত নিস্তব্ধতা ....... ।।



## বৰষুণৰ অপেক্ষাত

মৃদুল গোস্বামী

মুষলধাৰে সৰি পৰক এজাক বৰষুণ
কৰক উদ্ধাৰ দুৰ্‌ৰিডৰা ক্লেদময়।

অবিধিৰ আঁৰ লৈ সূৰুজে
নিলে শুকাই সেউজী ধৰাক
প্ৰচণ্ড খৰত নিমগ্ন ভাৰতৰ
দুৰ্‌ৰিডৰা এটি অংশ ক্ষুদ্ৰ।

আছিল এনেহে দিন, য'ত
আশিষ বিচাৰি শিৰত লোৱা হৈছিল
কেইটামান নিৰ্বাচিত আগ, দুৰ্‌ৰিডৰাৰ।
যত্ন কৰা হৈছিল
পানী চৰোৱা হৈছিল নিতে
জেওৰা জপনাৰ আবেষ্টনত।

লহপহকৈ বাঢ়িছিল
গাঁঠিয়ে গাঁঠিয়ে জাগিছিল আগ
নিৰ্ভয়ে, নিশ্চিন্তে।

কালৰ সোঁততো আছে খলাবমা।
আহিল বান হিলদোল ভঙা,
সাতদিন সাতৰাতি নিমজ্জমান ধৰা।

বন্যাৰ অন্তত দুষ্কৰ্ম সূৰুজৰ
ৰ'দৰ তাণ্ডৱত,
অথিৰ দুৰ্‌ৰিডৰা, বেদনাক্লিষ্ট
পোৰা পিঠি ধাৰণ কৰি।

গৰু ছাগলীৰো অভক্ষ্য
গচকা-গচকি যায় প্ৰাণ
ক্লেদময় দুৰ্‌ৰিডৰালৈ নাচায় কোনেও
হায়ৰে বিধাতাৰ বিধান।

বৰ্তমানৰ প্ৰাৰ্থনাৰ ছন্দ,
লাগে নিষ্কৃতি দুৰ্‌ৰিডৰাক
এজাক বৰষুণেৰে
মুষলধাৰে সৰি পৰা।।



## হৃদয়ৰ বেদনা

শ্ৰী জোনালী শৰ্মা

সুন্দৰৰ জয়েহে কৰে জীৱন মহিমাময়...
নিঃকিন হৃদয়তে আছে মোৰ
কল্পনাৰ অনন্ত সাগৰ।
এই সাগৰেই গিলি থওক
সমস্ত বিপদ, উদাত্ত নিৰ্যাতন
বাঢ়ক বাঢ়ক আজি সুন্দৰৰ আয়তন।
মোৰ মৰম সাগৰৰ উষান।
উদাৰ, গভীৰ, উত্তাল, অথচ শীতল,
সৃষ্টিৰ প্ৰেৰণাৰে জীৱন মঙ্গল।
শীতৰ প্ৰকোপে ক্ষুব্ধ হিয়াত মোৰ
বান্ধি গ'ল বহু অন্তৰায়,
হে মোৰ হৃদয়ৰ অসীম সাগৰ-
আহা তুমি ঢৌ তুলি আহা
নিয়া তুমি আতৰাই
হে বিৰামহীন সহৃদয়
তোমাৰ তীৰত তীৰ কঁপে থৰ হয়
সঞ্জীৱিত কল্পনাৰে নিঃকিন কবিৰ হৃদয়।

## এটা কবিতা

শ্ৰী ৰুমী ডেকা

যেতিয়াই মনলৈ আহে
দুখ আৰু বেদনা,
তেতিয়াই জন্ম দিওঁ
নিৰিহ ভাষাৰ এটি দুটি কবিতা।
পূৱত উদিত সূৰ্য্য
পশ্চিমত মাৰ গ'ল,
ডেউকা ভগা চৰাইবোৰে
মাথো বিনাই গ'ল।
শুনিছেনে কোনোৱাই
সিহঁতৰ কৰুণ আৰ্ত্তনাদ?
সকলোৱেই দেখোন
আত্মস্বাৰ্থক লৈয়ে বিভোৰ হ'ল।
বিচিত্ৰ পৃথিৱীৰ .........
কি বিচিত্ৰ খেলা,
আমাৰ দৰে মানুহবোৰ
হ'ল যে নিঠৰুৱা
হয়তো কবিতা
নহয়তোবা লিপিকাৰ
বাক্‌ৰুদ্ধ অন্বেষণ।



## "অপেক্ষা"

শ্ৰী শেৱালী চৌধুৰী

কোন বাৰু কাৰ বাবে ৰৈ থাকে,
নোৱাৰে যে কোনেও কবলৈ,
মিছা প্ৰলোভনৰে যে অজলা,
হৈ পৰে অপেক্ষাত বলীয়া।
মিছা আনন্দত নাচি উঠে গা,
জাগি উঠে আনন্দৰ হিয়া,
মানুহৰ আও মানুহৰ ভাও,
নোৱাৰে যে বুজিব কোনেও।
সেয়েহে সদায় ৰৈ থাকে,
অপেক্ষা পদূলিৰ মুখত।



## "অনুৰোধ"

- শ্ৰী পুলমা মেধি

কিমান গুজিম
মোৰ কলমৰ চিয়াহীত
তোমাৰ অভিমান।
তোমাৰ বাবেইতো মই
বাৰে বাৰে বুকুত গুজি লওঁ বিষাদ।
তুমি মোৰ ওচৰলৈ নাহিবা,
নাহাঁহিবা মোৰ দুচকুলৈ চাই আৰু
চকুৰে মোক নকবা তোমাৰ সেই
প্ৰেমৰ ভাষা।
জানা- হাঁহিৰ মাজত লুকাই থাকে
ক'ত মানুহৰ স্বপ্ন ভংগৰ বেদনা।
তুমিটো নিজৰ সপোনবোৰক
নিচুকাই ভাল পোৱা,
কি স্বাৰ্থপৰ তুমি
আপোনজনক হেৰুৱাই
বাউলী হোৱা হৃদয়খন দেখি
তুমি এবাৰলৈও বলিয়া নহ'লা?
কি স্বাৰ্থপৰ তুমি।
মই জানো তোমাৰ নকঁপে
বুকুৰ সেই বালি ঘৰ।
শেষ বাৰলৈ তোমাক
অনুৰোধ কৰিছো,
অভিমানৰ শিকলিৰে
নাবান্ধিবা মোৰ প্ৰেমিক হৃদয়।
মাথো মোক উটুৱাই নিয়া
মানুহ আৰু মানুহৰ ফালে।।

## "অস্থিৰ ক্ষণত"

শ্ৰী নিপম ৰাজবংশী

অস্থিৰতাত দুলি আছিল
আকাশখন
নিৰ্জনতাৰ সমুদ্ৰত আমাৰ
নাবিক মন
মোৰ স্মৃতিবোৰ তোমাৰ বাবে
নিয়ৰৰ বৰষুন
নদীৰ পানীত উগুল থুগুল
আকাশৰ জোন
বতাহত উৰে শিমলুৰ তুল
এয়াযে ফাগুন
এমুঠি আশা তোমাৰ মোৰ
অস্থিৰতাত দুলি আছিল মোৰ হৃদয়খন ।



## এটি কবিতা

শ্ৰী পাপৰি কলিতা

হে মোৰ প্ৰিয়তম কবিতা
তুমি বিষাদ নে নিশাদ?
যদি তুমি বিষাদ হোৱা।
দিব কলিজাৰ হাঁহিয়ে যাতে
কঁপাই তুলিব পাৰে তোমাৰ পৰাণ।।
হে মোৰ প্ৰিয়তম কবিতা
তুমি বিষাদ নে নিশাদ?
যদি তুমি নিশাদ হোৱা!
দিব পাৰো তেজ এটোপাল - ।
মোৰ তেজেৰে যাতে ৰঞ্জিত হৈ
বিলোৱা হিয়াত স্নিগ্ধ জোনাক ।।



## বহাগৰ চিঠি

মিচ্ চন্দনা দেৱী

বহুদিন তোমালৈ
চিঠি লিখিব পৰা নাই মা।
২৪ ঘন্টা এদিনৰ এটা
মধুক্ষণত তোমালৈ
মই বিহুৰ বৰ সেৱা
দুখনি চৰণত জনাইছোঁ।
ভাইটি-ভন্টী আৰু মোৰ সমনীয়া
সকলৰ কুশল কামনা কৰিলোঁ।
মা তুমিটো জানাই
তোমাৰ এই পৰিশ্ৰমী পুত্ৰই
নৈত সাঁকো গঢ়িব পাৰোঁ
পাহাৰ-পৰ্বত সমান কৰিব পাৰোঁ।
মা মই ভালে কুশলে আছোঁ...
মোৰ কান্ধে কঢ়িয়াই বহুতৰ মিঠা মিঠা
আৱেগ, অনুভৱ আৰু বেদনা।
পেপচি, মিৰিণ্ডা, কোকাকোলা
থামচ্ আপ এইবোৰ...
মই পঞ্জীভুক্ত বেদনা কুবেৰ বোৰৰ
নিৰ্দেশত কঢ়িয়াই
প্ৰতি দোকানে দোকানে তুমি মৰম
কৰি লৈ ডাঙৰ কৰা হাত
দুখনেৰে দি ফুৰোঁ।
প্ৰথমা বহাগত, ফাকুৱাতো মই আনন্দৰে
এই কামকৰোঁ মা ...
মই আজি কালি তুমি মতা সোণ, ধনমনি
আদি মাতবোৰ নুশুনাই হৈছোঁ
মই সদায় শুণো আপা, পোৱালি আদি
তীৰ্য্যক নামবোৰ।
মা মোৰ বন্ধুবোৰে
হোটেল, ৰেষ্টুৰা আদিত
পেপচি , কোকাকোলাৰ লগত
সমাৱেশ কৰেনে নকৰে বাৰু?



## অতিথি কবিতা ঃ

নীলিম কুমাৰৰ

### এৰাল

হৃদয়ক এৰাল দি ৰওঁ
নহ'লে ফুল খায়
জেওৰা ভাঙে
পৰৰ বাৰীত সোমায়
গধুলি লৈ আহোঁ
বান্ধি ৰওঁ বুকুৰ গোহালিত
নহ'লে কটিকাৰ দোকানত
দানা খাবলৈ যায়।
এৰাল দি থলেও বিপদ
ঘাঁহ নাখায়
নাখায় গোহালিত
মোৰ চকুৰ লোণ তেজৰ দানা।
নাচায় নামাতে
নকৰে লৰচৰ
চকুলোৰ দৰে টুকি থাকে প্ৰেম
কঁৰো কি?
খুলি দিওঁ নেকি
ডিঙিৰ পঘা
মেলি দিওঁ নেকি মুকলি পথাৰত
এৰাল খুলি তোমাক
অ' মোৰ হৃদয়।

(' নীলিম কুমাৰৰ প্ৰেমৰ কবিতা'ৰ পৰা)



# গল্পৰ বিপনীত


-জেওৰা-

-শ্ৰীমৃদুল গোস্বামী, স্নাতক দ্বিতীয় বৰ্ষ

(পৃষ্ঠা/২৬)

-নতুন আশা-

-শ্ৰীঅৰ্চনা শৰ্মা, উঃ মাঃ দ্বিতীয় বৰ্ষ

(পৃষ্ঠা/২৮)

ৰম্য ৰচনা - টেনচন ফ্ৰী

-শ্ৰীৰংপি বৰঠাকুৰ, স্নাতক দ্বিতীয় বৰ্ষ

(পৃষ্ঠা/২৯)

-অনুভূতি-

-মঃ গোলজাৰ আলি,উঃ মাঃ প্ৰথম বৰ্ষ

(পৃষ্ঠা/৩০)

-অনুসন্ধান-

-শ্ৰীধনজিৎ ভাগবতী, স্নাতক দ্বিতীয় বৰ্ষ

(পৃষ্ঠা/৩১)


--000--




-শ্ৰীমৃদুল গোস্বামী

যোৱা প্ৰায় এমাহ ধৰি ৰমলাজনীৰ মনৰ অসুখ। গিৰিয়েকক কিমান দিন কৈছে বাৰীৰ পিছফালে ভাঙি যোৱা জেওৰাখন থিক কৰি দিবলৈ! কিন্তু গিৰিয়েকৰ সময় নাই। ৰাতি পুৱাই উঠি 'মৰ্ণিংৱাক' লৈ বুলি ওলাই গৈ আঠমান বজাতহে ঘৰ সোমায়। ঘৰ পাইয়েই ভাত বহাবলৈ 'অৰ্ডাৰ' দি কান্ধত গামোচাখন লৈ ৰাজহুৱা পুখুৰীটোলৈ লৰ দিব। তাত সাতুৰি-নাদুৰি ন মান বজাত আহি ভাত পানী খাই চাইকেলখন লৈ অফিচলৈ ওলাই যাব। আবেলি অফিচৰ পৰা অহাৰ পিছততো মানুহজনৰ আদ্ ৰাতিলৈ দেখা দেখিয়ে নাথাকে। গতিকে সময় ক'ত? আৰু জেওৰা বুলিলে বাঁহ দুটামান, কামিলা দুটামানৰ প্ৰয়োজন। এইবোৰ ক'ৰ পৰা আহিব? মাহেকৰ মুৰত যি দুটা পইচা আহে সেই কিতাও সেই ' জীৱনী ৰস'ৰ দোকানলৈ ঢাপলি মেলে। গতিকে 'বাঁহ কিনিবলৈ টকা নাই, কামিলা ধৰিবলৈ পইচা নাই' এইবোৰ অজুহাততে জেওৰাখন হৈ নুঠিল।

মতিৰামে ব্লকত চাকৰি কৰে। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী। চৰকাৰৰ দুখীয়াক 'বাসগৃহ-দান' আচনিৰ জৰিয়তে নিজেও উপকৃত হৈছে। অৱশ্যে এই কাৰণে ওপৰৱালৰ ওচৰত সি ঋণী। বৰ চাহাবৰ বজাৰৰ মোনাটো আনি ঘৰত থোৱা, সৰু ল'ৰা জনক স্কুলৰ পৰা লৈ অহা, কোৱাৰ্টাৰৰ সম্মুখৰ ঢেঁকীয়া, কচু চাফা কৰি দিয়া ইত্যাদি সৰু-সুৰা কাম কৰি দি চাৰক সন্তুষ্ট কৰি এই ঘৰটো সৰকাইছে। ন'হলে তাৰ বাপ সাধ্য- এনে এটা দুটা কোঠাৰ পকীঘৰ বান্ধক। মাজে মাজে ভাবে সি- চৰকাৰে যদি ঘৰৰ দৰে দুখীয়াৰ বস্তিৰ চাৰিসীমাত পকী বেৰ দিয়াৰ ব্যৱস্থাও কৰিলে হয়, তেতিয়া অন্ততঃ ঘৰৰ মানুহজনীকো 'খুচ' কৰিব পাৰিলেহেতেন। যোৱা প্ৰায় এটা মাহে মানুহজনীয়ে তাকটো কম জ্বালাতন কৰা নাই! প্ৰতিটো কথাৰ অন্তত কেৱল জেওৰাখন দিব লাগে। 'নিজে মৰদ হ'লেহে মৰদৰ দুখ বুজিলি হয়'- সি ভোৰ ভোৰাই।

অৱশ্যে ৰমলাৰ খং উঠিবলগীয়া কথাই। দিনৰ দিনটো ঘৰৰ কাম উক্‌টোতেই যায়। তাৰ মাজতে সময় উলিয়াই ফুল, জিকা, লেচেৰা আদিৰ গোঁজ মাৰে। তাকো যদি পৰৰ পঠাই খায়, কাৰনো বাৰু খং নুঠিব? আনৰ পঠা হ'লেও বেলেগ কথা। কিন্তু পঠাটো হ'ল চুবুৰীয়া কলিতানীৰ। বাপৰে, সেইজনীয়েতো ৰমলাক কম জ্বলোৱা নাছিল। অকল যেন তাইৰ ল'ৰাইহে মেট্ৰিক পাছ কৰিছে। তাকে যহাবলৈকে বোলে পঠা দিয়া পূজা গোঁসানীলৈ আগ কৰিছিল। পূজালৈ ৰমলাকো মাতিছিল। পিছে পূজাঘৰত কলিতানীৰ কিবা কথা ৰমলাৰ হজম নহ'ল। অন্য কথা সহ্য কৰিব পাৰিলেও নিজৰ ল'ৰাৰ গাত চিটিকনি পৰা কথা সহ্য কৰিব নোৱাৰি।' তহতেও ল'ৰাক খুৱাই বুৱাই ডাঙৰ দীঘল কৰিছা, আমিও কৰিছোঁ। তহতৰ ল'ৰাও স্কুললৈ যায়, আমাৰো যায়। তফাৎ মাত্ৰ এইখিনিতে যে আমাৰ ল'ৰাই একেটা শ্ৰেণীতেই দুই এবছৰ জিৰায় আৰু তহতৰ 'টিউচন'ৰ জোৰতেই চেচেৰি-মেচেৰি পাৰ হয়। এইখিনিতেই ইমান অহংকাৰ হব লাগেনে? আমাৰ ল'ৰাকো যদি টিউচন ধৰি দিব পাৰিলোহেতেন, তেনেহ'লে তহতৰ ল'ৰাক একেঠেলাই পিছপেলাই দিলেহেতেন। আৰু..... আৰু ... আমাৰ ল'ৰাওটো কম নহয়। ৰাজহুৱা পূজাই পাৰ্বনে 'ভলন্টিয়াৰ'ৰ প্ৰথম পদটো সিয়েই পায়। বছৰৰ শেষৰ পিনে হোৱা ৰাস পূজাত সি কম খাটেনে? নিজৰ পঢ়া-শুনা পাচ কৰি থৈও সি সদায় ৰাজহুৱা কামলৈআগবাঢ়ে। সেয়েই তাক সকলোৱে ভাল পায়। সকলোৱে তাকে বিচাৰে। তাক বিচাৰি ঘৰলৈকো কমখন মানুহ আহেনে? ইমান গুনৱান ল'ৰাজনকো সেইপাতে এনেকৈ হাঁহিবলৈ পায়নে? ঈশ্বৰ যদি কণা নহয়, এনে অপমান নিশ্চয় দেখিব'।- এইবোৰ ভাবি ভাবি তাই নিৰলে চকুলো মচে।



এইদৰেই দিনবোৰ গ'লহেতেন, যদিহে বৃহস্পতিবাৰে মতিৰাম সোনকালে ঘৰলৈ নুভতিলেহেতেন। জপনাখন পাৰ হৈয়েই সি ক'লা পঠাটোক ফুলৰ পাত খাই থকা দেখিলে। মতিৰামে তৰ্কিব নৌপাওঁতেই ৰমলাকো ঘৰৰ ভিতৰৰ পৰা হোফাই ফোপাই পঠাটো খেদি দিবলৈ অহা দেখিলে। মতিৰামক দেখি ৰমলাই খোঁচনিৰ পৰা গোঁজ মাৰি থোৱা চাদৰৰ আচলটো উলিয়াই মুখঢাকি দৌৰা-দৌৰি কৈ ঘৰ সোমাল। থৰ লাগি ৰৈ থকা মতিৰামৰ তেতিয়াহে সম্বিত ঘুৰি আহিল। লৰা-লৰিকৈ একান্ত মনে পাত খাই থকা পঠাটোক জপনা পাৰ কৰি খেদি দিলে। লৰি যোৱা লোদোৰা-পোদোৰ পঠাটোলৈ চাই মতিৰামে ক্ষন্তেক ৰৈ কিবা ভাবিলে। পঠাটোৰ গাত এতিয়াও ভোকোৰা পঠাৰ চিৰাচৰিত

গোন্ধটো ওলোৱা নাই।

সিদিনাৰ পৰা ঠিক তৃতীয় দিনা ৰাতি ব্লকত কাম কৰা সকলো কৰ্মচাৰী মিলি ক্লাবঘৰত এটি ডাঙৰ ভোজ ভাত খালে। উপলক্ষ্য, চৌধুৰী বাবুৰ অভাৰচিয়াৰৰ পৰা জুনিয়ৰ ইঞ্জিনিয়াৰলৈকে হোৱা প্ৰমোচন। খোৱা-বোৱাৰ সকলো যা-যোগাৰ কৰাৰ ভাৰ পৰিল মতিৰামকে আদি কৰি পাচোঁজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ ওপৰত। বন্ধা-বঢ়াৰ ভাৰো সিহতৰে ওপৰত আছিল। ৰান্ধনী হ'ল গুণীন বড়ো। লগতে ৰান্ধনীক বয় বস্তু যতনাই দিয়াৰ ভাৰ পৰিল পবিণ আৰু হৰেণৰ ওপৰত আৰু তৰকাৰীৰ বাবে আলু-পিয়াজ আদি কটাৰ ভাৰ মতিৰাম আৰু লক্ষেশ্বৰৰ মূৰত। কিন্তু ওপৰৱালাৰ লগত ভাল 'ফিল্ড' থকা মতিৰামে কৌশলেৰে সেই আমনিদায়ক ভাৰটো পিচলাই পবিণ, হৰেণ, গুণীন আৰু লক্ষেশ্বৰৰ ওপৰত পেলাই দিলে। তাৰ পৰিবৰ্তে সি চৌধুৰী চাৰৰ পৰা টকা লৈ গৈ দুই ডজনমান 'মাল'ৰ কাৰ্টন অনাৰ ভাৰটো লবলৈ ভাল পালে। অৱশ্যে ভোজভাতৰ সকলো কেচাঁমালৰ বজাৰ সিয়েই কৰিছে। মাছ-মাংসৰ পৰা নিমখ জলকীয়ালৈকে সকলোবোৰ সি পাত্-পাতকৈ চাই চিতি আনিছে; যাতে কোনোটোৱেই অকনো গেলা-পচাঁ নহয়। প্ৰতিকিলোত বাৰ ডোখৰ হোৱাকৈ ৰৌমাছ কিনিছে তিনি কিলো। অৱশ্যে মূৰ বোৰ বেলেগে আনিছে। সেইবোৰ চাৰহতে নাখায়। সিহতবোৰেই সেইবোৰ গতি লগাব লাগিব। মাংস আনিছে একদম 'ফ্ৰেচ'। পোনতে মূৰ্গী অনাৰ কথা আছিল। কিন্তু স্বয়ং চৌধুৰী চাৰেই মূৰ্গী নাখায়। গতিকে 'কেনচেল'। আকৌ খাহীৰ মাংস বৰাচাৰ, কলিতাচাৰ আৰু ৰংপিচাৰে নাখায়। গতিকে সিও কেন্চেল্। অৱশেষত বিচাৰি বিচাৰি পঠাৰ মাংসই অনা হ'ল; আঠ কিলো। পোন্ধৰজন মানু আঁটি যাব আৰু। আগে-পাচে লাগিবতো। আৰু আলু-পিয়াজ সকলো সি পিটিকি পিটিকি চাই আনিছে। কোনবাটো যদি পচাঁ ওলাই তেতি তাৰ বৰ দুৰ্নাম হ'ব।

ৰাতি প্ৰায় ১ বজালৈকে ভোজৰ খানা-পিনা চলিল। খো বোৱাৰ অন্তত মতিৰামকে আদি কৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী কেইজ ধৰা-ধৰিকৈ লৈ গৈ চাৰ কেইজনক নিজৰ নিজৰ কোৱাৰ্টাৰত থৈ আহি 'চাৰ' সকলে এৰি থৈ যোৱা 'জীৱনী সুধা'ৰ বটলবোৰ লগে ভাগে ক কৰি মতিৰামে ঘৰ পাওঁতে প্ৰায় দুই মান বাজিল। ঢলং-পলংকৈ সোমাই বিছনাত পৰাৰ পিছতেই তাৰ নাক বাজিল পিছদিনা ৰাতি ৯ বজালৈ।



এইদৰেই সেই শনিবাৰৰ ৰাতিৰ ভোজ-ভাত খন সুচাৰুৰূপে পাৰ হৈ গ'ল। তাৰ পিছত সকলোবোৰেই গতানুগতিক হৈ পৰি কিন্তু ৰমলাৰ হ'লে এটা অসুবিধা সুবিধা হৈ গ'ল। মানে আজিৰ পাক্ ঘৰৰ পৰা হোফাই-ফোপাই ভাত-পানী আধা ৰন্ধাকৈ থৈ আহি পঠাটো খেদিব নলগা হ'ল, অথচ জেওৰাখনেও কোনো মেৰামতি মুখ দেখা নাপালে। শনিবাৰৰ পৰা পঠাটো কেনি গ'ল কোনেও তবি নোৱাৰিলে। □□

কৌতুক ঃ-

ৰোগীঃ-চাৰ,কিবা এটা নতুন ঔষধ দিয়কহে।
ডাক্তৰ ঃ- কিয়,আগৰ ঔষধ খিনিৰে ভাল নাপালি ? সময়মতে খাইছিলিনে ?
ৰোগী ঃ- হয় চাৰ। আপুনি কোৱা মতে আহাৰৰ আগত এপালি আৰু পিছত এপালি খাইছিলো। প্ৰথম পালিটো জেঠৰ ২ তাৰিখেই খাঁলো আৰু এইপালিও শাওঁনৰ প্ৰথমতেই খালোঁ । পিছে ফল নাপালো ছাৰ।
ঃ দুজন মানুহে মাছ মাৰি আছে। এজন বুধিয়ক, আনজন ভেবেলা। বহু কেইচাব্ মাৰি মাৰি অৱশেষত এটা মাগুৰ আৰু এটা চেঙেলী মাছ পালে।এতিয়া বুধিয়কজনে ভেবেলাক সুধিলে,"ও ভেবেলা,তই কোনটো নিবি ?মাগুৰ নে চেঙেলী?" ভেবেলাই ক'লে," এহ্ হবদে। তইয়ে দি কোনটো দিয়া। তেতিয়া বুধিয়কে সুবিধা বুজি ক'লে-"মোৰ কোনো কথা নাই যিটো নিয়া নি, চেঙেলীটো নিয়া যদি চেঙেলীটোকে নি,মাগুৰটো নিনিয়া যদি চেঙেলীটোকে নি। মোৰ মাগুৰটো হলেই হব।"



# নতুন আশা

-শ্ৰীঅৰ্চনা শৰ্মা

"মা অ' মা মা, তুমি কলৈ গৈছা ? জানা,আজি দাদাহঁতৰ পৰীক্ষাৰ ফলাফল ওলাব।" নিশিতাই কথাখিনি একেলগে কৈ মাকৰ ওচৰ পালে। মাক অনিমাই সেই সময়ত গোহালিত কাম কৰি আছিল। মাকে কি হ'ল বুলি ওলাই আহি নিশিতাৰ পৰা ৰূপমৰ পৰীক্ষাৰ ফলাফল ওলাব বুলি গম পালে । অনিমাই দৌৰা দৌৰিকৈ গোহালিটো পৰিস্কাৰ কৰি গাটো ধুই আহিল আৰু মন্দিৰত সোমাই থাপনাৰ আগত ধূপ-চাকি লগাই ৰূপমৰ ভাল ফলাফল কামনা কৰি সেৱা কৰিলে। ৰূপমক লৈ তেওৰ কিমান যে আশা। বিজয় মৰাৰ পৰা অনিমাৰ মাথো এটাই চিন্তা কেনেকৈ ৰূপম আৰু নিশিতাক পঢ়াই-শুনাই দুয়োটাকে উচ্চ শিক্ষিত কৰি তুলিব পাৰে। মন্দিৰৰ পৰা ওলাই আহি অনিমাই পাৰ হৈ যোৱা দিন বোৰৰ কথা ভাবিব ধৰিলে। পাৰ হৈ যোৱা দিনবোৰৰ কথাবোৰ এটা এটাকৈ অনিমাৰ চকুৰ আগত ভাহি উঠিল।

অনিমা আছিল এজনী অতি দুখীয়া ঘৰৰ ছোৱালী। দুখীয়া হলেও পঢ়া-শুনা, কামে-কাজে সকলো ফালে অনিমা আগবঢ়া। সেয়েহে গাওঁৰ সকলো মানুহেই অনিমাক মৰম কৰিছিল। অনিমা আছিল ঘৰখনৰ একমাত্ৰ সন্তান, সেয়েহে মাক-দেউতাকৰ অতি মৰমৰ। অনিমাই নিজৰ পঢ়া শুনাৰ লগতে মাকক ঘৰৰ কাম কৰাত, কাপোৰ ধোৱাত আৰু দেউতাকক ইটো সিটো কৰি দি সহায় কৰিছিল। অনিমা খুব বুদ্ধিমতী ছোৱালী। তাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত দ্বিতীয় আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰিছিল। কিন্তু আৰ্থিক অভাৱৰ কাৰণে অনিমাই আৰু পঢ়িব নোৱাৰিলে। সেই সময়তে বিজয় নামৰ লৰা অনিমাহঁতৰ কাযত থকা বন্ধু এজনৰ ঘৰলৈ ফুৰিবলৈ আহিল। তালৈ আহি বিজয়ে অনিমাক দেখিলে। প্ৰথম দেখায়েই বিজয়ে অনিমাক পছন্দ কৰিলে আৰু বন্ধুজনৰ পৰা অনিমাৰ বিষয়ে সকলো কথা জানি লৈ মনে মনে অনিমাকেই বিয়া কৰাম বুলি স্থিৰ কৰিলে। বিজয় এজন উচ্চ শিক্ষিত আৰু উচ্চ বংশৰ ল'ৰা। তেওঁ এখন স্কুলত শিক্ষকতা কৰে। বিজয় ঘৰলৈ গৈ মাক-দেউতাকক অনিমাৰ কথা ক'লে আৰু অনিমাকেই বিয়া কৰোৱাৰ কথা ক'লে। বিজয়ৰ মাক-দেউতাকে প্ৰথমে অনিমা দুখীয়া ঘৰৰ ছোৱালী কাৰণে বিশেষ ইচ্ছা কৰা নাছিল যদিও বিজয়ে অনিমাকেই বিয়া কৰাবলৈ ইচ্ছা কৰাৰ কাৰণে তেওঁলোকে সন্মতি হবলৈ বাধ্য হ'ল।

অনিমাৰ মাক-দেউতাকৰো সন্মতি ক্ৰমে অনিমা আৰু বিজয়ৰ বিয়াখন অতি ধুম-ধামেৰে পাৰ হৈ গ'ল। বিয়াৰ পিছত তেওঁলোকৰ যুগ্ম জীৱন অতি আনন্দেৰে পাৰ হৈছিল। তেওঁলোকৰ মাজলৈ ৰূপম আৰু নিশিতা অহাৰ পিছত সেই আনন্দ দুগুণে বাঢ়িছিল। খুব ভালদৰেই অনিমাহঁতৰ সংসাৰ খন চলি আছিল। কিন্তু অনিমাহঁতৰ আনন্দ বেছি দিন স্থায়ী নহ'ল। আন দিনাখনৰ দৰেই সিদিনাও বিজয়ে স্কুললৈ গৈছিল। স্কুললৈ গৈ থাকোতে বাছৰ খুন্দাত বিজয়ে অকাল মৃত্যুক আকোঁৱালি ললে। এই খবৰটো শুনাৰ পিছত অনিমাৰ মূৰত যেন আকাশখনহে ভাঙি পৰিল। চাৰিওফালে অনিমাই অন্ধকাৰ দেখিলে। এই দুৰ্ঘটনাটোৰ পিছত অনিমাৰ জীৱনলৈ বিপৰ্য্যয় নামি আহিল। বিজয়ৰ মৃত্যুৰ সময়ত ৰূপমে অষ্টম মানৰ ছাত্ৰ আৰু নিশিতা পঞ্চম মানৰ ছাত্ৰী আছিল।



ৰূপম এতিয়া দশম মানৰ ছাত্ৰ। সি পঢ়া-শুনাত বৰ চোকা। তাৰ ওপৰত অনিমাৰ লগতে গএগ্ৰা আৰু শিক্ষক শিক্ষয়ত্ৰী সকলোৰে আশা যে ৰূপমে পৰীক্ষাত ভাল ফল দেখুৱাব। কিমান যে কষ্ট কৰি অনিমাই ইহঁত দুয়োটাকে পঢ়ুৱাইছে। বিজয়ৰ মৃত্যুৰ পিছত পোৱা পেঞ্চনৰ টকাৰে সংসাৰখন টানি টুনি চলায়। মৃত্যুৰ আগমূহুৰ্ত্তলৈকে বিজয়ৰ এটাই আশা আছিল যে তেওঁ ৰূপমক এজন ডাঙৰ ডাক্তৰ কৰিব।কিন্তু বিজয় ৰূপমে ডাক্তৰ হোৱালৈ জীয়াই নাথাকিল। অনিমাই ভাবিলে যে বিজয়ৰ এই ইচ্ছা তায়েই এতিয়া পূৰণ কৰিব লাগিব। তাৰ কাৰণে তাই যি কোনো কষ্ট সহিবলৈকে সাজু। সেই সময়তে কাৰোবাৰ হাঁহিৰ শব্দত অনিমাই উচপ্ খাই উঠিল। এতিয়াহে তাইৰ মনলৈ আহিল যে ইমান সময় তাই অতীতৰ মাজত বুৰ গৈ আছিল। তাই দেখিলে যে ৰূপমে হাঁহি হাঁহি তাইৰ কাষলৈ আহি আছে। আহিয়েই সি মাকক সাৱতি ধৰি কলে যে ষ্টাৰ মাৰ্ক সহ পৰীক্ষাত পাছ কৰিছে। এই খবৰটো শুনি অনিমাৰ দুচকুৰেদি দুধাৰি চকুলো বাগৰি পৰিল কিন্তু ই দুখৰ চকুলো নহয়। ই যে বুজাব নোৱাৰা আনন্দৰ চকুলো। অন্তহীন দুখৰ মাজতো অনিমাই এটি নতুন আশাৰ মুখ দেখিলে। □

ৰম্য ৰচনা

# টেনচন ফ্ৰী

-শ্ৰীৰংপী বৰঠাকুৰ

'গুড মৰ্নিং'! ৰাতিপুৱা ন বজাতে অফিচলৈ বুলি ওলাই বাছষ্টেণ্ডত বাছৰ অপেক্ষাত ৰৈ থকা সময়ত কৰবাৰ পৰা অহা এজন ডেকা ল'ৰাই মুখত এটি মিচিকিয়া হাঁহি লৈ মাত লগালে। অচিনাকী মুখৰ সেই ল'ৰাজনক মই আগতে কাহানিও দেখা মনত নপৰে। আহিয়ে ডেকাজনে মোৰ হাতখনৰ পিনে চাই ক'লে 'অলপ হ'ব নেকি'? মোৰ আৰু বুজিবলৈ বাকী নাথাকিল। কাৰণ মোৰ হাতত আছিল ধনী দুখীয়া সকলোৰে উপভোগ্য এবিধ বস্তু যাৰ নাম 'চাধা'। বহুত সময় ধৰি গাড়ীৰ অপেক্ষাত ৰৈ থাকোতে আমনি লগাত "টেনচন ফ্ৰী" চাধা এখলা খোৱাৰ বাবে যো-জা কৰি আছিলোঁ। এনেতে সেই অচিনাকী মুখৰ ল'ৰাজনে মাত লগালে। সঁচাকৈয়ে কি মেজিক।

মানুহে কয় যাৰ হাতত ধন থাকে তেওঁৰহে বন্ধু থাকে। কিন্তু বাস্তৱিকতে যাৰ হাতত চাধা থাকে তেওঁৰহে বন্ধু বেছি থাকে। সাধাৰণতে দেখা যায় টকা চাই যিজন বন্ধু আহে, যেতিয়া টকা নাথাকে সেই বন্ধুজনো নাথাকে। কিন্তু চাধাৰ যোগেদি যিজন বন্ধু হয় সি সদায়েই থাকে, আপোনাৰ হাতত চাধা নাথাকিলেও। প্ৰয়োজন হ'লে সেই বন্ধুজনে নিজে খুৱাই হ'লেও সেই বন্ধুত্ব ৰাখিব। ধৰক এখন বাছত ভ্ৰমণ কৰি আছে, আপুনি যদি কাষৰ জনৰ ভাড়াটো দি তেওঁক বন্ধু বনাব খোজে তেন্তে তেওঁ আপোনাৰ সেইখিনি সময়তহে বন্ধু হব, পিচত নহয়। কিন্তু যদি আপুনি তেওঁক টকাৰে নহয় চাধাৰে বন্ধু বনাব বিচাৰে তেন্তে গোটেই পথচোৱাতটো বন্ধু হৈ থাকিবই আৰু ভৱিষ্যতে কৰবাত লগ পালে নমতাকে নাথাকিব। ঠিক তেনেকুৱাই হৈছিল মোৰ ক্ষেত্ৰতো, এজন অচিনাকী ল'ৰাই বন্ধুত্বৰ হাত আগবঢ়াইছিল একমাত্ৰ চাধাৰ কাৰণে। কি আশ্চৰ্য্যজনক বস্তু এই চাধা, যিয়ে পলকতে পৰিবৰ্তন কৰি দিব পাৰে মানুহৰ মন, শত্ৰুৰ মাজতো গঢ়ি দিব বন্ধুত্বৰ সাকোঁ। এনেকুৱা এবিধ বস্তু হ'ল চাধা যিয়ে এজন অচিনাকী ল'ৰাক মোৰ গোটেই পথচোৱাত এনেকুৱা এজন বন্ধু কৰি তুলিছিল যিটো মানুহৰ দৃষ্টিত হৈ পৰিছিল, আমি দুয়োৰে চিনাকী যেন বহুত দিনৰ পুৰণি।

সঁচাকৈয়ে চাধাৰ কি অপাৰ মহিমা? যিয়ে ওঁঠৰ তলত লুকাই থাকিয়েই ক'ত কি কৰি পেলায় কোনেও নাজানে। মাত্ৰ অলপ সময়ও যদি কোনোবা মানুহৰ ওঁঠৰ তলত লুকাবলৈ ঠাইকণ বিচাৰি পায় তেন্তে সেই মানুহজনে পুনৰাই কেতিয়াও ইয়াক যাবলৈ কব নোৱাৰে। যিকোনো মানুহকেই অতি সোনকালে আপোন কৰি লব পাৰে। বিশেষকৈ ছাত্ৰ সকলক। ছাত্ৰৰ কাৰণে ই এবিধ ঔষধো। যদি কোনোবা ছাত্ৰই কিবা কাৰণত অতিপাত টেনচনত ভূগি আছে আৰু পঢ়িব পৰা নাই তেতিয়া হ'লে ইয়াৰ উত্তম উপায় হৈছে একমাত্ৰ চাধা। অলপমান চাধা খাওক লগে লগে দেখিব টেনচন আতৰি গৈছে আৰু পঢ়াত মনোযোগ বহিছে। আৰু যদি আপোনাৰ টোপনি লাগিছে বা টোপনিৰ পৰা উঠাৰ পিছত টোপনি টোপনি ভাব আতৰা নাই তেন্তে আপুনি পলম নকৰি অলপমান চাধা খাওঁক। নিমিষতে টোপনি পলায় ফাট মাৰিব আৰু আপোনাৰ মনলৈ সতেজতা ঘূৰাই আনিব। তাৰ পিছত আপুনি যিকোনো কামেই অতি মনোযোগেৰে কৰিব পাৰিব। দিনহাজিৰা কৰা মানুহ বিলাকৰ আটাইতকৈ আপোন বস্তু হৈছে চাধা। ইয়াৰ সহায়তে তেওঁলোকে সিহতৰ কৰ্ম-সময়ো বঢ়াই লব পাৰে। যিজন দিন হাজিৰা কৰা মানুহে চাধা খায় তেওঁ এই চাধাৰ জৰিয়তে দুদিনৰ কাম এদিনতে শেষ কৰিব পাৰে। গতিকে এবাৰ ভাবি চাওঁকচোন এই চাধা কিমান উপকাৰী। শেষত এই চাধাৰ দীৰ্ঘায়ু কামনা কৰি সকলোকে অনুৰোধ কৰিলোঁ যে আপোনালোক সকলোৱে যেন এই চাধাক অতি মৰমেৰে আদৰি লয়। কাৰণ এই চাধাই হৈছে মানুহৰ একমাত্ৰ সংগী যিয়ে নিৰ্জন ঠাইতো আনন্দ উপভোগ কৰাৰ বাবে এজন সংগী বিচাৰি আনি দিব পাৰে। সেয়েহে কোৱা হয়-

"যিয়ে নাখায় চাধা সি হ'ল গাধা,
যিয়ে খায় চাধা সি হ'ল সৰস্বতীৰ আধা"।

(আলোচনী সম্পাদক, মৃদুল গোস্বামীলৈ কৃতজ্ঞতাৰে।)



# অনুভূতি

মঃ গোলজাৰ আলি

শীতকাল। ৰাতিৰ আকাশত ওলোৱা জোনৰ পোহৰে গোটেই পৃথিৱীখনক পোহৰ বিলাইছে। পকী ৰাস্তাৰ মাজে মাজে বিজুলী চাকিবোৰে নিশাৰ জোনক সহায় কৰিছে। তৰাবোৰৰ তিৰ্‌বিৰ্ চাৱনিয়ে গোটেই গগনমণ্ডলক অপৰূপা কৰি তুলিছে। বাহিৰৰ পৃথিৱীখনত শীতৰ প্ৰকোপ। বাহিৰত কোনো এটি প্ৰানীও নাই, আছে মাথোঁ গছবোৰহে যেন শীতৰ সৈতে যুঁজ কৰিবলৈ বীৰবেশ লৈ থিয় হৈ । মাজে মাজে নিশাচৰ শিয়াল, হেপা আদিয়ে আহাৰ বিচাৰি হাবিৰ পৰা ওলাই অহাৰ শব্দ পালেই কুকুৰবোৰে ভুকিবলৈ ধৰে ।

দুৱাৰখন বন্ধ কৰি অমল ওলাই গ'ল। তেতিয়া ৰাতি দহমান বাজিছে। ৰাতিৰ ভাত সাজ খাই তেনেকৈ ওলাই যোৱাটো অমলৰ এটা অভ্যাস । কি জাৰ কি জহ , নিশা ভাত সাজ খাই অলপ খোজ নাকাঢ়িলে অমলৰ যেন কিবা এটা কাম আধৰুৱা হৈ ৰ'ল এনে লাগে। বাহিৰলৈ ওলাই গৈ অমলে এক শীতল বতাহৰ পৰশ পালে। এনেয়ে শীতকাল। তাতে আকৌ চেঁচা বতাহ। গাত থকা এড়ী চাদৰখনেৰে সৰ্বশৰীৰ ঢাকি লৈ অমল লাহে লাহে আগবাঢ়িল। এড়ী চাদৰখনে কিছুপৰিমানে শীতৰ প্ৰকোপ হ্ৰাস কৰিলে। অমল হঠাতে ৰৈ গ'ল কিছুসময়ৰ বাবে। এড়ী চাদৰখনৰ চাৰিওফালে জোনৰ পোহৰতে চকু দুটা ফুৰালে। ইয়াৰ প্ৰতিডাল সুতাৰ মাজত নিহিত হৈ আছে তাৰ অতীত-স্মৃতি।



অমলে এখন চাহ বাগিছাত এটা কেৰাণী পদত কাম কৰি আছে। চাকৰিত সোমাবৰপাঁচ বছৰমানেই হ'ল। দুখীয়া পৰিয়ালৰ ল'ৰা সি। সৰুকালতে পিতৃ হাৰা হোৱা অমলক মাকে বহু কষ্টেৰে ডাঙৰ দীঘল কৰিছিল। পঢ়াত চোকা নাছিল যদিও তেনে ভোটাও নাছিল। বহু কষ্টৰে সি হাইস্কুল শিক্ষান্ত পৰীক্ষাটোত উত্তীৰ্ণ হৈ কলেজত নাম ভৰ্তি কৰিছিল। কিন্তু অৰ্থৰ অভাৱত কলেজীয়া শিক্ষা আধাতে শেষ কৰিবলগীয়া হ'ল। অৱশেষত বহু কষ্টৰে মাজেৰে চাহ বাগিছা এখনত কাম এটা বিচাৰি ললে। পৰিয়াল বুলিবলৈ তাৰ গাঁৱত থকা বুঢ়ীমাক আৰু সি। চাকৰিটোৰে দুয়ো কোনো মতে চলি আছে ।

অমলে দুখোজমান আগবাঢ়ি গৈ চাদৰখন চাই অতীত ৰোমন্থন কৰিব ধৰিলে। কিমান যে মৰমৰ তাৰ এড়ী চাদৰখন। তাৰ মনটো হঠাৎ দৌৰ মাৰিলে সৌ স্কুলীয়া দিনবোৰলৈ। খুজিমাগি দুবেলা দুমুঠি মিলাব নোৱাৰা মাকৰ কি যে কষ্ট হৈছিল তাক পঢুৱাতে কাপোৰৰ অভাৱত শীতৰ নিশাবোৰ কেনেকৈ যে জুইৰ কাষত বহি কটাবলগীয়া হৈছিল। এই এড়ী চাদৰখনতে নিহিত হৈ আছে তাৰ অনেক শীতৰ নিশাৰ শোকঘন স্মৃতি। এই এড়ী চাদৰখন নিজে কিনা নহয়। দৰিদ্ৰলৈ দৰিদ্ৰৰ দান। গাঁওৰ এম-ই স্কুল পাছ কৰি হাইস্কুলত ভৰ্ত্তি হোৱাৰ পিছত সি বহুত নতুন বন্ধু- বান্ধৱীৰ সান্নিধ্যলৈ আহে। তাৰে ভিতৰত বিমল তাৰ নলেগলে লগা বন্ধু হৈ পৰে। লাহে লাহে সিহঁতৰ বন্ধুত্ব বিদ্যালয়তে সীমাবদ্ধ নাথাকি পৰিয়াললৈও বিস্তাৰিত হ'ল। বিমলৰ পৰিয়ালটোও দুখীয়া, যদিও অমলকৈ কিছু ভাল। পৰিয়ালটোত মাক দেউতাক আৰু দুজনী ভনীয়েক। অমলৰ দুখ দৈন্য সহিব নোৱাৰি বিমলৰ মাকে তালৈ এড়ী চাদৰখন দিছিল। অমলৰ বাবে এইখন অতি মৰমৰ বস্তু। ইয়াতেই লুকাই আছে দুটি দুখীয়া পৰিয়ালৰ মৰমৰ চিন। সঁচাকৈয়ে বিমল আজি থকাহেতেন সি কিমান আনন্দ পালেহেতেন। পঢ়াত বিমল ভালেই আছিল। কিন্তু দুখৰ বিষয়। বিমল অষ্টম শ্ৰেণীত পঢ়ি থাকোতে দেউতাক ইহ-সংসাৰৰ পৰা চিৰ বিদায় মাগিলে। বুঢ়ী মাক আৰু গাভৰু ভনীয়েক দুজনীক লৈ বিমল পাকচক্ৰত পৰিল। তাকৰীয়া জমীৰ উৎপাদনেৰে পৰিয়ালটো ভৰণ-পোষণ দিয়াত কি যে কষ্টৰ সন্মুখীন হৈছিল, বিমলৰ। মাজে মাজে সি হাজিৰা কৰিবলৈ ওলাই যায়। দিনভৰ লোকৰ ঘৰত পৰিশ্ৰম কৰি সন্ধিয়া ঘৰলৈ উভতি দিন মজুৰী যিখিনি পায় সেয়াৰে খাবকে নোজোৰে । তাতে আকৌ বুঢ়ী মাকজনীৰ আজি ইটো কালি সিটো বেমাৰ। ঔষধ কিনে কৰ পৰা। ঠিকমতে ঔষধ খাব নাপাই মাকো ইহসংসাৰৰ পৰা চিৰবিদায় মাগিলে। বিমলে এতিয়া গাভৰু ভনীয়েক দুজনীক লৈ দিন কটাবলগীয়া হৈছিল। কালৰ কি কুটিল গতি। গ্ৰামাঞ্চলত মহামাৰী ৰূপত দেখা দিয়া মেলেৰীয়া বেমাৰত আক্ৰান্ত হৈ বিমল অকাল মৃত্যৰ গৰাহত পৰে। মাতৃ শোকত আৰু ভায়েকৰ মৃত্যৰ শোকত ভনীয়েক দুজনীয়ে উপায় নেপাই গাঁও এৰিলে। সিহঁতৰ কৰবাত বিয়া হ'ল নেকি বাৰু? নাই অমলে সেই বিষয়ে একোৱে নাজানে। মাজে মাজে ঘৰলৈ গ'লে সি আক তাক সেই ছোৱালী দুজনীৰ কথা সোধে কিন্তু কোনেও সঠিক উত্তৰ দিব নোৱাৰে।

শীতৰ সেমেকা বতাহ জাকে তাক বৰ বিৰক্তি দিছে। লাহে লাহে সি ৰুমলৈ গ'ল। মনতে ভাবিলে সি এবাৰ বিমলৰ ভনীয়েক দুজনীক লগ পোৱা হ'লে!

দুৱাৰখন খুলিয়ে সি মজিয়াত কিবা এটা পৰি থকা দেখিলে জোনৰ পোহৰত। ওচৰলৈ গৈ টৰ্চটো মাৰি দেখিলে যে সৰু মেকুৰী পোৱালী এটা ঠাণ্ডাতে কোঁচমোচ খাই মজিয়াত শুই আছে। ঠাণ্ডা ইয়াৰো লাগিছে। ঠাণ্ডাৰ অনুভূতিয়ে অমলক বাৰে বাৰে বিৰক্তি দিবলৈ ধৰিলে। নিজৰ অনুভূতিটো দৌৰ মাৰে বিমলৰ পৰিয়ালটোলৈ। বিমল থকা হ'লে। টৰ্চলাইটো মূৰ শিতানত থৈ অমল বিচনাত শুই পৰিল। চকু দুটা মুদি নিদ্ৰা দেৱীক আহ্বান কৰিছিল যদিও বহু সময়লৈকে তাৰ চকু মুদ খোৱা নাছিল। মাত্ৰ এক অনুভূতিহে জাগ্ৰত আছিল। অনুভূতি ঃ দুখৰ অনুভূতি ঃ ঠাণ্ডাৰ অনুভূতি ঃ

# অনুসন্ধান



-শ্ৰীধনজিৎ ভাগৱতী

অঞ্চলটো সৰু ডাঙৰ পাহাৰেৰে আবৰা। দিনতেই সূৰ্য্যৰ পোহৰে ঢুকি নপোৱা ডাঠ হাবিয়নী। সেই হাবিত মানুহতো বাদেই সৰু সুৰা জন্তু জানোৱাৰো তাত বাস নকৰিছিল। মানুহৰ বিশ্বাস যে, সেই হাবিখন কালিকালগা। মাজে মাজে গভীৰ নিশা সেই হাবিৰ পৰা অহা অট্টহাস্য,কান্দোন, বিননি ইত্যাদি ভাহি আহি মানুহৰ বুকু কঁপাই তুলিছিল। সেই হাঁহি কান্দোন বিলাক ক'ৰ পৰানো উদ্ভৱ হৈছে সেইটো অনুসন্ধান কৰিবলৈ বুকুত সাঁহ বান্ধি তিনিজন ডেকা ল'ৰা সেই হাবিত সোমাইছিল,কিন্তু সিহঁত বহুদিনলৈ উভতি নহাত সেই অঞ্চলৰ মানুহৰ মনত পুনৰ গভীৰ ভাৱে সাঁচ বহুৱাই দিছিল যে, তাত সঁচাকৈয়ে ভূত আছে। মানুহে বিশ্বাস কৰিছিল যে, সঁচাকৈয়ে তাত অতৃপ্ত আত্মা কিছুমানে বসবাস কৰি জীৱ-জন্তু ধ্বংস কৰি আছে। ঠাইখন অনুন্নত কাৰণে তাৰ মানুহৰ উপযুক্ত শিক্ষাৰ অভাৱত অন্ধবিশ্বাসে বেছিকৈ প্ৰাধান্য পাইছিল।

ৰমেন আছিল সৰু চহৰ এখনৰ ল'ৰা। মনত অদ্যম হেঁপাহ নতুন কিবা এটা উদ্ধাৰ কৰা, নাইবা উদ্ভৱ কৰাৰ। ল'ৰাজনৰ ৰাপ হ'ল দুৰ্গম অভিযানৰ মাজেৰে অনুসন্ধিৎসু মনক দমন কৰি শুদ্ধ তথ্য উদ্ধাৰ কৰা আৰু সেই কাৰণেই সি বিজ্ঞান অধ্যয়নত বেছি মনোযোগ দিছিল। সি এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছে ; পৰীক্ষাৰ পিছত বহুত সময় পোৱাত গাওঁৰ মোমায়েকহঁতৰ ঘৰলৈ ফুৰিবলৈ গ'ল।

ঠাইখন বৰ মনোৰম। ধুনীয়া ধুনীয়া পাহাৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যই ৰমেনৰ মন বৰ উৎফুল্লিত কৰি তুলিছিল। তাতেই তাৰ মনটো হ'ল অনুসন্ধিৎসু। দিনবোৰ গৈ আছে। ৰমেনে অকলে অকলে ঠাইখনৰ চুকে কোনে অদম্য হেঁপাহেৰে ঘুৰি ফুৰিছিল। গধূলিও মোমায়েকহঁতৰ ঘৰৰ পৰা ফুৰিবলৈ যায়।

এদিন মোমায়েকে ৰমেনক মাতি আনি ক'লে।

ঃৰমেন গধূলি যেনি তেনি ফুৰিবলৈ ওলাই নাযাবি আৰু সৌ যে পশ্চিম ফালে থকা পাহাৰখন দেখিছা তালৈ কেতিয়াও নাযাবি। তেতিয়া ৰমেনে প্ৰশ্ন কৰিলে,

ঃ কিয় মোমাই? মোমায়েকে ক'লে,

ঃ তাত কিছুমান অদৃশ্য আত্মাই বাস কৰে, এবছৰমান আগতে তাৰ ৰহস্য ভেদিবলৈ তিনিজন ল'ৰা গৈছিল। কিন্তু সিহঁত আজিও উভতি নাহিল। মোমায়েকে আৰু তাক কৈছিল যে,

ঃ সেই পাহাৰটোৰ পৰা নিশা হ'লে নানা ধৰণৰ চিঞৰ-বাখৰ ভাহি আহে। সেইদিনা ৰমেনে মোমায়েকক ডাঙৰ বুলি একো ন'কলে। ৰমেনে জানে যে, মোমায়েকহতে অন্ধবিশ্বাসৰ বলি হৈছে। কিন্তু হঠাৎ এদিন ৰমেনে সেই হাবিখনৰ পৰা অহা কান্দোন শুনিবলৈ পালে। সি মনতে ভাবিলে কালি ৰাতিপুৱাই সেই পাহাৰ খনলৈ কোনেও নজনাকৈ যাব।

ৰাতি পুৱাল। ৰমেনে মোমায়েকক ক'লে যে, সি তাৰ বন্ধু এজন ঘৰলৈ যাব, আহোতে পলম হ'ব পাৰে। খাই বৈ ৰমেন ওলাই গ'ল। ৰমেন দুৰ্গম অভিযান আৰম্ভ হ'ল। মনত অদ্যম হেঁপাহ লৈ হাবিৰ গভীৰলৈ সন্ত অনুসন্ধিৎসু মনলৈ আগুৱাই গৈ আছে। বুকুখন দুৰ দুৰকৈ কঁপিবলৈ ধৰিছে হঠাৎ সি অনুভৱ কৰিলে যে, কিবা এটা কঠিন বস্তুত তাৰ খোজ পৰিছে। চালে, লগে লগে সৰ্বশৰীৰ কঁপি উঠিল, দেহ ঘামি গ'ল। সি এটা মানুহৰ জঁকাত খোজ দি আছে। জাপ মাৰি এখোজ পিছুৱাই আহিল। পিছ, মূহুৰ্ত ৰমেনে নিজকে নিজে ভাবিলে যে, ইমান ডাঙৰ অনুসন্ধান কৰিবলৈ আহি ভয় খালে নহ'ব। ন'হলে নিজকে নিজে পৰাজয় বৰণ কৰাৰ নিচিনা হ'ব। বুলি সি আৰু আগুৱাই যাব ধৰিলে। কিছু দুৰ গৈ সি এটা বস্তু দেখা পালে বস্তুটো সি বুটলি লৈ পকেটত ভৰাই থ'লে। সূৰ্য্য মুৰৰ ওপৰ পাইছে। অল আগুৱাই সি আকৌ আচৰিত হোৱাৰ পাল পৰিল। কাৰণ হাবিয়নীৰ মাজ ধুনীয়া কৈ ৰোৱা ফল- মূলৰ বাগিছা এখন দেখিবলৈ পালে। নানা ধৰনৰ ফল এতিয়াও লাগি আছে । চাৰিও ফালে কোনোবা আছে নে নাই চাই কেইটামান ফল খাই পেট ভৰাই ললে । হঠাৎ ৰমেনে দেখিবলৈ পালে বালিময় মাটিত কেইটামান অস্পষ্ট জোতাৰ খোজ।মনটো অলপ তাৰ পা লাগিল। তাৰ পিছত সি অদম্য হেপাহেৰে হাবিৰ মাজে মাজে আৰু আগ গ'ল। কিমান দূৰ আহিছে সি নিজেই কব নোৱাৰে। সি এতিয়াহে গম পা গধূলিও হ'ল। কথাটো ভাবিয়ে তাৰ মনটো চিৰিংকৈ উঠিল। কাৰণ এই নি গভীৰ অৰণ্যত সি অ'কলে কেনেকৈ কটাব? জন্তু জানোৱাৰলৈও বহুত ভ নিশা অকলে পালে তাক শুদাই নেৰে। সেয়েহে সি ভাবি চিন্তি এজোপা গছত উঠিল। গছডালৰ খোৰাং এটাত বহি লৈ চাৰিওফালে চকু ফুৰাই চা হঠাৎ সি এটা আচৰিত বস্তু দেখিবলৈ পালে। সি তাৰ চকুকে বিশ্বাস কৰি নোৱাৰা হ'ল, চকু দুটা এবাৰ ভালকৈ মোহাৰি লৈ পুনৰ চালে হয় সি ঠিক দেখিছে। তাৰ পিছত খৰ-ধৰকৈ গছডালৰ পৰা নামিল। গন্থব্যস্থল পোৱাৰ সৰু জোপোহা গছ এডালত উঠি ভালকৈ কাণ পাতি থাকিল। হঠাৎ তাৰ পৰিল, ঘৰটোৰ ভিতৰৰ পৰা অহা কেইজন মান মানুহৰ কথা বতৰা।

ঃ বহুত চেষ্টা কৰিলোঁ। ইয়াৰ পৰা পলাবৰ উপায়েই নাই দেখো

এজনে কলে,

ঃ আমাৰ অসাৱধানতাৰ বাবেহে ইমান বিপদত পৰিলোঁ। তাৰ পিছত আৰু আনএজনে ক'লে,

ঃ আমাক বাৰু কোনেও উদ্ধাৰ কৰিবলৈ অহা নাইনে?



অকস্মাৎ ঘৰটোৰ দুৱাৰ মুখত এটা শব্দ শুনিবলৈ পালে। তাৰ পিছত ৰমেনে এটা ডাঙৰ গলগলীয়া কণ্ঠস্বৰ শুনিবলৈ পালে।

আগন্তুকে ক'লে,

ঃ আজি নতুনকৈ এটা Loud Speaker অনা হৈছে। ৰঞ্জিতে আজি প্ৰথমে কান্দিব। তাৰ পিছত আটাইকেইজনে কান্দিব। ইয়াৰ ব্যতিক্ৰম হ'লে তিনিওটাৰে লাওখোলা উৰি যাব। আৰু এটা কথা তহঁতক কৈ থ'লোঁ, অহা পৰহি আমাৰ গাড়ী আহিব। তাত তহঁতে চন্দন কাঠখিনি উঠাই দিব লাগিব, আৰু গড়ৰ খাগ আৰু হাতীৰ দাঁত কেইটাও সযতনে পঠাই দিব লাগিব।



কথাখিনি শুনি ৰমেন আচৰিত হৈ গ'ল। তাৰ পিছত সি এক মূহুৰ্তও সময় পলম নকৰি বুকুত সাহ বান্ধি এন্ধাৰৰ মাজে মাজে দৌৰিবলৈ ধৰিলে। তাৰ বৰ্তমান লক্ষ্য মাথোন মোমায়েকৰ ঘৰ। পুৱতি নিশা সি মোমায়েকৰ ঘৰ আহি পালে। মোমায়েকে ভাবিছিল ৰমেনে বন্ধু জনৰ ঘৰতে ৰাতিটো কটাব। কিন্তু যেতিয়া পুৱতিতেই ৰমেনে মোমায়েকৰ ঘৰৰ দুৱাৰত টকিয়াবলৈ ধৰিলে,তেতিয়া মোমায়েকে আচৰিত হৈ গৈছিল। দুৱাৰ খোলাৰ পিছত ৰমেনে মোমায়েকক ক'লে, গাঁওৰ পৰা গৈ উভটি নহা ল'ৰাকেইজনৰ ঘৰৰ মানুহ মাতি আনিব লাগে।

কথাটো শুনি মোমায়েক আচৰিত হৈছিল যদিও যন্ত্ৰবৎ ল'ৰাকেইজনৰ ঘৰৰ মানুহ মাতি আনিলে। তাৰ পিছত সি পকেটৰ পৰা বস্তুটো উলিয়াই মানুহ বিলাকক দেখুৱালে। ৰঞ্জিতৰ ঘৰৰ মানুহকেইজন আচৰিত হৈ গ'ল। অ' ঠিকেই সেইটো ৰঞ্জিতৰে লকেট, কাৰণ তাত দুটা আখৰ আঠাৰে লগাই দিয়া আছিল R আৰু B অৰ্থাৎ ৰঞ্জিত বৰুৱা। চহৰৰ খুৰাকে তাক এইটো দিছিল আৰু সি হাবিলৈ যোৱাত সেইটোও লগত লৈ গৈছিল।

ইতিমধ্যে পোহৰ ভালকৈয়ে হ'ল। অঞ্চলটোৰ পৰা দহ কিলোমিটাৰ আঁতৰৰ পুলিছ থানালৈ ৰমেন, মোমায়েক আৰু কেইজনমান গাঁওৰ মানুহে খৱৰটো দিবলৈ থানালৈ গ'ল। প্ৰথমতে পুলিচ অফিচাৰজনে বিশ্বাস কৰা নাছিল যদিও তেওঁ জানিছিল যে, তেওঁৰ এলেকাত এটা বৰ ডাঙৰ গেং আছে। সেয়েহে তেওঁ DSP লৈ ফোন কৰি জনালে পুলিচ ফোৰ্চ এটা পঠাবলৈ। কথা মতে কাম। ৰমেনৰ আলম লৈ আটাইবিলাকে সেই হাবিখনত সোমাই গৈ গন্তব্য স্থান পালে। ৰমেনে অভিশপ্ত ঘৰটো দেখুৱাই দিলে। ঘৰটো চাৰিওফালৰ পৰা বেৰি লৈ দুৰ্ভগীয়া ৰঞ্জিত, অজয় আৰু তপনক উদ্ধাৰ কৰিলে লগতে কুখ্যাত গেং তথা সিহতৰ লগত থকা অস্ত্ৰ- শস্ত্ৰ, গড়ৰ খাগ, হাতীৰ দাঁত আৰু বহুমূলীয়া কাঠবোৰ জব্দ কৰিলে। সেই দিনৰ পৰাই সেই হাবিখনত ভূত নহোৱা হ'ল।

❑❑❑

## ঃ কৌতুক ঃ

প্ৰেমিক ঃ তোমাক চুমা এটা খালে তুমি চিঞৰিবা নেকি?
প্ৰেমিকা ঃ কেনেকৈ চিঞৰিম মোৰ দেখোন মুখ বন্ধ হৈয়েই থাকিব।

ডেকা ঃ সেই তিনিটা শব্দ কোৱানা, যি কেইটা শুনি মই আকাশত ওপঙি থাকিব পাৰোঁ।
গাভৰু ঃযোৱা চিপজৰী লোৱা।

শ্ৰী নিতুমনি ডেকা

শিক্ষক ঃ যি আনৰ উপকাৰ কৰে, তেওঁকহে মানুহ বোলে।
ছাত্ৰ ঃ চাৰ, তেনেহলে আপুনি মানুহ নহয়, কাৰণ আপুনি পৰীক্ষা হ'লে আমাক একো উপকাৰ নকৰে।

শিক্ষকঃ *"এতিয়া বৰষুণ দি আছে"* এইটো কোন কালৰ বাক্য।
ছাত্ৰঃ চাৰ, বাৰিষা কালৰ ।

শ্ৰী অভয় কুমাৰ হালৈ

# ফটোৰে প্ৰাগ্জ্যোতি

## সম্পাদনা সমিতি






সভাপতি-
শ্ৰীনিৰ্মল চন্দ্ৰ শইকীয়া



উপদেষ্টা-
শ্ৰীঅনিল চন্দ্ৰ মজুমদাৰ



তত্বাবধায়ক-
শ্ৰী মানিক চন্দ্ৰ দাস



সদস্যা-
শ্ৰীনিৰ্মালী মহন্ত চৌধুৰী



সদস্য-
শ্ৰীতপন কাকতি



সম্পাদক-
শ্ৰীমৃদুল গোস্বামী



ছাত্ৰ সদস্য-
শ্ৰীকুশল গোস্বামী



# ফটোৰে প্ৰাগ্জ্যোতি

## মহাবিদ্যালয়ৰ গৌৰৱ



শ্ৰীববিতা ভূঞা
বৰ্ষশ্ৰেষ্ঠা গায়িকা



শ্ৰীনিতুমনি ডেকা
বৰ্ষশ্ৰেষ্ঠা খেলুৱৈ



শ্ৰীহিতেশ কলিতা
বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ

## ২০০১-২০০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকল



সভাপতি, ছাত্ৰ একতা সভা
শ্ৰীনিৰ্মল চন্দ্ৰ শইকীয়া

উপ-সভাপতি, ছাত্ৰ একতা সভা
শ্ৰীমনিদ্বীপ গোস্বামী



সাধাৰণ সম্পাদক-
শ্ৰীধনজিৎ কলিতা



তত্বাবধায়ক, ছাত্ৰ একতা সভা
শ্ৰীতপন কাকতি



সহঃ সাধাৰণ সম্পাদক-
মঃ দাদুল হক্ আহমেদ



সম্পাদক,আলোচনী বিভাগ
শ্ৰীমৃদুল গোস্বামী



তত্বাবধায়ক,আলোচনী বিভাগ
শ্ৰী মানিক চন্দ্ৰ দাস



সম্পাদক,গুৰু খেল বিভাগ
শ্ৰীহিতেশ কলিতা



তত্বাবধায়ক,গুৰু খেল বিভাগ
শ্ৰীমণিকান্ত দাস



সম্পাদক,লঘু খেল বিভাগ
শ্ৰীসঞ্জয় ৰয়



তত্বাবধায়ক,লঘু খেল বিভাগ
শ্ৰীঅনুপ কুমাৰ শৰ্মা





তত্বাবধায়ক, তৰ্ক আৰু আলোচনা বিভাগ
শ্ৰীমানিক চন্দ্ৰ দাস



সম্পাদক,তৰ্ক আৰু আলোচনা বিভাগ
শ্ৰীমৃদুল শৰ্মা



তত্বাবধায়ক, সাংস্কৃতিক বিভাগ
শ্ৰীহেমন্ত শীল



সম্পাদক, সাংস্কৃতিক বিভাগ
শ্ৰীখনিন্দ্ৰ মেধি

তত্বাবধায়ক, সমাজ সেৱা বিভাগ
শ্ৰীজিতেন কুমাৰ ভাগৱতী



সম্পাদক, সমাজ সেৱা বিভাগ
শ্ৰীগোপাল ডেকা



তত্বাবধায়ক, ছাত্ৰ জিৰণী কোঠা বিভাগ
শ্ৰীঅনিল চন্দ্ৰ মজুমদাৰ



সম্পাদক, ছাত্ৰ জিৰণী কোঠা বিভাগ
শ্ৰীবিৰাজ তালুকদাৰ



তত্বাবধায়িকা, ছাত্ৰী জিৰণী কোঠা বিভাগ
শ্ৰীসাবিত্ৰী বেজবৰুৱা



সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা বিভাগ
শ্ৰীললিতা দাস

# বিশেষ ফটো সংযোজন



মহাবিদ্যালয় সপ্তাহত
নিঃ হাঃ মঃ



মহাবিদ্যালয় সপ্তাহত
নিঃ হাঃ মঃ




নৱাগত আদৰণি সভাত
নিঃ হাঃ মঃ



আলোচনা চক্ৰত
নিঃ হাঃ মঃ



# প্ৰতিবেদন চ'ৰা

## উপসভাপতিৰ প্ৰতিবেদন ঃ

শ্ৰী মনিদ্বীপ গোস্বামী

ঐতিহ্যমণ্ডিত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ২০০১-২০০২ ইং চনৰ ছাত্ৰ-একতা সভাৰ উপসভাপতি হিচাপে নিৰ্বাচিত কৰা বাবে সমূহ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

এখন মহাবিদ্যালয়ৰ বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী তথা সংশ্লিষ্ট আটাইৰে অভাৱ অভিযোগ দূৰীকৰণ তথা অগ্ৰগতিৰ পথত মোৰ ভূমিকাৰ মূল্যায়ন তথা বিশ্লেষণ কৰাৰ দায়িত্বও মহাবিদ্যালয় পৰিয়ালৰেই।

মোৰ কাৰ্য্যকালৰ সামৰণিয়ে এই বাক্যটো উপলব্ধি কৰিবলৈ বাধ্য কৰিছে-

*'সামৰনিতে আছে সঁচা মাদকতা, যুজি যুজি জিকি জিকি যেতিয়া ধ্বংস কৰোঁ জড়তা'।*

মোৰ কাৰ্যকালতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বহু বছৰ ধৰি ৰৈ থকা বহু কামে সম্পূৰ্ণ নতুবা আৰম্ভ হৈছে বুলি কব পাৰোঁ। গৌৰৱ কৰা বেয়া কথা। কিন্তু হেনৰি ডেভিদ থ'ৰোয়ে কৈছে, " আমি এনেদৰে ভাবিব লাগিব যেনেদৰে কুকুৰাই গৌৰৱ কৰে। কুকুৰাই ভাবে সি ডাক দিয়াৰ বাবেই ৰাতি পুৱাল"। আমিও তেনেদৰে গৌৰৱ কৰোঁ আহক।

মোৰ আশা আগন্তুক নিৰ্বাচিত ছাত্ৰ একতা সভাৰ সদস্য সকলে যাতে মহাবিদ্যালয় খনৰ উন্নতিৰ হকে কাম কৰি যায়। সদৌ শেষত ছাত্ৰ-উপসভাপতিৰ দৰে গুৰু দায়িত্বত থাকি হ'ব পৰা ভুল-ত্ৰুটিৰ বাবে আটাইৰে লগতে অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা বিচাৰি উপসভাপতিৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"।

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ-

শ্ৰী ধনজিৎ কলিতা

প্ৰাৰম্ভনিতে স্বদেশ আৰু স্বজাতিৰ হ'কে প্ৰাণ আহুতি দিয়া বীৰ স্বহীদ সকলক জনাইছোঁ শতকোটি প্ৰণাম আৰু লগতে সেইসকল প্ৰাতঃ স্মৰণীয় মহা মনিষীলৈ যাঁচিছো মোৰ অশ্ৰু সিক্ত অঞ্জলী তথা গভীৰ শ্ৰদ্ধা, যিসকলে কঠোৰ পৰিশ্ৰম, ত্যাগ, একাগ্ৰতা আৰু সাধনাৰ বলত পাটাছাৰকুছিত এই নিৰ্মল হালৈ মহাবিদ্যালয় স্থাপন কৰিলে।

২০০১-০২ ইং বৰ্ষৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে যিসকল শুভাকাঙ্খী ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক এই দায়িত্বপূৰ্ণ পদলৈ নিৰ্বাচিত কৰি মহাবিদ্যালয় খনৰ সেৱা কৰাৰ সুযোগকণ দিলে তেখেতসকলক কৃতজ্ঞতাৰে সুৱৰিছোঁ আৰু মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। পূৰ্বৰ বিভাগীয় সম্পাদকৰ পৰা ২০০১-২০০২ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে ২০০১ ইং চনৰ ১৩ ডিচেম্বৰত আনুষ্ঠানিক ভাবে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ এসপ্তাহ পিচত ছ দিনীয়া কাৰ্য্যসূচীৰে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহত প্ৰথম কাৰ্যসূচী হিচাপে আছিল পতাকা উত্তোলন। এই উত্তোলন কাৰ্য সমাপন কৰিছিল সভাপতি ড° ৰমেশ চন্দ্ৰ শৰ্মা দেৱে। তাৰ পিচত বিভিন্ন খেল-ধেমালি সমূহ সুকলমে অনুষ্ঠিত হৈ গৈছিল। মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা অৰ্থাৎ ২৪ ডিচেম্বৰত বটা বিতৰনী সভাত মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰি অনা হৈছিল বিশিষ্ট সমাজ কৰ্মী তথা পাটাছাৰকুছি বিধান সভা সমষ্টিৰ বিধায়ক মাননীয় শ্ৰীযুত পবিন ডেকা দেৱক। তেখেতে সভাত তেখেতৰ বহুমূলীয়া ভাষণ দাঙি ধৰে আৰু ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা মহাবিদ্যালয়লৈ অহা যোৱা কৰা স্বৰ্গীয় গৰ্গ নাৰায়ন গোস্বামী পথটো সম্পূৰ্ণ পকী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। সেই মতে পথটোৰ কাম আৰম্ভ হ'ল যদিও সম্পূৰ্ণ নহ'ল। আশা ৰাখিছোঁ ইয়াৰ পিছৰ বিভাগীয় সম্পাদকে বাকী অংশছোৱাৰ কাম সম্পূৰ্ণ কৰায়। আমি মাননীয় ডেকা দেৱৰ পৰা আৰু বহুতো কিবাকিবি আশা কৰিছিলোঁ কিন্তু আমাৰ দুৰ্ভাগ্য মহাবিদ্যালয় কৰ্তৃপক্ষৰ বিভিন্ন অসুবিধাৰ কাৰণে আমাৰ কাৰ্যকাল ছোৱাত তেখেতক মহাবিদ্যালয়লৈ আৰু আনিব পৰা নগ'ল।

অদমনীয় উচ্চ শিক্ষা লাভৰ অভিলাষ বাস্তৱত ৰূপায়িত কৰাৰ আশাৰে আৰু নিজকে সু-নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ ৰখা লক্ষ্য

প্ৰতিবেদন চ'ৰা

উদ্দেশ্য সুদৃঢ় কৰাৰ মানসেৰে আমাৰ মহাবিদ্যালয়ত পদাৰ্পণ কৰা নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আনুষ্ঠানিক ভাবে আদৰনি জনাবলৈ 'নৱাগত আদৰনি' সভাখন ১৯ চেপ্তেম্বৰ ২০০২ ইং তাৰিখে অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি ড° ৰমেশ চন্দ্ৰ শৰ্মা দেৱৰ দীৰ্ঘদিনীয়া চুটিৰ বাবে এই সভাত সভাপতিত্ব কৰে অস্থায়ী সভাপতি মাননীয় শ্ৰী নিৰ্মল শইকীয়া দেৱে। এই সভাত মুখ্য অতিথিৰ আসনৰ পৰা ভাষণ ৰাখে গুৱাহাটী কটন কলেজৰ অৱসৰ প্ৰাপ্ত অধ্যাপক মাননীয় ড° ৰমেশ পাঠক দেৱে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বৰমা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্ৰী দেৱধৰ শৰ্মা দেৱ। আবেলি তিনি বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয়।

ইয়াৰ উপৰিও নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত একাত্মবোধ আনিবলৈ মহাবিদ্যালয়ত 'গণবেশ' (ইউনিফৰ্ম) সম্পৰ্কে এখন সাধাৰণ সভা আহ্বান কৰা হৈছিল। উক্ত সভাত সভাপতিত্ব কৰিছিল মাননীয় শ্ৰী নিৰ্মল শইকীয়া দেৱে। উক্ত সভাত ছাত্ৰ একতা সভাই নিৰ্ধাৰণ কৰা ক্ৰীম ৰংৰ চাৰ্ট আৰু ক'লা পেন্ট গৃহীত কৰা হয়। সভাত সভাপতিকে ধৰি মাননীয় শ্ৰী মনিকান্ত দাস আৰু শ্ৰী ৰুদ্ৰ কলিতা চাৰ দেৱে বহুমূলীয়া ভাষণ ৰাখে।

অইন বেলিৰ দৰে এই বেলিও মহাবিদ্যালয়ত স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, শিল্পী দিৱস, শ্বহীদ দিৱস, বিশ্বকৰ্মা পূজা, সৰস্বতী পূজা আদিবোৰ পালন কৰা হৈছিল।

মোৰ কাৰ্যকালত সমস্যা জৰ্জৰিত আমাৰ মহাবিদ্যালয়খনৰ সামগ্ৰীক পৰিৱেশৰ নতুনত্ব অনাৰ বাবে বিশেষ ভাবে যত্ন লৈছিলোঁ। মাত্ৰ এবছৰীয়া কাৰ্য্যকালত আৰু সীমিত পুঁজিৰে ইমানবোৰ জলন্ত সমস্যা সমাধান কৰাটো সম্ভৱ নহয়। তৎসত্বেও সীমাবদ্ধ সুযোগ সুবিধাৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৃহৎ স্বাৰ্থৰ হ'কে মহাবিদ্যালয় কৰ্তৃপক্ষক দাবী জনাই আৰু তেখেত সকলৰ সহযোগত যিখিনি কাম কৰি সফলতা লাভ কৰিলোঁ তাৰ এক চমু খতিয়ান দাঙি ধৰিলোঁ-

১। মহাবিদ্যালয়ৰ আটাইকেইখন বাৰাণ্ডা পকী কৰা হয়।
২। প্ৰতিটো কোঠাৰ খিৰিকীত 'গ্ৰীল' লগোৱা হয়।
৩। পাঁচ, ছয় আৰু দুই নং কোঠাৰ মজিয়া পকী কৰা হয়।
৪। অস্থায়ী প্ৰেক্ষাগৃহ অৰ্থাৎ পাঁচ আৰু ছয় নং কোঠাত বিজুলী পাংখাৰ ব্যৱস্থা কৰা হয়।
৫। ছাত্ৰ একতা সভাৰ কাৰ্য্যালয় আৰু ছাত্ৰ জিৰণী কোঠাৰ মাজৰ তৰ্জাৰ বেৰ আতৰাই পকী দেৱাল বহুওৱা হয় আৰু ছাত্ৰৰ সুবিধাৰ্থে এটি ওৱাল ক্লকৰ ব্যৱস্থা কৰা হয়।
৬। ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ দুৱাৰ খিৰিকীত পৰ্দাৰ ব্যৱস্থা কৰা হয়।
৭। ছাত্ৰ জিৰণী কোঠাত পকী ফিল্টাৰৰ যোগান ধৰা হয়।
৮। স্থানীয় বিধায়কৰ পুঁজিৰ নগদ টকাৰে স্বৰ্গীয় গৰ্গ নাৰায়ণ গোস্বামী পথটোৰ অৰ্ধেক অংশ পকী কৰা হয়।
৯। ছাত্ৰৰ প্ৰস্বাৱগাৰৰ সন্মুখত পকী দেৱাল বহুওৱা হয়।
১০ মহাবিদ্যালয়ৰ সন্মুখ ভাগত মাটি পেলোৱা হয়।

ইয়াৰ উপৰিও শ্ৰেণী সমূহৰ পাঠদান নিয়মীয়া কৰাৰ বাবে অহৰহ চেষ্টা চলাই অহা হৈছিল। লগতে নিম্নোক্ত কাম সমূহ অতি সোন... হাতত লবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগতে মোৰ পৰৱৰ্তী ছাত্ৰ ... সভাৰ সদস্য বৃন্দক গুৰুত্ব সহকাৰে দৃষ্টিপাত কৰিবলৈ অনুৰোধ জ...

১। ছাত্ৰ-ছাত্ৰীৰ চাইকেলবোৰ পৰিপাতিকৈ থোৱাৰ ব্যৱস্থা ...
২। শিক্ষক আৰু কাৰ্য্যালয়ৰ সমূহ কৰ্মচাৰীৰ বাবে এটা স্থায়ী পৃথক চাইকেল ষ্টেণ্ড বনোৱাৰ ব্যৱস্থা কৰা।
৩। মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এটা আহল-বহল ... ৰুমৰ ব্যৱস্থা কৰা।
৪। মহাবিদ্যালয়ত এখন বাগিচাৰ ব্যৱস্থা কৰা।
৫। শিক্ষা বিভাগৰ ব্যৱহাৰিক সজুঁলিৰ ব্যৱস্থা কৰা।
৬। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে মহাবিদ্যালয়ৰ খেল পথাৰখন খেল... আকাৰত সম্পূৰ্ণ কৰি তোলাৰ ব্যৱস্থা কৰা, ইত্যাদি।

মোৰ কাৰ্য্যকালছোৱাত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অ... বিভাগৰ জেষ্ঠ্য প্ৰবক্তা মাননীয় শ্ৰী মোহন চন্দ্ৰ কলিতাদেৱৰ ১৯.৮... ইং তাৰিখে হোৱা অকাল মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰি... তেখেতৰ বিয়োগত মহাবিদ্যালয়ত 'শোক সভা' আৰু 'আদ্যশ্ৰাদ্ধ... হৈছিল আৰু তেখেতৰ বিদেহী আত্মাই যাতে চিৰশান্তি লাভ কৰে তা... ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ আৰু লগতে শোকাকুল পৰিয়াল... গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্য্যকালছোৱাত স্নাতক ... বৰ্ষৰ ছাত্ৰী শ্ৰী হিমানী মেধিৰ সৰ্প দংশনত মৃত্যু হয়। তেওঁৰ ... আত্মাৰ সদ্‌গতিৰ অৰ্থে মহাবিদ্যালয়ত এখন শোক সভা অনুষ্ঠি... হয়। তাৰোপৰি শোকাকুল পৰিয়ালবৰ্গলৈ ছাত্ৰ-একতা সভাৰ ... পৰা এটা শোক প্ৰস্তাৱ লৈ সমবেদনা জ্ঞাপন কৰা হয়।

হে মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকল, আপোনাৰে... অনুৰোধ জনাওঁ যে এই জ্ঞানৰ মন্দিৰত এগছি বন্তি জ্ব... আপোনালোক আহিছে বহুদূৰ অতিক্ৰম কৰি, যত দেশৰ সামগ্ৰীক... চৰ্চা হৈছে অকল্পনীয় ভ্ৰাতৃত্বৰ এনাজৰী। সুস্থিৰ চিন্তা, গভীৰ ... আৰু আত্ম বিশ্বাস আগত ৰাখি আমি আটায়ে আগুৱাব লাগিব, ... আমাৰ দেশৰ গুৰু দায়িত্ব এদিন আমিয়ে মূৰ পাতি লব লাগিব। ... আজিৰ যি পুৰুষ কাইলৈ সি দেশৰ ধৰণী স্বৰূপ।

মোক কাৰ্যকালছোৱাৰ বিভিন্ন কাৰ্য্যসূচীত ওতঃপ্ৰোতভাৱে ... থাকি মোক বিশেষভাবে সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ ... ড° ৰমেশ শৰ্মাদেৱ, তত্বাৱধায়ক শ্ৰীযুত তপন কাকতিদেৱৰ লগতে ... শিক্ষাগুৰু তথা কাৰ্য্যালয়ৰ কৰ্মচাৰীবৃন্দৰ ওচৰত মই চিৰঋণী ... তাৰোপৰি মোৰ কাৰ্য্যকালত যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে ... খোজত মোৰ ছাঁৰ দৰে থাকি সহায় সহযোগ কৰিলে তেওঁলোকৰ ... চিৰকৃতজ্ঞ হৈ ৰ'ম। সদৌ শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উত্ত... উন্নতি কামনা কৰি বিগত কাৰ্য্যকালৰ সময়ছোৱাত জ্ঞাতে অজ্ঞাতে ... ভুল- ভ্ৰান্তিৰ মাৰ্জনা বিচাৰি মই মোৰ বছৰেকীয়া প্ৰতিবেদনৰ ... মাৰিলোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"



প্ৰতিবেদন চ'ৰা

## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

মঃ দাদুল হক্ আহমদ

প্ৰতিবেদনৰ পাতনিতে মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ সেইসকল শ্বহীদ, যিসকলে স্বদেশ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ বিসৰ্জন দিছিল। লগতে সেইসকল মহান ব্যক্তিলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ,যিসকল ব্যক্তিৰ অক্লান্ত শ্ৰম, ত্যাগ তথা সহযোগিতাত আমাৰ মহাবিদ্যালয়খন প্ৰতিস্থিত হৈছে।

এই সুযোগতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ২০০১-২০০২ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃসাধাৰণ সম্পাদক পদত বিনা প্ৰতিদ্বন্দিতাৰ নিৰ্বাচিত কৰি গুৰু দায়িত্ব অৰ্পন কৰা সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ- আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

এই চমু কালছোৱাত মহাবিদ্যালয়ৰ কিমান দুৰ সেৱা কৰিব পাৰিলোঁ,সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। অৱশ্যে মই জ্ঞাত ভাবে কেতিয়াও কৰ্মত অৱহেলা কৰা নাই। তথাপি অজ্ঞাত ভুল ক্ৰটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ অনুস্থিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্য-সূচী সমূহ চলাই নিয়াত সাধাৰণ সম্পাদক আৰু আন আন বিভাগীয় সম্পাদক সকলক মোৰ ফালৰ পৰা সম্পূৰ্ণ সহযোগিতা আগবঢ়াওঁ। তাৰোপৰি মহাবিদ্যালয় সপ্তাহৰ মঞ্চ বনোৱা আৰু সজোৱাৰ দায়িত্ব ছাত্ৰ একতা সভাই মোৰ ওপৰত অৰ্পণ কৰিছিল। উক্ত দায়িত্ব মই নিষ্ঠাৰে পালন কৰোঁ।

মোৰ কাৰ্য্যকালত সকলো প্ৰকাৰে দিহা পৰামৰ্শ দি সহায় কৰা শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা নিবেদিছোঁ।

সদৌ শেষত অজ্ঞাত ভুল-ক্ৰটিৰ বাবে প্ৰতিবেদনৰ জৰিয়তে পুনৰ ক্ষমা বিচাৰি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰিলোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"

## সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ঃ-

শ্ৰী খনিন্দ্ৰ মেধি

প্ৰতিবেদনৰ আৰম্ভনিতে যি সকল বীৰ-বিৰঙ্গনাই বুকুৰ শোনিত দি অসম মাতৃৰ অস্তিত্ব বজাই ৰাখিলে সেইসকললৈ অশ্ৰু অঞ্জলী জ্ঞাপন কৰিলোঁ আৰু যিসকল বন্ধু-বান্ধৱীয়ে অকালতে আমাৰ মাজৰ পৰা স্বৰ্গগামী হ'ল তেওঁলোকৰ মঙ্গলৰ হ'কে মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ।

২০০১-২০০২ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে যিসকল ছাত্ৰ-ছাত্ৰীয়ে জয় লাভ কৰাত সহায় কৰিছে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

আনবেলিৰ দৰে এইবেলিও পূৰ্বৰ বিভাগীয় সম্পাদকৰ পৰা আনুষ্ঠানিক ভাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই অনুস্থিত কৰা হয় 'মহাবিদ্যালয় সপ্তাহ'। বিগত বছৰৰ দৰে এইবেলিও মোৰ বিভাগৰ পৰা বিভিন্ন ধৰণৰ গীত মাত, একক অভিনয়, একাংকিকা নাট, কৌতুক ভেশচন্ আদিবোৰ প্ৰতিযোগিতা অনুস্থিত হয়। ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হৈ বিভাগটিৰ উন্নতিৰ হকে আপ্ৰাণ চেষ্টা কৰিছিলোঁ। তৎসত্বেও সীমাবদ্ধ ক্ষমতাই কৰিছিল বিশেষভাবে জুৰুলা।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়ক শ্ৰীযুত হেমন্ত শীল চাৰ দেৱলৈ লগতে নিৰঞ্জন দাসলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো তথা অধ্যাপক- অধ্যাপিকা আৰু বন্ধু-বান্ধৱী সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

অৱশেষত মোৰ কাৰ্য্যকালত হোৱা সকলো ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"

## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

শ্ৰী হিতেশ কলিতা

প্ৰতিবেদনৰ প্ৰাৰম্ভনিতেই ভাৰতবৰ্ষৰ নুমলী জী অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰানাহুতি দিয়া সকলো জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদলৈ মোৰ সশ্ৰদ্ধ অশ্ৰু অঞ্জলি নিবেদিছোঁ। নি.হা.ম. প্ৰতিস্থাত অগ্ৰগণ্য মহা মনিষীসকললৈ জনাইছোঁ মোৰ শ্ৰদ্ধাভৰা প্ৰণিপাত। লগতে মহাবিদ্যালয়ত বৰ্তমান, অধ্যক্ষ, শিক্ষা-গুৰু তথা বন্ধু-বান্ধৱীসকললৈ জনালোঁ মোৰ আন্তৰিক অভিনন্দন।

যিসকল বন্ধু-বান্ধৱীয়ে ২০০১-০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদক পদত নিৰ্বাচিত কৰি মোক এই মহান শিক্ষা-মন্দিৰত সেৱা অৰ্চনা কৰাৰ যোগ্যতা প্ৰদান কৰিলে, তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই চেগতে মোৰ কাৰ্য্যকালত বিভিন্ন জটিল বিষয়ত সু-দিহা পৰামৰ্শ দি মোৰ কৰ্তব্য সমাপনত সচেষ্ট ভূমিকা লোৱা, আলোচনী বিভাগৰ সম্পাদক শ্ৰী মৃদুল গোস্বামীলৈ নথৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০০১ চনৰ ১৩ ডিচেম্বৰত আনুষ্ঠানিকভাবে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ এসপ্তাহ পিছতে সপ্তাহজোৰা কাৰ্য্যসূচীৰে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভ কৰে গুৰু খেল বিভাগৰ মাননীয় তত্বাবধায়ক শ্ৰীযুত মণিকান্ত দাস দেৱে। মাননীয় শিক্ষাগুৰু আৰু বিশিষ্ট বন্ধু-বান্ধৱীসকলৰ পূৰ্ণ সহায় সহযোগত কোনো অতিৰিক্ত অসুবিধা নোহোৱাকৈ সুকলমে 'মহাবিদ্যালয় সপ্তাহ' সামৰনিও পৰে যদিও এটা কথা নকৈ নোৱাৰোঁ যে, নিৰ্মল হালৈ মহাবিদ্যালয়ৰ দৰে বৃহৎ অনুষ্ঠান এটিৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৬০-৭০ জনমান খেলুৱৈ উপস্থিত থকাতে অতি দুখৰ বিষয়। ছাত্ৰ-ছাত্ৰী সকলে এটা কথা উপলব্ধি কৰা উচিত যে, বৰ্তমান খেলুৱৈ হ'ল আত্ম প্ৰতিভাৰ উত্তৰোত্তৰ উন্নতি কৰাৰ অন্যতম মাধ্যম।এই ক্ষেত্ৰত মহামান মহাত্মা গান্ধীয়েও স্বীকাৰ কৰি গৈছে যে, 'খেল-ধেমালি তথা শাৰীৰিক ব্যায়াম শিক্ষাৰ এক অবিচ্ছেদ্য অংগ'। কিন্তু তেনে এক পৰিস্থিতিতো 'মহাবিদ্যালয় সপ্তাহ'ত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সেৰেঙা হোৱাতো অতি পৰিতাপৰ কথা। ভবিষ্যতে যাতে তেনে পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ অনুৰোধ জনালোঁ।

যাহওক, অইনবাৰৰ দৰেই এই বাৰো মোৰ বিভাগবৰ্ত্তী খেল সমূহ সুকলমে অনুষ্ঠিত কৰোঁ। মোৰ পূৰ্বৰ গুৰু খেল বিভাগৰ সম্পাদকে প্ৰচলন কৰা 'চাইকেল ৰেচ' প্ৰতিযোগিতাটো মই ল'ৰা-ছোৱালী উভয় শাখাৰ মাজতে বেলেগে বেলেগে পাতোঁ। তাৰোপৰি দৌৰ (১০০,২০০,৪০০,১০০০ মিঃ), মাৰাথান, কাবাদী, ৰচীটনা, সাতোঁৰ (ল'ৰাৰ), জেভলিন থ্ৰ', ডিচকাচ থ্ৰ', ৱেইট থ্ৰ' ইত্যাদিবোৰ ল'ৰা-ছোৱালী দুয়োটা শাখাতে অনুষ্ঠিত কৰোঁ। এজন আন্তঃজিলা খেলুৱৈ হিচাপে মইও এই সকলোবোৰ খেলতেই অংশ গ্ৰহণ কৰোঁ আৰু লৰা শাখাত মহাবিদ্যালয়ৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ হিচাপে স্বীকৃতি পাওঁ। ছোৱালী শাখাত শ্ৰী নিতুমণি দাসে এই বঁটা লাভ কৰে। তেওঁলৈ মোৰ অভিনন্দন থাকিল। ইয়াৰোপৰি মোৰ পিছতেই স্থান লাভ কৰা কমল(ডাঙৰ),মন্টু,কমল(সৰু) লৈ মোৰ অভিনন্দন থাকিল।

আমাৰ মহাবিদ্যালয়ৰ এখন স্থায়ী খেলপথাৰ নথকাৰ বাবে পাটাছাৰকুছি বিদ্যাপীঠৰ খেলপথাৰতেই অধিকাংশ খেল চলাব লগা হৈছিল। ফলত খেলুৱৈসকলে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হ'ল। সেয়েহে এই চেগতে মহাবিদ্যালয় কৰ্তৃপক্ষক এখন উন্নত মানৰ স্থায়ী খেল পথাৰ প্ৰস্তুত কৰিবলৈ দাবী জনালোঁ।

শেষত মোৰ কাৰ্য্যকালত অজানিতে কৰা ভুল- ক্ৰটিবোৰৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"

## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদনঃ

শ্ৰীসঞ্জয় ৰয়

প্ৰতিবেদনৰ আৰম্ভণিতে অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া সকলো বীৰ শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। ২০০১-২০০২ ইং চনৰ লঘু খেল বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ অৰ্পণ কৰা ছাত্ৰ ছাত্ৰী তথা বন্ধু বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদিছোঁ। লঘু খেল বিভাগৰ সম্পাদক ৰূপে এই মহান অনুষ্ঠানটিলৈ কিমান খিনি সেৱা আগবঢ়াব পাৰিছোঁ সেয়া বিচাৰ ছাত্ৰ-ছাত্ৰীৰ হাতত গতালোঁ।

খেল শিক্ষাৰ অবিচ্ছেদ্য অংগ। খেল-ধেমালিয়ে মানুহৰ মাজত ঐক্য, শান্তি আৰু বন্ধুত্ব ভাৱ গঢ়ি তোলে। আনহাতে মানসিক উৎকৰ্ষ সাধনৰ লগতে এটি সু-স্বাস্থ্য গঢ়ি তুলিব পাৰি। সেয়েহে আমি শিক্ষাৰ লগতে খেল ধেমালিৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে।

মহাবিদ্যালয়ৰ উপযুক্ত সা-সজুঁলিৰ অভাৱত ছাত্ৰ-ছাত্ৰী সকলে খেল ধেমালিৰ প্ৰতি অমনোযোগী হোৱা পৰিলক্ষিত হৈছে। মহাবিদ্যালয়-কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে এখন উচিত মানদণ্ডৰ খেল পথাৰৰ ব্যৱস্থা কৰি ...





বছৰে খেলুৱৈ সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰে যেন। মোৰ কাৰ্য্যকালৰ সময়চোৱাত বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ লঘু খেল বিভাগৰ তত্বাবধায়ক শ্ৰী যুত অনুপ কুমাৰ শৰ্মালৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ। যি সকল বন্ধুৱে মোৰ দায়িত্ব পালনত সহায় সহযোগিতা আগবঢ়ালে তেখেত সকল সৰ্বশ্ৰী বাবুল দাস, বনমালি শৰ্মা, কিশোৰ কলিতা, কুশল গোস্বামী, বুবুল শৰ্মালৈ ধন্যবাদৰ শৰাই আগবঢ়ালোঁ।

প্ৰতিবেদনৰ শেষত শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, শিক্ষক শিক্ষয়িত্ৰীৰ লগতে মহাবিদ্যালয়ৰ সমূহ কৰ্ম কৰ্তা আৰু বন্ধু-বান্ধৱী সকলৰ ওচৰত অজানিত দোষ ক্ৰটিৰ বাবে ক্ষমা বিচাৰিলোঁ আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি ইমানতে মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়
জয় আই অসম

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ-

শ্ৰী গোপাল ডেকা

জয় জয়তে মোৰ প্ৰতিবেদনৰ আৰম্ভনিতে স্বদেশ আৰু স্ব-জাতিৰ হকে যিসকল স্বহীদে কলিজাৰ কেচাঁ তেজেৰে দেশ মাতৃৰ সেৱা কৰিলে, তেওঁলোকলৈ যাচিছোঁ শতকোটি প্ৰণাম আৰু লগতে সেই সকল প্ৰাতঃ স্মৰণীয় মহা-মনীষীলৈ যাচিছোঁ মোৰ অশ্ৰু সিক্ত অঞ্জলী তথা গভীৰ শ্ৰদ্ধা, যিসকলে কঠোৰ পৰিশ্ৰম, ত্যাগ, একাগ্ৰতা আৰু সাধনাৰ বলত পাটাছাৰকুছিত এই নিৰ্মল হালৈ মহাবিদ্যালয় স্থাপন কৰিলে। আমাৰ কাৰ্য্যকালৰ সময়ত মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা মোহন চন্দ্ৰ কলিতা আৰু স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী হিমানী মেধি স্বৰ্গ গামী হয়। এইখিনিতে তেখেত সকলৰ আত্মাই যাতে স্বগৰ্ত গৈ শান্তি লাভ কৰে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ।

